# শৰৎকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখ ঃ ২৫/০৯/২০১৮ মঙলবাৰ

আজি ইংৰাজী ২৫-০৯-২০১৮ তাৰিখে ৰাতিপুৱা ৯.৩০ বজাত মাননীয় অধ্যক্ষৰ অধ্যক্ষতাত অনুষ্ঠিত হোৱা অসম বিধান সভাৰ শৰৎ কালীন অধিৱেশনৰ কাৰ্য্যবিৱৰণী ঃ

**মাননীয় অধ্যক্ষ ঃ** প্ৰথম প্ৰশ্ন শ্ৰী বিনন্দ কুমাৰ শইকীয়া ডাঙৰীয়া।

**ডঃ হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী, বিত্ত ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী বিনন্দ কুমাৰ শইকীয়া, বিধায়ক(চিপাঝাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যিটো প্ৰশ্ন উত্থাপন কৰিছিলো, তাৰে ওপৰত মন্ত্ৰী মহোদয়ে দিয়া উত্তৰ খিনি পাইছো। মোৰ ক'বলগীয়া কথা এইটোৱে যে এই যিখিনি ধন মোৰ সমষ্টি আৰু কলাইগাওঁ সমষ্টিৰ বাবে ২৫ লাখ কৈ টকা আমাৰ মুখ্য মন্ত্ৰী ডাঙৰীয়াই এটা বিশেষ অনুদান হিচাপে দিছিল। সেই টকাখিনি আহিছে নে নাই, তাৰ বাবে আমি যিদিনাৰ পৰা আঁচনি উপায়ুক্তৰ কাৰ্য্যালয়ত দাখিল কৰিছিলো, সেই দিনাৰ পৰাই প্ৰায় এক সপ্তাহ ১০ দিনৰ মূৰে মূৰে খবৰ কৰিছিলো। উপায়ুক্তৰ কাৰ্য্যালয়ৰ পৰা জনোৱা হৈছিল যে তেনেকুৱা ধন আমি ৰূপান্তৰ আৰু উন্নয়ন বিভাগৰ পৰা লাভ কৰা নাই। শেষত আমাৰ অলপ সন্দেহ হ'ল আৰু Director DCP (Director of De-centralise Planning) ৰ লগত আলোচনা কৰিলো। তেখেতে জনালে যে আপোনালোকৰ টকাখিনি আমি কেতিয়াবাই জিলা উপায়ুক্তৰ কাৰ্য্যালয়লৈ পঠিয়াই দিছো। তেতিয়া আমি পুনৰ জিলা উপায়ুক্তৰ কাৰ্য্যালয়লৈ গ'লো। তাত তেওঁলোকে জনালে যে টকাখিনি অহা কোনো খবৰ তেওঁলোকে পোৱা নাই । এতিয়া বিত্ত বিভাগৰ অনুমোদন পাই ধন এৰি দিয়াৰ পিছত চিলিং দিয়াৰ পিছত উপায়ুক্তৰ কাৰ্য্যালয়ে কেনেকৈ ক'ব পাৰে যে আমি সেই ধন পোৱা নাই। Director of D.C.P. ৰ ফালৰ পৰা জনাইছে যে তেওঁলোকে সেই ধন মুকলি কৰি দিছে আৰু আজি উত্তৰতো মন্ত্ৰী মহোদয়ে জনাইছে যে ইয়াৰ পৰা ধন মোকলাই দিয়া হৈছে। এতিয়া কথাটো হৈছে যে কাৰ গাফিলতিৰ কাৰণে এই ধনখিনি আমি দুয়োটা সমষ্টিৰ বিধায়ক দুজনে নাপালো। ইয়াৰ উপযুক্ত তদন্ত হ'ব নেকি? এই বিষয়ে জানিব বিচাৰিছো।

**ডঃ হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী, বিত্ত ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়,মাননীয় বিধায়ক ডাঙৰীয়াই কৰা প্ৰশ্নৰ উত্তৰত মই এই কথাটো জনাব বিচাৰিছো যে অসমৰ মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই অ-নিৰ্দ্ধাৰিত পুঁজিৰ পৰা ২০-১৭-১৮ তাৰিখে চিপাঝাৰ আৰু কলাই গাওঁ সমষ্টিত ২৫ লাখকৈ টকা নিৰ্দ্ধাৰিত কৰি দিছিল। সেই অনুসৰি আমি ১০-০৫-২০১৮ তাৰিখে এই পুঁজি অনুমোদন কৰিছিলো। কাৰণ আঁচনি সমূহ মুখ্যমন্ত্ৰী ডাঙৰীয়াই সমষ্টি বুলি লিখি দিছিল। গতিকে বিধায়ক সকলৰ লগত আলোচনা কৰি জিলা উপায়ুক্তই ১০-০৫-২০১৮ তাৰিখে আমাক আঁচনিবোৰ দিয়াৰ পিছত এই গোটেই আঁচনি সমূহ অনুমোদন কৰিছিলো আৰু ১৯-০৬-২০১৮ তাৰিখে আমি এই ধন দৰং জিলাৰ উপায়ুক্তলৈ পঠিয়াই দিছিলো। with a validity till 19-07-2018 কিন্তু আজিকালি গোটেই ব্যৱস্থাটো এনেকুৱা হৈছে যে যেতিয়া বিত্ত বিভাগলৈকে on

line ceiling আহে, আমি সেইখিনি মুকলি কৰি দিওঁ। কেতিয়াবা ৰাতি ২ বজাতো মুকলি কৰি দিয়া হয়। কাৰণ পুঁজিখিনি এটা পৰিমাণৰ ওপৰত হ'লে মই মুকুলি কৰি দিব লাগে আৰু এটা পৰিমাণৰ তলৰ হ'লে Principal Secretary য়ে মুকলি কৰি দিয়ে। কেতিয়াবা মই ব্যস্ত থাকিলে ৰাতি ২.৩০ বজাতো মুকলি কৰি দিওঁ আৰু মুকলি কৰি দিয়াৰ লগে লগে S.M.S. alert যায় B.D.O. জনৰ ওচৰলৈ। B.D.O. জনে যদি সেই ফোনটো Silent mode ত থৈ দিয়ে বা ৰাতিপুৱা কিবা কাৰণত সেই Message টো Miss কৰে, তেতিয়াহ'লে তেওঁলোকৰ কাৰণে সমস্যা হৈ পৰে। তেতিয়া তেওঁলোকে গম নাপাব যে আমাৰ ইয়ালৈ টকাখিনি আহিছে। কাৰণ তাত লিখা থাকে যে আপোনাৰ তাত টকাখিনি আহিছে, আপুনি কম্পিউটাৰটো Check কৰক। B.D.O.সকলে নাভাৱে যে তেওঁলোকৰ তাত এনেকুৱা Message আহিব। যাৰ ফলত যোৱা বছৰ এনেকুৱা বহুত হৈছে। আজিকালি Message টো Directly Executive Engineer বা তাৰ তলৰ Level লৈকে যায় মাজত Commissoner বা Director লৈ নাযায়। সেইকাৰণে এই ধৰণৰ ঘটনা যোৱা বছৰত কেইবাটাও হৈছে। কিন্তু মই সন্মানীয় সদস্য ডাঙৰীয়াক আশ্বাস দিব খোজো যে যিহেতু টকাখিনি জিলা উপায়ুক্তই Draw কৰিব পৰা নাই, তেওঁ Non-Drawal certificate এখন দি দিলে আমি ২০-২৫ দিনৰ ভিতৰত টকাটো আকৌ মুকলি কৰি দিব পাৰিম। মই ভাৱো যে সেইটো লৈ বিশেষ কোনো সমস্যাৰ সৃষ্টি হ'ব নালাগে আৰু বিধায়ক ডাঙৰীয়াই অলপ নিজে আগ-ভাগ ল'লে হয়তো দহ দিনৰ ভিতৰত হৈ যাব।

**শ্ৰী বিনন্দ কুমাৰ শইকীয়া, বিধায়ক(চিপাঝাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰটো পাই মই মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাব বিচাৰিছো যে তেওঁ গুৰুত্বসহকাৰে এই কথাখিনি ইয়াত আনিছে। মোৰ আৰু এটা কথা হৈছে যে জিলা উপায়ুক্তৰ কাৰ্য্যালয়ত কিবা অজ্ঞাত কাৰণত বহু দিনলৈকে এই কামবোৰ পৰি থাকে। এতিয়া কিছুমান ৰাইজে M.L.A. Fund ৰ পুঁজি নালাগে বুলিও কয়। কাৰণ বহু অসুবিধাৰ সন্মুখীন হয়। বহু মানুহ আহি উপায়ুক্তৰ কাৰ্য্যালয়ৰ পৰা উভতি যাব লগা হয়। আমি গোটেই ব্যৱস্থাটো যিমান সৰল কৰিবলৈ চেষ্টা কৰি আছো, আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে Vido Conferance কৰি এইবোৰৰ তত্বাৱধান লৈ আছে। এতিয়া মোৰ পৰামৰ্শটো হৈছে, যে এই প্ৰক্ৰিয়াটো আৰু কিবা সৰল কৰিব পাৰি নেকি? যাৰ জৰিয়তে এই পুঁজিখিনি আৰু সৰল ভাৱে আমাৰ মানুহখিনিয়ে লাভ কৰে।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী, বিত্ত ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিভিন্ন বিধায়কৰ এই ক্ষেত্ৰত অভিজ্ঞতা বেলেগ বেলেগ হ'ব। গতিকে মই অনুৰোধ কৰিম যে যিসকল বিধায়কে, বিধায়ক পুঁজিৰ ক্ষেত্ৰত তেনেকুৱা অসুবিধাৰ সন্মুখীন হৈছে, মই আমাৰ অতিৰিক্ত মুখ্য সচিব ডাঙৰীয়াক জনাম যে তেওঁলোকে সাক্ষাৎ কৰি অলপ বুজাই দিয়ে যেন। আমি উপায়ুক্ত সকলৰ লগতো ব্যক্তিগত ভাৱে কথা পাতিবলৈ চেষ্টা কৰিম যাতে বিধায়ক সকলে তেনে সমস্যাৰ সন্মুখীন নহয়। যোৱা বছৰ মই নিজে বিধায়ক সকলক লগত লৈ Video Conference কৰিছিলো। আমি যোৱা বছৰটো Utilization ভালেই পাইছিলো। এইবছৰো পূজাৰ পিচত এবাৰ আমি বহি ল'ম। কাৰণ এইবাৰ Full utilization নিদিলে, M L A Fund মুকলি নহ'ব। সেইকাৰণে অক্টোবৰ মাহৰ পৰা মইও এখন Video Conference কৰিম আৰু বিধায়ক সকলকো নিমন্ত্ৰণ কৰিম। In the mean time যদি কিবা সমস্যাৰ সন্মুখীন হয়,ৰূপান্তৰ আৰু উন্নয়ণ বিভাগৰ অতিৰিক্ত মুখ্য সচিবক সাক্ষাৎ কৰিলে তেখেতে সকলোকে সহায় কৰিব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কলাই গাওঁ বিধান সভাৰ সন্মানীয় বিধায়ক ডাঙৰীয়াই কওঁক।

**শ্ৰী মহেশ্বৰ বড়ো, বিধায়ক (কলাইগাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই জনাব বিচাৰিছো যে আমাৰ চিপাঝাৰৰ আৰু কলাইগাওঁ বিধান সভা সমষ্টিৰ বাবে যি পঁচিশ লাখকৈ ধাৰ্য্য কৰা টকা ইতিমধ্যে উপায়ুক্তৰ কাৰ্য্যালয়ৰ পৰা জনাইছে যে আমি receive কৰিবলৈ সক্ষম হোৱা নাই। ইতিমধ্যে Letter দি দিছে আৰু Treasury office ৰ পৰাও এই পুঁজিখিনি receive কৰিব পৰা নাই বুলি জনাইছে। গতিকে উক্ত টকাখিনি মুকলি কৰি দিলে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ২২।

**শ্ৰী তপন কুমাৰ গগৈ, মাননীয় ৰাজ্যিক স্বতন্ত্ৰ মন্ত্ৰী, শক্তি ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনত মজিয়াত ৰখা হৈছে।

**মাননীয় শ্ৰীমতী ৰ'জলীনা তিৰ্কী (সৰুপথাৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল 'Pradhan Mantri Sahaj Bijli Har Ghar Yojana- "Saubhagya" ৰ ওপৰত যে এই আঁচনিৰ জৰিয়তে বৰ্তমান ৰাজ্যখনত কিমান খন গাওঁ আৰু চাহ-বাগিচা অন্তৰ্ভূক্ত হৈছে? এই প্ৰশ্নৰ প্ৰত্যুত্তৰত মই পাইছিলো যে ৭৮% কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে। দ্বিতীয়তে, মই সুধিছিলো যে এই আঁচনিৰ জৰিয়তে এই সমষ্টিৰ অন্তৰ্গত কিমানখন গাওঁ আৰু বাগিচা উপকৃত হৈছে, ইয়াৰ উত্তৰ মই পাইছিলো যে এই আঁচনিটো সমষ্টি ভিত্তিত নহয়, block wise হয় আৰু মোৰ সমষ্টিৰ দুটা block, South Golaghat আৰু Barangi block ৰ অধীনত ৫২৬ খন গাওঁ আৰু ২৫ খন চাহ-বাগিচা এই আঁচনিৰ অন্তৰ্ভূক্ত হৈছে। ইয়াৰ লগতে মই জানিব পাৰিছো যে এই আঁচনিৰ যিখিনি কাম সম্পূৰ্ণ হোৱা নাই, সেইখিনি ৩১ ডিচেম্বৰ, ২০১৮ তাৰিখৰ ভিতৰত সম্পূৰ্ণ হৈ পৰিব। কিন্তু মোৰ প্ৰশ্ন এইটো যে, সৌভাগ্য আঁচনিৰ বিজ্ঞাপনৰ জৰিয়তে BPL আৰু non-BPL সকলো লোককে বিজুলী দিয়াৰ যি আশ্বাস দিছে, সেইটো সকলোৰে পাব লাগে। কিন্তু প্ৰতিনিধি হিচাপে ৰাইজে যেতিয়া এই আঁচনিৰ বিষয়ে আমাৰ ওচৰলৈ শুধিব আহে তেতিয়া আমি তাৰ উত্তৰ দিব নোৱাৰো। কিন্তু মই আজি গম পাই আচৰিত হৈছো যে, এই আঁচনিৰ কাম ৭৮% হৈ যোৱাৰ পিছতো ৰাইজে আজি পৰ্যন্ত এই আঁচনিক লৈ প্ৰশ্ন উত্থাপন কৰে। চৰকাৰে এই আঁচনিৰ কাম ৩১ ডিচেম্বৰ, ২০১৮ তাৰিখৰ ভিতৰত সম্পূৰ্ণ হৈ যাব বুলি কৈছে যদিও আমি যদি APDCLৰ Websiteত চাওঁ, তেন্তে তাত আঁচনিটোৰ কাম ১৮ ফেব্ৰুৱাৰীত আৰম্ভ হৈ ১৯ মাৰ্চত সম্পূৰ্ণ হ'ব বুলি দেখুৱায়। সেই কাৰণে মই ক'বলৈ বিচাৰিছো যে এই আঁচনিৰ জৰিয়তে আমাৰ লোক সকলক যদি বিজুলী সংযোগ দিব পৰা হৈছে তেনেহ'লে তাৰ বাবে আমাৰ জন প্ৰতিনিধি সকলকো লগত ল'লে সুবিধা জনক হ'ব।

**মাননীয় অধ্যক্ষঃ** Minister.

**শ্ৰী তপন কুমাৰ গগৈ, মাননীয় ৰাজ্যিক স্বতন্ত্ৰ মন্ত্ৰী, শক্তি ঃ** অধ্যক্ষ মহোদয়, এই আঁচনিখন প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ সপোনৰ আঁচনি। সমগ্ৰ ভাৰতবৰ্ষৰ প্ৰত্যেকৰ ঘৰে ঘৰে আমি বিজুলীৰ সংযোগ দিব লাগে। প্ৰধান মন্ত্ৰী ডাঙৰীয়াই কৈছে যে সৌভাগ্য আঁচনিৰ জৰিয়তে সমগ্ৰ ভাৰতবৰ্ষত ৩১ ডিচেম্বৰ ২০১৮ ৰ ভিতৰত বিজুলী connection দি শেষ কৰিব লাগিব। আজি সদনত যিটো প্ৰশ্ন উত্থাপন হৈছে, এই ক্ষেত্ৰতপ্ৰধান মন্ত্ৰীৰ আঁচনি অনুসৰি BPL family সমূহক বিজুলীৰ সংযোগ দিয়াটোৰে আমাৰ উদ্দেশ্য আছিল। কিন্তু আমি অকল BPL য়ে নহয়, বৰঞ্চ APL/BPL বুলি কোনো মানুহৰ বাদ-বিচাৰ নকৰি সকলোকে connection দিবলৈ গৈ আছো। আমাৰ অসমত ২৬, ৩৯৫ খন Revenue village আছে আৰু এই Revenue village সমূহত বিভিন্ন সময়ত বিভিন্ন scheme ৰ under ত electricity connec-

tion দি থকা হৈছে আৰু আমি কামবোৰ এতিয়া সমষ্টি ভিত্তিত নহয়, block wise হে কৰি আছো। সৰুপথাৰ সমষ্টিৰ South Golaghat block আৰু Barangi block ৰ অধীনত ৫২৬ খন গাওঁ আৰু ২৫ খন চাহ-বাগিচাৰ সলনি নতুনকৈ ২৭ খন চাহ-বাগিচাৰ নাম অন্তৰ্ভুক্ত কৰিছো কাৰণ মই জানিবলৈ পাইছো যে তাত আৰু দুখন চাহ-বাগিচা আছে। গতিকে এই ২৭ খন চাহ-বাগিচা সৌভাগ্য আঁচনিত অন্তৰ্ভুক্ত হৈছে আৰু তাত আমি ৩১ ডিচেম্বৰ ২০১৮ ৰ ভিতৰত সকলোৰে ঘৰত বিজুলী connection দি সম্পূৰ্ণ কৰিম- এই কথাটো আমি আজি ৰাজহুৱা কৰিছো। আমাৰ কেইবাটাও আঁচনিৰ কাম চলি আছে, যেনে IBPS, দীন দয়াল, GSA ৰ কাম চলি আছিল আৰু এতিয়া সৌভাগ্য আঁচনিৰ লগতে বাকী সকলো কাম চলি আছে। আমি এই ক্ষেত্ৰত বিভিন্ন সময়ত স্থানীয় বিধায়ক সকলক সহযোগিতা কৰিবলৈ আহ্বান জনাইছিলো। আগতে এখন সমিতি গঠন কৰি দিয়া হৈছিল য'ত বিধায়ক সকলো দায়িত্বত আছিল। এই সমিতিখনৰ সভাত APDCL ৰ বিষয়া, উপায়ুক্ত সকলে বিধায়ক সকলৰ লগত বহি বাকী থকা কামৰ ৰিপৰ্ট বিচৰা হৈছে। মই আজি আপোনালোকক পুনৰবাৰ অনুৰোধ জনাইছো যে আমাৰ survey অনুসৰি যদি কোনো ঠাইত চুকে-কোণে দুই-এঘৰ মানুহ বৈ গৈছে তেন্তে সেইখিনিও আপোনালোকে আমাক দি দিয়ক, আমি ৩১ ডিচেম্বৰৰ ভিতৰত সকলোখিনি সম্পূৰ্ণ কৰিম। যদি কোনো অঞ্চলত আমি বিজুলীৰ খুঁটা নিব নোৱাৰো, grid connection দিব নোৱাৰো তেন্তে সেই অঞ্চলবোৰৰ বাবে আমি ইতিমধ্যে Solar powerৰ বাবে ৪০ হাজাৰ টকাৰ tender কৰিছো। গতিকে এনেধৰণৰ অঞ্চলো যদি আপোনালোকৰ ক'ৰবাত আছে তেন্তে সেইখিনিও আপোনালোকে দিয়াৰ ব্যৱস্থা কৰিব। আজি আমি ৫৬ টা package ৰ বাবে ১১ শ কোটি টকাৰ tender কৰিছো। এই tender টো হোৱাৰ পিছত কোনো এটা অঞ্চল, কোনো ঘৰ কতো বাদ পৰি নাযায় তাৰ প্ৰতিশ্ৰুতি মই আপোনালোকক জনালো। আমাৰ total household ৬৩,৭৬,৪৬২ ৰ কাম কৰা হোৱাৰ পিছত বৰ্তমান বাকী আছে ১৩, ৮৭, ১৩১ টা । এই বাকী থকা পৰিয়াল খিনিৰ বাবে আগন্তুক ৩১ ডিচেম্বৰ ২০১৮ৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ গৈ আছো।

**মাননীয়া শ্ৰী মতী ৰ'জলীনা তিৰ্কী (সৰুপথাৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে আগন্তুক ৩১ ডিচেম্বৰ ২০১৮ ৰ ভিতৰত কাম সম্পূৰ্ণ হৈ যাব বুলি কোৱা কথাটো শুনি ভাল পাইছো। কিন্তু আজি বিভাগীয় ভাৱে আমাক যি ধৰণে জনাব লাগিছিল, সেই ধৰণে একো জনোৱা নাই। কোনো মিটি ঙৰ কথাও মই গম পোৱা নাই। আনহাতে, বিভিন্ন আঁচনি, যেনে Solar power ৰ আঁচনি হাতত লৈও যে সৌভাগ্য আঁচনি সম্পূৰ্ণ কৰিব ওলাইছে এই বিষয়েও আমি গম নাপাওঁ। মই গাওঁ আৰু চাহ-বাগিচাৰ বিষয়ে যি তথ্য বিচাৰিছিলো সেইটো ইয়াত উত্তৰৰ লগত গাঠি দিয়া হোৱা নাই। গতিকে এই চাহ-বাগিচা সমূহত কামখিনি হৈ গ'লে মই ভাল পাম আৰু বিভাগীয় লোক সকলেও যাতে স্থানীয় বিধায়ক সকলক লগত লৈ আলোচনা তথা কামবোৰ কৰে তেন্তে আমাৰ বাবেও সহায় কৰিবলৈ সুবিধা হয় লগতে কামবোৰ সহজ কৰিবলৈ যাতে আমাৰ বিধায়ক সকলৰ সহায়-সহযোগিতা লয় তাৰ বাবে এটা সিদ্ধান্ত দিলে ভাল পাম। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** Thank you.

**শ্ৰী তপন কুমাৰ গগৈ, মাননীয় ৰাজ্যিক স্বতন্ত্ৰ মন্ত্ৰী, শক্তি ঃ** অধ্যক্ষ মহোদয়, মই বিভাগীয় বিষয়া আৰু উপায়ুক্ত সকলক জনাই দিম যাতে বিধায়ক সকলৰ লগত যোগাযোগ কৰে। আমাৰ বিধায়কৰ যিখন সমিতি আছে, সেইখন মই মন্ত্ৰী হোৱাৰ আগতেই গঠন কৰা হৈছিল। মোৰ সমষ্টিত মই বিধায়ক থাকোতেও সেই সমিতিত দুবাৰকৈ বহিছিলো। আমাৰ বেছিভাগ বিধায়কেই সেই

সমিতিত বহিছে। গতিকে মই আকৌ এবাৰ আপোনালোকক কৈছো, বিভাগীয় বিষয়া আৰু উপায়ুক্ত সকলক জনাই দিম যে আপোনালোকৰ লগত যোগাযোগ কৰি আলোচনা কৰে যাতে চুকে কোণে ৰৈ যোৱা ঘৰ সমূহৰো আমি খবৰ পাওঁ।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। সৌভাগ্য আঁচনিখন এখন দৰকাৰী আঁচনি। সকলোৰে বিজুলী সংযোগ পোৱাটো উচিত। কিন্তু সদনৰ Question Hour ত মই ইমান খিনি মানুহক ক'বলৈ দিব নোৱাৰো। প্ৰত্যেকটো বিধায়িনী দলৰ এজন এজন সদস্যক মই ক'বলৈ দিম। যদি দৰকাৰ হয়, তেন্তে আমি পিছত আলোচনা কৰিবলৈ দিম।

এতিয়া ৰূপজ্যোতি কুৰ্মী।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী)ঃ** অধ্যক্ষ মহোয়, আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এইটোৱেই জানিব বিচাৰিছো যে বিধায়কৰ যিখন সমিতি, সেইখন সমিতিক তেওঁ বিধায়ক থকা সময়চোৱাত তেওঁৰ সমষ্টিত দুবাৰকৈ বহিছিল, ডাঃ নোমল মমিন ডাঙৰীয়াই ৩ বাৰকৈ বহিছিল কিন্তু মই যে শূন্য বাৰহে বহিলো। তাৰ কাৰণটো কি বাৰু? হয়তো আপোনালোকে বি.জে.পি, এ.জি.পি, আৰু বি.পি.এফ.ৰ বিধায়ক সকলৰ সমষ্টিত সমিতি বনাই দিছে আৰু আমাৰ মানুহখিনিক আপোনালোকে এলাগী কৰিব বিচাৰিছে। কাৰণ এই সমিতিখনৰ বিষয়ে আমি একোৱেই গম নাপাওঁ।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। এই বিষয়টো মই নিজেই চাম। আপুনি যিহেতু মোৰ এজন সহকৰ্মী বিধায়ক, গতিকে আমাৰ তাত যদি সমিতি হৈছে তেন্তে আপোনাৰ সমষ্টিতো হোৱাটো মই আজি নিশ্চিত কৰি দিম।

এতিয়া কমল সিং নাৰ্জাৰী।

**মাননীয় শ্ৰী কমল সিং নাৰ্জাৰী, (বিজনী)ঃ** অধ্যক্ষ মহোদয়, সৌভাগ্য আঁচনি ৰূপায়ণ কৰিবৰ বাবে আমাৰ যিবোৰ Division আৰু Sub-division ৰ office সমূহ আছে, তাৰে প্ৰায়বোৰতে আমি দেখিবলৈ পাইছো যে তাত man-power কম হৈ আছে। তাত Junior Engineer, Deputy Manager ৰ post বোৰ খালী হৈ আছে। গতিকে চৰকাৰে সৌভাগ্য আঁচনি সম্পূৰ্ণ ভাৱে ৰূপায়ণ কৰিবৰ বাবে সেই man-power সমূহ নিয়োগ কৰাৰ ব্যৱস্থা কৰিব নেকি? বিজনীত বিশেষকৈ Deputy Manager ৰ পদটো খালী হৈছে, তাত এজনক নিযুক্তি দিছিল যদিও শাৰীৰিক অসুস্থতাৰ বাবে তেওঁ ছুটীত যাবলগীয়া হৈছে। গতিকে বিজনীৰ দৰে স্পৰ্শকাতৰ অঞ্চলত কম সময়ৰ ভিতৰত এজন ভাল Deputy Manager নিয়োগ কৰাৰ লগতে Junior Engineerৰ পদ সমূহ যদি খালী হৈ আছে তেন্তে তাত survey কৰাৰ ব্যৱস্থা কৰিব নেকি?

**শ্ৰী তপন কুমাৰ গগৈ , মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি সদনৰ মজিয়াত মই কবলৈ পাই আনন্দিত হৈছো যে বহুত দিনৰ পাছত আমি এটা huge appointment দিবলৈ গৈ আছো। আপোনালোকে জানে যে আমি ৩৫০০ appointment দিবলৈ গৈ আছো। এই ৩৫০০ ৰ ভিতৰত ১০০০ আমি fresh candidate লম, যিসকলে Higher Secondary pass কৰিব আৰু computer knowledge থাকিব। তাৰে ৮৭২ জন metric pass আৰু ITI pass লম আৰু বাকী থকা পদ সমূহ আমি যিসকলে বৰ্তমান কাম কৰি আছে যোৱা ৭-৮ বছৰে, তেওঁলোকক আমি regularize কৰিম। এই নতুন বছৰৰ ভিতৰত আমি কামটো সম্পূৰ্ণ কৰিম। ইয়াৰ উপৰিও যিসকল Engineer, HR, Law pass আছে, তেওঁলোকক বিভিন্ন পৰ্য্যায়ত 286 no post দিবলৈ গৈ আছো আৰু আপোনাৰ তাত যি Deputy Manager post খালী হৈ আছে

সেইটো আমি অতি সোনকালে দিয়াৰ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী আনোৱাৰ হুছেইন লস্কৰ।

**শ্ৰী আনোৱাৰ হুছেইন লস্কৰ, ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই জনাওঁ যে মাননীয় মন্ত্ৰী মহোদয়ৰ তাত মই নিজেই গৈছিলো আৰু complain কৰিছিলো। বৰাক ভেলীৰ বেছিভাগ ঠাইতে পইচা লোৱাৰ complain আছে আৰু যিবিলাক contractor এ ২ বা ৩ নং party ক দিয়ে তাৰ বাবে জনসাধাৰণে শাস্তি খাবলগীয়া হৈছে। মই মন্ত্ৰী মহোদয়ক এই বিষয়ে জনাওঁতে তেওঁ বৰাক ভেলীলৈ যাম বুলি কৈছিলে। কিন্তু এতিয়ালৈকে যোৱা নাই। বৰাকত কিছুমান বিষয়া আছে যিসকলৰ জৰিয়তে এই পইচা লোৱা কামটো চলি আছে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰী তপন কুমাৰ গগৈ , মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিধায়ক ডাঙৰীয়াই এই সম্পৰ্কত মোৰ ওচৰলৈ আহিছিল । মই ইতিমধ্যেই তাৰ কাৰণে এটা enquiry দিছো। ইয়াৰ উপৰিও আজি সকলো বিধায়কৰে আগত মই এটা কথা ক'ব বিচাৰিছো যে, প্ৰধানমন্ত্ৰী সৌভাগ্য যি আচঁনি , এই আচঁনিৰ জৰিয়তে আমি প্ৰত্যেকৰে ঘৰত electricity connection দিম। connection ৰ কাৰণে যি খুঁটা বা cable, ঘৰলৈ নিয়া ৩০ মিটাৰ তাঁৰ , এটা bulb জ্বলাবৰ কাৰণে যিখন switch board লাগিব, এই সকলোবোৰ বিনামূলীয়াকৈ চৰকাৰৰ ফালৰ পৰা যোগান ধৰা হৈছে। তাৰ কাৰণে কোনো লোকে ১০ পইচাও খৰচ কৰিব নালাগিব। কোনোবা ঠিকাদাৰে ক'ৰবাত যদি তাৰ কাৰণে পইচা বিচাৰে তেতিয়াহলে তেনে ঠিকাদাৰৰ বিৰুদ্ধে আপোনালোকে লগে-লগে ব্যৱস্থা লওক বা পুলিচ থানাত case দিয়ক। কোনোবাই তেনে কৰিলে আপোনালোকে তথ্য সহকাৰে আমাক জনাব। তেতিয়া লগে-লগে আমি তেওঁলোকৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিম। বৰাকত মই বিধানসভা শেষ হলে যাম কাৰণ তাত আমি কৰিবলগা কাম বহুত বাকী আছে। প্ৰায় ২.৫০ লাখ household ৰ কাম এতিয়াও বাকী আছে। তাৰ বাবে আমি tender কৰিছো আৰু আগতে যিসমূহ কাম award কৰি থোৱা আছে সেই contractor সমূহে কাম কৰি আছে। নতুনকৈ ১.৫০ কোটি টকা আমি award কৰিছো আৰু যিবিলাক অঞ্চলত হোৱা নাই, সেইবিলাক অঞ্চলত আমি solar ৰ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী সঞ্জয় কিষাণ ।

**শ্ৰী সঞ্জয় কিষাণ ঃ** মাননীয় অধ্যক্ষ মহোদয়, target ৰখা হৈছে এই বছৰৰ শেষৰ ফালে। কিন্তু এনেকুৱা কিছুমান গাওঁ আছে য'ত current আছে কিন্তু তেওঁলোকে উপযুক্ত সময়ত পইচা দিব পৰা নাই বা Departmental মানুহৰ অৱহেলাৰ কাৰণে তেওঁলোকৰ পৰা পইচা collect কৰা নাই। এতিয়া Bill একেলগে বহুত বেচি হৈ যোৱা কাৰণে গাওঁবাসীয়ে দিব পৰা নাই। কিন্তু Department ৰ মানুহে কৈছে যে গাওঁবাসীয়ে সম্পূৰ্ণ Bill clear নকৰাকৈ তাত আমি নতুন মানুহক connection দিব নোৱাৰিম।

**মাননীয় অধ্যক্ষ ঃ** আপুনি সৌভাগ্য আচঁনিৰ কথাই কৈছেনে ?

**শ্ৰী সঞ্জয় কিষাণ ঃ** হয় অধ্যক্ষ মহোদয়। গতিকে এই মানুহখিনি বঞ্চিত হ'ব নালাগে।

**শ্ৰী তপন কুমাৰ গগৈ , মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিধায়ক গৰাকীয়ে এটা ভাল প্ৰশ্ন কৰিছে। সৌভাগ্য আচঁনিৰ ক্ষেত্ৰত এইটো প্ৰযোজ্য নহয়। যিসকলৰ ঘৰত এতিয়া connection নাই , তেওঁলোকৰ ঘৰতহে আমি connection দিবলৈ গৈ আছো। APL হওক বা BPL হওক কোনো মানুহে আগতে পইচা দিবলৈ আছে সেইটো প্ৰযোজ্য নহয়। তেওঁলোকে

principal amount টো দিলেই হ'ল। বাকী টকাখিনি আমি wave কৰি দিয়াৰ ব্যৱস্থা কৰিম। তেওঁলোকে office লৈ গলেই হ'ল। আমাৰ ফালৰ পৰা তেওঁলোকক instruction দিয়া আছে।

**মাননীয় অধ্যক্ষ ঃ** Last supplemantry Shri Utpal Dutta.

**শ্ৰী উৎপল দত্ত ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো যে সৌভাগ্য আচঁনিত বহুখিনি গাওঁৰ নাম আছে। এই গাওঁবিলাকত এতিয়াও খুঁটা যোৰা নাই। গাওঁবিলাক electrify হোৱা নাই। কোনো infastructure নাই। কেনেকৈ আপুনি নিৰ্দিষ্ট সময়ৰ ভিতৰত কামটো সম্পূৰ্ণ কৰিব।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়াই Solar Energy ৰ কথা এটাও কৈছিলে।

**শ্ৰী উৎপল দত্ত ঃ** লক্ষীমপুৰত মই কেইদিনমান আগতে নিজে তদাৰক কৰিছিলো। চৰকাৰে যিবিলাক মিটাৰ যোগান ধৰিব লাগে, সেইবিলাক যোগান ধৰিব পৰা নাই। Engineer সকলে কৈছে আমি লগাবলৈ দিছো। কিন্তু যিমান মিটাৰ লাগে সেইখিনিও চৰকাৰৰৰ ফালৰ পৰা যোগান ধৰিব পৰা নাই আৰু ঠিকাদাৰসকলেও সেইখিনি যোগান ধৰিব পৰা নাই। সেইকাৰণে নিৰ্দিষ্ট দিনৰ ভিতৰত সম্পূৰ্ণ কৰিব পাৰিব নে নাই সেইটো মোৰ সন্দেহ হৈছে। মন্ত্ৰী মহোদয়ে যাতে অলপ initiative লয় কামটো খৰতকীয়া কৰিবলৈ।

**শ্ৰী তপন কুমাৰ গগৈ , মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, লক্ষীমপূৰ জিলাত মই যেতিয়া নিজে চাবলৈ গৈছিলো, তেতিয়া দেখিছিলো যে তাত যিমান infastructure থাকিব লাগে, সিমান নাই। কিন্তু আমি খুব সোনকালেই এই কামটো কৰিম। ১১০০ কোটি টকা আৰু ৫৬ টা pakage ৰ কাৰণে আমাৰ tender হৈ আছে। দুটা system ত আমি কামবিলাক কৰি আছো। কেইবাটাও scheme চলি আছে।যোৱা মাহত আমি নতুন ঠিকাদাৰক লবলৈ registration কৰিবলৈ দিছিলো। যিবিলাক ঠিকাদাৰে registration কৰিছে আৰু locally empanel হৈছে, ৫ কোটিকৈ টকা আমি মুকলি কৰি দিছো। connection লগাবৰ কাৰণে যিটো টকা লাগে সেইটো cabinet ত fix কৰি দিয়া হৈছে। ৬ লাখ মিটাৰ আমি centrally কিনাৰ ব্যৱস্থা কৰিছিলো। তাৰ ভিতৰত ৫ লাখ মিটাৰ আমি কিনিছো আৰু ১ লাখ মিটাৰ আমাক IEC য়ে দিছে দিল্লীৰ পৰা। এই ৬ লাখ মিটাৰ আমাৰ existing line ৰ পৰা যিসকল empanel group এ কাম কৰিব তেওঁলোকক দিয়াৰ ব্যৱস্থা চলি আছে আৰু যিখিনি TKC contractor আছে তেওঁলোকে নিজে মিটাৰ, খুঁটা আদি কিনিব লাগিব কাৰণ তেওঁলোকক আমি award কৰিছো। complete কৰিব নোৱাৰিলে আমি তেওঁলোকক ধৰিম। এইক্ষেত্ৰত তেওঁলোকে responsible হয়। কিন্তু বাকী যিখিনি existing line ৰ পৰা দিব লাগে তাৰ ক্ষেত্ৰত আমাৰ continue কাম চলি আছে।

**মাননীয় অধ্যক্ষ ঃ** Next Question Shri Debarbrata Saikia.

মই এইখিনিতে শক্তিমন্ত্ৰী ডাঙৰীয়াক শুভেচ্ছা জনাইছো যে তেখেতে খুব কম সময়ৰ ভিতৰত বস্তুখিনি ভালকৈ লৈছে। তেখেতক অনুৰোধ জনাইছো কাম যাতে সময়মতে হয়গৈ।

**শ্ৰী অতুল বৰা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী দেৱব্ৰত শইকীয়া,বিৰোধী দলপতি ঃ** অধ্যক্ষ মহোদয়, গুৱাহাটীৰ বজাৰ সমিতিৰ সভাপতিৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ অনাটো সত্য। মই জনাত ইয়াৰ এটা তদন্তও হ'ল। অনাস্থা প্ৰস্তাৱ গৃহীত হৈছিল। তাৰ পিছতো কিয় চৰকাৰে যেনেধৰণৰ ব্যৱস্থা ল'ব লাগে তেনেধৰণে নলৈ বিবেচনাধীন

কৰি আছে? কেতিয়া বিবেচনা কৰি সম্পূৰ্ণ মিমাংসা দিব মই জানিব বিচাৰিছো।

**শ্ৰী অতুল বৰা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০১৮ চনৰ ৬ ফেব্ৰুৱাৰীত গুৱাহাটী মহকুমা বজাৰ সমিতিৰ ৪ জন সদস্যই মহকুমা বজাৰ সমিতিৰ সভাপতিৰ বিষয়ে অনাস্থা প্ৰস্তাৱ আনিছিল আৰু এই প্ৰস্তাৱ সম্পাদক গৰাকীলৈ প্ৰেৰণ কৰিছিল। এই অনাস্থা প্ৰস্তাৱৰ মূল বিষয়কেইটা আছিল যে কমিটিয়ে ১৭-১১-২০১৭ ত প্ৰথম সভা অনুষ্ঠিত কৰাৰ পাছত কোনো স ভা অনুষ্ঠিত কৰা নাই। দ্বিতীয়তে আছিল গুৱাহাটী মহকুমা বজাৰ সমিতিৰ ধনৰ অপব্যৱহাৰ কৰাৰ কথা তাত উল্লেখ আছিল আৰু তৃতীয়তে, Vice Chairman বা অন্যান্য যিসকল সদস্য আছে সেইসকলক বেয়া ব্যৱহাৰ কৰা বুলি কৈছে। এই অনাস্থা প্ৰস্তাৱৰ বিপৰীতে সভাপতি আটায়ুৰ ৰহমান ডাঙৰীয়াই গুৱাহাটী উচ্চ ন্যায়লয়ত আবেদন কৰিছিল আৰু মহামান্য উচ্চ ন্যায়লয়ে **০২-০২-১০১৮** তাৰিখে চৰকাৰে অপসাৰণ নকৰালৈকে APM Act 11(2) মতে মহকুমা বজাৰ সমিতিৰ সভাপতিয়ে কাৰ্য্যভাৰ চলাই যাব পাৰিব বুলি এটা নিৰ্দেশ দিছিল। ইয়াৰ পিছত চৰকাৰৰ ফালৰ পৰা সভাপতিয়ে কাৰণ দৰ্শৱো জাননী জাৰি কৰিছিল আৰু সভাপতিয়ে ইয়াৰ উত্তৰো দিছিল **১৫-০৫-১০১৮** তাৰিখে। উত্তৰ পোৱাৰ পিছত আমি বজাৰ সমিতিৰ সম্পাদক গৰাকীৰ মতামত বিচাৰি এক পত্ৰ প্ৰেৰণ কৰিছিলো। আৰু সম্পাদক গৰাকীয়ে ইয়াৰ উত্তৰ প্ৰদান কৰে। সভাপতিৰ উত্তৰ বজাৰ সমিতিৰ সম্পাদকৰ মতামত গোটেইখিনি চালিজাৰি চাই এই বিষয়টোৰ সম্পৰ্কত LRA ৰ মতামত বিচাৰিছো আৰু LRA ৰ যোৱা **২০-০৯-১০১৮** তাৰিখে Judicial Department তে নথি আমাক ঘূৰাই দিয়ে আৰু পৰামৰ্শ দিয়ে যে বিষয়টো যিহেতু মহামান্য উচ্চতম ন্যায়লয়ৰ বিচাৰধীন হৈ আছে। গতিকে এই সম্পৰ্কত জেষ্ঠ্য চৰকাৰী অভিবক্তা (Additional Advocate General) ৰ লগত আলোচনা কৰি review petition দাখিল কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** next question no. 24, মাননীয় সদস্য শ্ৰী নিজানুৰ ৰহমান ডাঙৰীয়া।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী, স্বাস্থ্য আৰু পৰিয়াল কেন্দ্ৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী নিজানুৰ ৰহমান, গৌৰীপুৰঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত উত্তৰটো দিয়া হৈছে। আমাৰ গৌৰীপুৰ সমষ্টিৰ আলমগঞ্জ উপ-স্বাস্থ্য কেন্দ্ৰৰ তিনি বিঘা দুই কঠা এক লেচা মাটিৰ যিটো সমস্যা আছিল, আচলতে এইটো অসমৰ স্বাস্থ্য সচিবৰ নামত দলিল থকা জমি আকৌ নতুনকৈ আমাৰ ধুবুৰী circle officer ৰে কোনোৱা ব্যক্তিগত মানুহক কেনেকৈ এক বিঘা জমি বিক্ৰী কৰিব পাৰিলে আৰু বিক্ৰী কৰাৰ পিছত নতুনকৈ এই মানুহজনে কেচ কৰি হস্পিতালৰ জমি আকৌ দাবী কৰি আছে। এইটো আমাৰ চৰকাৰী বিষয়াৰ খাম-খেয়ালীৰ কাৰণে আজি হস্পিতালৰ জমিখিনি বে-দখল হৈ আছে আৰু এইটো কেচ কৰিবলৈ সুযোগ পাইছে। এইটো খালী কৰাৰ ব্যৱস্থা লোৱা হ'ব নেকি?

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী, স্বাস্থ্য আৰু পৰিয়াল কেন্দ্ৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাক ধুবুৰী জিলাৰ পৰা বিভাগীয় ভাৱে জনোৱা মতে এই চিকিৎসালয়খনৰ সৰ্বমুঠ তিনি বিঘা দুই কঠা এক লেচা মাটি হস্পিতালৰ নামত আৱন্টিত হৈছিল। বৰ্তমান আমাৰ লগত দুই বিঘা এঘাৰ লেচা মাটি আছে আৰু এক বিঘা এক কঠা দহ লেচা মাটি বে-দখলত থকা বাবে আমি এতিয়ালৈকে তাক possession ত ল'ব পৰা নাই। এই বিষয়টো মুনচীফ আদালতত চলি আছে আৰু গোচৰ চলি থকা সময়ত বিশেষ কোনো ব্যৱস্থা লব পৰা নাযায়। কিন্তু বিধায়ক মহোদয়ে যিধৰণে আগ্ৰহ কৰিছে, আমি ধুবুৰী জিলাৰ উপায়ুক্তক এটা নিৰ্দেশ দিম যাতে গোচৰটো সোনকালে মীমাংসা কৰি মাটিখিনি

যাতে স্বাস্থ্য বিভাগৰ অধীনলৈকে আনিব পৰা যায়।

**শ্ৰী নিজানুৰ ৰহমান, গৌৰীপুৰঃ** মাননীয় অধ্যক্ষ মহোদয়, আচলতে এখন মিটিং কৰি ভুৱা permission ওলাইছে আৰু ভুৱা ভাৱে এই জমি record মুক্ত কৰিছে। চৰকাৰৰ জমি ব্যক্তিগত মানুহৰ নামত কেতিয়াও দিব পৰা নাযায়। এইটোত সম্পূৰ্ণভাৱে অফিচাৰ, মণ্ডল, ডাক মণ্ডল বিলাক জৰিত হৈ আছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী, স্বাস্থ্য আৰু পৰিয়াল কেন্দ্ৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আজি ধুবুৰী জিলাৰ উপায়ুক্তক ফোন যোগে বিষয়টো নিৰ্দেশ দিম। মাননীয় বিধায়কৰ লগত আলোচনা কৰি কেনেকৈ মাটিখিনি উদ্ধাৰ কৰিব পাৰো তাৰ ব্যৱস্থা লোৱাৰ বাবে মই ধুবুৰী জিলাৰ উপায়ুক্তক কম আৰু মাননীয় বিধায়ক গৰাকীয়েও ধুবুৰী জিলাৰ উপায়ুক্তক এই ক্ষেত্ৰত সহায় কৰিলে আমি সোনকালে কামটো সমধান কৰিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** Thank you. This question relates to Gouripur Constituency. মাননীয় সদস্য শ্ৰী শিলাদিত্য দেৱ ডাঙৰীয়া আপুনি বেলেগ কথা সুধিব নোৱাৰিব। এইটোৰ সম্পৰ্কত কিবা আছে যদি কওঁক।

**শ্ৰী শিলাদিত্য দেৱ, হোজাই ঃ** মাননীয় অধ্যক্ষ মহোদয়, হস্পিতালৰ মাটিৰ সম্পৰ্কে head line দিয়া আছে বুলি মই সুধিব বিচাৰিছো। কথাটো হৈছে কি অসমত বিভিন্ন হস্পিতাল, PHE বিলাকৰ মাটি বে-দখল হৈ আছে আৰু ব্যক্তিগত ভাৱে কেচ লোৱাতকৈ আমাৰ চৰকাৰে যদি High Court ত move কৰে তেতিয়া হলে বহু হস্পিতালৰ মাটি বে-দখল মুক্ত হ'ব পাৰে। মোৰ হোজাই সমষ্টিত যোগীজান ম'ডেল হস্পিতাল আৰু বৰকুৰা PHE দুটাৰ মাটি তেনেকৈ বে-দখল হৈ আছে। High Court তে আগতে সত্ৰৰ মাটিৰ বিষয়ে এটা common decision দিছিলে যে সাত হাজাৰ বিঘা মাটি বে-দখল মুক্ত হ'ব লাগে। তেনেকৈ commonly যদি এটা move কৰে হয়তো আমাৰ যিমান হস্পিতালৰ মাটি বে-দখল হৈ আছে মুক্ত হ'ব পাৰে। এই বিষয়ে মন্ত্ৰী ডাঙৰীয়াই High Court ত move কৰিব পাৰে নেকি?

**মাননীয় অধ্যক্ষ ঃ** Thank you.

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী, স্বাস্থ্য আৰু পৰিয়াল কেন্দ্ৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি অসম চৰকাৰ স্বাস্থ্য বিভাগৰ পৰা উপায়ুক্ত সকলৰ জৰিয়তে তথ্য সংগ্ৰহ কৰি কিমান মাটি এনেকৈ মানুহৰ বে-দখলত আছে, যদি মাটিৰ পৰিমানটো যথেষ্ট ডাঙৰ হয় আৰু বহুত ঠাইত scattered হৈ আছে তেতিয়া হ'লে হোজাই সমষ্টিৰ বিধায়ক গৰাকীয়ে দিয়া পৰামৰ্শটোত আমি বিচাৰ কৰিব পাৰিম। কিন্তু যদি খুব কম ঠাইত আছে আৰু local level ত জিলা উপায়ুক্তই কামখিনি কৰিব পাৰে, তেতিয়া হ'লে বৰ দীঘলীয়া আইনী প্ৰক্ৰিয়া নকৰি বেলেগ কি ধৰণে শেষ কৰিব পাৰি তেনেদৰে আমি ব্যৱস্থা ল'ম।

**মাননীয় অধ্যক্ষ ঃ** Thank you. এতিয়া প্ৰশ্ন নং **২৫**, মাননীয় সদস্য শ্ৰী অশোক কুমাৰ সিংহী।

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰী, নগৰ উন্নয়ন ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী অশোক কুমাৰ সিংহী, বিলাসীপাৰা পূবঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰতো পাইছো আৰু সন্তুষ্টি প্ৰকাশ কৰি মন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো লগতে আৰু এটা অনুৰোধ কৰিব খুজিছো যাতে এই কাম খিনি ডিচেম্বৰ **২০১৮** চনৰ ভিতৰত সম্পূৰ্ণ কৰে।

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ধন্যবাদ জ্ঞাপন কৰিছো মাননীয়

বিধায়ক গৰাকীক আৰু ডিচেম্বৰ নহয় **২০১৯** চনৰ জানুৱাৰী মাহৰ ভিতৰত সম্পূৰ্ণ কৰিম বুলি আশ্বাস দিছো। অতি সোনকালে আকৌ মই আৰু আমাৰ বিষয়াসকল বিলাসীপাৰালৈ গৈ বিধায়ক ডাঙৰীয়াৰ লগত আমাৰ প্ৰকল্পটো কি অৱস্থাত আছে এই বিষয়ে আলোচনা কৰি পূৰ্ণ গতিত কাম আৰম্ভ কৰিম।

**মাননীয় অধ্যক্ষ** ঃ Thank you. দুই তিনিজনে হাত দাঙিছে। মই আকৌ কৈছো এইটো বিষয় বিলাসীপাৰা নগৰৰ পানী যোগান সম্পৰ্কত। গতিকে বেলেগ কথা আহিলে বহুতকে দিব লাগিব। তথাপি মাননীয় সদস্য শ্ৰী বিনোদ হাজৰিকা আপুনি ইয়াৰ লগত সম্পৰ্কিত থাকিলে কব পাৰে।

**শ্ৰী বিনোদ হাজৰিকা, চাবুৱা** ঃ মাননীয় অধ্যক্ষ মহোদয়, **২০১৬** চনৰ বিধান সভাৰ অধিবেশনত আমি এই কথাটো উত্থাপন কৰিছিলো। চাবুৱাত এটা আমাৰ প্ৰয়- প্ৰণালীৰ যিটো বোৰ্ডৰ নিৰ্মীত হ'ল, কিন্তু আমাৰ ৰাইজে তাত পানী পোৱা নাই।

**মাননীয় অধ্যক্ষ** ঃ বুজিছো আপোনাৰ তাত পানী যোগান আঁচনিটো কাৰ্যকৰী হোৱা নাই।

**শ্ৰী বিনোদ হাজৰিকা, চাবুৱা** ঃ মাননীয় অধ্যক্ষ মহোদয়, হয়, এইটো বহুদিন হ'ল সেই কাৰণে মই মনত পেলাই দিছো।

**মাননীয় অধ্যক্ষ** ঃ সন্মানীয় সদস্যসকলক মই অনুৰোধ কৰিছো। মোক মন্ত্ৰীয়ে কৈছে তেখেতৰ হাতত এখন লিষ্ট আছে । লিষ্টখন মই কৈ দিয়াত আপত্তি নকৰো তেতিয়া সকলোৱে গম পাই যাব যিসকলে হাত দাঙিছে। কিন্তু তাৰ ওপৰত supplementary সুধিলে মন্ত্ৰী মহোদয়ে তাৰ উত্তৰ দিব নোৱাৰিব।

**শ্ৰী পিয়ুষ হাজৰিকা, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, বৰ্তমান NLCPR ৰ অধীনত সৰ্বমুঠ **৬** খন আঁচনি চলি আছে আৰু state plan ৰ অধীনত অসমত **১১** খন আঁচনি চলি আছে। এই বছৰ আমি ASFC ৰ পৰা **৯** খন আঁচনিৰ ইতিমধ্যে অনুমোদন পাইছো আৰু **৬** খন আঁচনি হয়তো অহা দুই মাহৰ ভিতৰত অনুমোদন পাম। অধ্যক্ষ মহোদয়, আঁচনি কেইটা হয় দহ বছৰৰ বেছি লাগিছে।

**মাননীয় অধ্যক্ষ** ঃ আমাৰ অসমত যিমান আঁচনি আছে, গোটেই বিলাক সোমাইছে নে কেইটামান সোমাইছে।

**শ্ৰী পিয়ুষ হাজৰিকা, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়,সকলো নহয় Phase manner ত হয়।

**মাননীয় অধ্যক্ষ** ঃ মই আপোনাক এটা কথা কৈছো, লিষ্টখন আপুনি circulate কৰি দিব পাৰিব।

**শ্ৰী পিয়ুষ হাজৰিকা, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি target তো নিৰ্ধাৰণ কৰিছো। ইয়াত কৈ দিব পাৰো।

**মাননীয় অধ্যক্ষ** ঃ Target বেলেগকৈ আৰু কৈ দিব নালাগে। কাৰণ তেখেতে **৬** টা আৰু **১১** টা মুঠ **১৭** টা ক'ব। ভিতৰত আপোনালোকৰ নপৰিবও পাৰে। গতিকে additional কথা আহিব। সেই কাৰণে circulate কৰিলে হ'ল।

**শ্ৰী গুৰুজ্যোতি দাস, মঙ্গলদৈ**ঃ- মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা এটা আশ্বাস বিচাৰিছো যে পানী যোগান আঁচনিবিলাক যাতে সোনকালে হয়।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। খোৱা পানীটো হৈছে আমাৰ আটাইতকৈ অত্যাৱশ্যকীয় বস্তু। পানীয়ে প্ৰাণ। গতিকে supplementary যদি specific নহয় আমাৰ অসুবিধা হয়। তেখেতে

এখন লিষ্ট circulate কৰিব আৰু যি সকল সদস্যৰ হোৱা নাই, আপোনালোকে মন্ত্ৰী মহোদয়ক লগ কৰি নামখিনি দিব।

ইয়াৰ পিছৰ প্ৰশ্ন নং **২৬,** মাননীয় সদস্য শ্ৰী মানুন ইমদাদুল হ'ক চৌধৰী।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী** ঃ- অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মেজত ৰখা হৈছে।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰীঃ**- মাননীয় অধ্যক্ষ মহোদয়, উত্তৰটো মই পাইছো। ২০১৬ চনত বিধায়ক হোৱাৰ পাছত, তেতিয়া মাননীয় গড়কাপ্তানি মন্ত্ৰী মহোদয়ে আমাক এখন CRF ৰ Scheme বিচাৰি চিঠি দিছিল। সেই মতে আমি Scheme বিলাক জমা দিছিলো। মই এটা Scheme দিছিলো, মোৰ সমষ্টি নাওবৈচা। Flood affected area sir, প্ৰায় আমি সৰুৰে পৰা দেখি আছো দলৌহাটৰ ৰাস্তাটো national high way টো ডুবি যায় আৰু এই বাৰো ডুবি গৈছে আৰু ৪-৫ দিন disconnected হৈ আছে। আমাৰ মাননীয় মন্ত্ৰী ৰঞ্জিত দত্ত ডাঙৰীয়া, তাত গৈছে, Water Resource মন্ত্ৰী ডাঙৰীয়া গৈছে। এই high way টো যেতিয়া dis-connect হৈ যায় district Headquarter ৰ লগত, তাৰ alternative যাতে এটা ৰাস্তা হয়. সেই কাৰণে দলৌহাটৰ পৰা বৰচলা কলাখোৰা হৈ লালুক নাৰায়নপুৰ State Highway ত Link কৰি দিবৰ কাৰণে এটা CRF project বনাই পঠাইছিলো। কিন্তু ছাৰ এইটো নহ'ল। আঢ়ৈ বছৰে যেতিয়া ন'হল, মাননীয় মন্ত্ৰী মহোদয়ে ইয়াত উত্তৰ দিছে পুঁজি সাপেক্ষে ব্যৱস্থা কৰিব। আঢ়ৈ বছৰে যেতিয়া ন'হল তাত মোৰ সন্দেহ আছে। গতিকে এই সন্দেহটো যাতে মাননীয় মন্ত্ৰী মহোদয়ে ক্লিয়াৰ কৰি দিয়ে। আৰু এটা কথা, মাননীয় মন্ত্ৰী মহোদয়ে, ইয়াত এটা লিষ্ট দিছে, ৩২ খন জিলাত CRF ৰ Scheme sanction দিয়া হৈছে। এইটো ১৭-১৮ বিত্তীয় বৰ্ষত। এই ৩২ খন জিলাৰ ভিতৰত আচৰিত কথা ছাৰ, কোনো এজন Opposition MLA ৰ সমষ্টি অৰ্ন্তভুক্ত নাই। গতিকে চৰকাৰখনে যে কয়, "চব কা সাথ চব কা বিকাশ" কথা আৰু কামৰ মাজত ইয়াত মিল নাই, মাননীয় মন্ত্ৰী মহোদয়ে দিয়া তথ্যত এইটো প্ৰমাণ আছে।

**মাননীয় অধ্যক্ষ** ঃ- মন্ত্ৰী ডাঙৰীয়া,

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী** ঃ- মাননীয় অধ্যক্ষ মহোদয়,Central Road Fund বা CRF বুলি যিটো কোৱা হয়, সেই আঁচনিটো দৰাচলতে প্ৰতি লিটাৰ ডিজেলত ১ টকাকৈ সংগ্ৰহ কৰা হয়। সেই পুঁজি দিল্লীত জমা হয়। আমি যেতিয়া তাৰ ওপৰত প্ৰস্তাৱ পঠাওঁ তাৰ ওপৰত ৰাস্তা আহে। যেতিয়া মই গড়কাপ্তানি মন্ত্ৰীৰ দায়িত্ব ললো। তেতিয়া মোৰ হাতত এখন তালিকা আহিলে যে ৯০০ কোটি টকা CRF ৰ পুজিঁ অনুমোদিত হৈছে। অধ্যক্ষ মহোদয়, আমাৰ অসমত যদি ১ টকাকৈ আমি ডিজেল লওঁ, তেতিয়া হলে কোনো কাৰণতে ১শ কোটি টকাতকৈ অধিক পুঁজি জমা নহয়, গতিকে Central Road Fund ৰ এই আঁচনি যদি সম্পূৰ্ণ কৰিব লাগে, তেতিয়া হলে it will take 9 years. গতিকে Central Road Fund ত যদি কাৰোবাৰ নাম অহা নাই, সেইটো ভাল কথা। ৰাস্তাটো অন্ততঃ বাচি গ'ল, CRF ত যদি কাৰোবাৰ ৰাস্তা বুক হৈ যায়, যিহেতু CRF ত কাম আৰম্ভ হৈছে, তেতিয়া হ'লে সেই ৰাস্তাটো ৯ বছৰৰ কাৰণে ৰখি যাব। সেই কাৰণে List খনত দেখিব যে জালুকবাৰী সমষ্টিৰ নাম নাই। যেতিয়া পৰিমল শুক্লবৈদ্য ডাঙৰীয়াই মোকো চিঠি দিছিলে, তেতিয়া গোটেই বিষয়টো জানি মই কলো যে ইয়াত নোসোমোৱা ভাল, কাৰণ যিটো ৰাস্তা আমি লম সেই ৰাস্তাটো বন্ধ হৈ যাব ৯ বছৰলৈকে নাপাওঁ। সেই কাৰণে মই সন্মানীয় বিধায়ক সকলকো পৰামৰ্শ দিওঁ যে যিটো ৰাস্তাৰ পৰা সমাধান নোলায় তাত যোৱাৰ

চেষ্টা কৰি লাভ নাই। এতিয়া আমি কি কৰিছো অধ্যক্ষ মহোদয়, এইবাৰ আমি Suplementary Demand ত CRF ত 300 কোটি টকা আনিছো, তাৰ উদ্দেশ্যটো হ'ল যে যিহেতু যেতিয়া মই দায়িত্ব ললো তেতিয়া দেখিলো যে, গোটেই বিলাক important ৰাস্তা, বিধায়ক সকলে CRF ত দি দিলে। এতিয়া ৰাস্তাটো বন্ধ হৈ যাব। এতিয়া আমাৰ গোটেইখিনি বিধায়কৰ বহুত ডাঙৰ সমস্যা হ'ব। আচলতে সমষ্টিৰ ৰাস্তা বুলি ৰাস্তা নাথাকে অধ্যক্ষ মহোদয় জালুকবাৰীৰ মানুহে হাজোত খোজ কাঢ়ে হাজোৰ মানুহে মৰিয়নিত খোজ কাঢ়ে অসমত কৰবাত ৰাস্তা হ'লেই এনেকুৱা কথা নহয় যে ৰাস্তাৰো কিবা সমষ্টি থাকে। কামাখ্যা পাহাৰৰ ৰাস্তাটো কাৰ সমষ্টিত পৰে? এইটো সকলোৰে সমষ্টি। গতিকে অধ্যক্ষ মহোদয়, মই সেইটোত যাব খোজা নাই। গড়কাপ্তানি মন্ত্ৰী হিচাপে সকলো ৰাস্তাই ভাল হলে ভাল। এতিয়া অধ্যক্ষ মহোদয়, এইবাৰ আমি কি কৰিছো Suplementary Demand ত ৩০০ কোটি টকা আনিছো, তাৰমানে আমি নিজৰ পুঁজিৰ পৰা CRF ত টকা দি দিম। Plan ৰ পৰা SOPD ৰ পৰা । কাৰণ ৯ বছৰলৈকে যদি ৰাস্তাবোৰ বন্ধ হৈ থাকে, যিবিলাকে ইয়াত নাম দিলে, সেই গোটেই বিলাক বিধায়কৰ সমস্যা হব। পিছত ৯ বছৰত আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা টকাটো recovery আমাৰ লাহে লাহে হৈ থাকিব। সেই কাৰণে মই সন্মানীয় বিধায়ক মহোদয়ক জনাব বিছাৰিছো যে CRF টো বৰ Attractive Proposition নহয়। আগৰ চৰকাৰৰ সময়ত ২ টা বা ৩ টা Proposal পঠাইছিল। ১০০ কোটিত হৈ গৈছিল । It was a good proposal কিন্তু যেতিয়া সকলো সোমাই গ'ল আৰু ৯০০ কোটি, ১০০০ কোটি বছৰত অনুমোদন আহিব ধৰিলে তেতিয়া সেইটো attractive নহয় গতিকে গড়কাপ্তানি বিভাগে নীতিগত ভাবে সিদ্ধান্ত লৈছে যে আমি আৰু অহা ৩ বছৰত CRF ত ৰাস্তা নিবিছাৰো। কাৰণ পোৰাখিনিক সমাপ্ত কৰিব লাগিব। কাৰণ নতুন ৰাস্তা লৈ তাতে কোনো লাভ নাই। ২য় কথা অধ্যক্ষ মহোদয়, আমি SOPD ৰ পৰা যিমান পাৰো পুঁজিৰ আৱন্টন দিছো। ৰাজনীতি হৈছে নে নাই সেইটো মই Conscience of the বিধায়ক সকলক এৰি দিছো, সকলোৰে দেখা পাইছে যে কি ধৰণে আমি কাম বিলাক হাতত লৈছো, গতিকে ৰাস্তাটো যদি গুৰুত্বপূৰ্ণ হয়, বিধায়ক মহোদয়, এই বছৰৰ SOPD ত ৰাস্তাটো ধৰিব পাৰিব, ন হ'লে অহাবছৰ ধৰিব পাৰিব। আৰু সেই ধৰণে লাহে লাহে কৰি গৈ থাকিব লাগিব। এই বছৰ আমি ৩৪০০ কোটি টকা SOPD ত ধৰিব গৈ আছো। তাতকৈ আৰু আমাৰ strength য়ো নাই আৰু তাতকৈ আমি কৰিব নোৱাৰো। গতিকে আমাৰ বিধায়ক সকলৰ প্ৰতি মোৰ নিবেদন যেতিয়া মই ৰাস্তাৰ লিষ্ট খন পাইছো কোনোবাই ৫০ লাখৰ ৰাস্তা ধৰিছে, কোনোবাই ১ কোটিৰ ধৰিছে, কোনোবাই ২০ লাখৰ ধৰিছে, প্ৰথম এনেকৈ বিধানসভাত প্ৰশ্ন কৰি থকা গুৰুত্বপূৰ্ণ ৰাস্তাখিনি আমি কৰি লওঁ, নোহোৱা হৈ যায়। কালি যেতিয়া মোক লিষ্টখন মোক আমাৰ অভিযন্তা সকলে আনি দিছে, মইটো বহুত disappointed কাৰণ এইটো কাৰণে যে তাত আমি মাহ প্ৰসাদ বিলোৱা দি বিলাই দিম, কিন্তু যদি তেনেকৈ বিলাই দিওঁ as a PWD Minister মই সদায় গালিয়েই খাই থাকিব লাগিব। একোটা সমষ্টিত আমি ৩০ কোটি টকালৈকে আমি দিছো, এইবছৰ ২৮ কোটি টকাকৈ দিছো কৰবাত, যদি কৰবাতটো ৪০ কোটি টকালৈকে দিছো, গোটেই ৫ কোটি টকাকৈ যদি ১০ টা ৰাস্তা আমি বনাই লওঁ তাতটো আৰু প্ৰশ্ন নাহে। কিন্তু এতিয়া আমি কৰিছো কি সৰু সৰু ৰাস্তা ধৰি লৈছো, লৈ অহাবাৰ বিধান সভাত আমি আকৌ প্ৰশ্ন কৰিম। সেই কাৰণে আমি Website ত এইবাৰ দি দিম। বিধায়কসকলে কোনে কি ধৰণে ৰাস্তা Recommend কৰিছে যাতে সমষ্টিৰ মানুহে গম পাই যে, মোৰ main ৰাস্তাটো Recommend নকৰি বিধায়কজনে এই ৰাস্তাটো

Recommend কৰিছে। গতিকে আমি কিতাপ এখন বনাম। transparent কৰি দিম। সকলো ৰাইজে সেইখন দেখা পাব যে এই main ৰাস্তাটো থাকোতে এই ৰাস্তাটো কিয় দিলে? সেই কাৰণে মোৰ অনুৰোধ হ'ব যে একোজন বিধায়কে যেতিয়া ২০ কোটিৰ পৰা ৪০ কোটি টকালৈকে এইবাৰ ৰাস্তা পাইছে main ৰাস্তা তিনিটা হাতত লৈ লম কাৰণ অহাবাৰ আৰু তিনিটা ৰাস্তা লম। ৩ বছৰত শেষ হৈ যাব মোটামোটি। তাকে নকৰি যদি আমি ৫০ লাখ, ২০ লাখ ২৫ লাখ, ৩০ লাখ এই ধৰণে যদি আমি ৰাস্তাত টকা বিতৰণ কৰো, তেতিয়া হ'লেটো আমাৰ main ৰাস্তা থাকি যাব বিধান সভাত প্ৰশ্ন সদায় থাকি যাব। অন্ততঃ মই MLA থকা সময়ত ২৫ কোটি টকা মই কেতিয়াও পোৱা নাই এই বছৰত। কেতিয়াবা অজন্তা বাইদেউৱে মৰম কৰি আমাক অলপ বেছিকৈ দিছিল সেইটো বেলেগ কথা। কিন্তু সেই সময়ত MLA কোনেও বছৰত ২৫ কোটি পোৱা নাই, সম্ভৱো নহয়। কাৰণ ৰাজ্যত ইমানটো পুঁজি নাথাকে। এই বছৰ আমি চেষ্টা কৰিছো। PMGSY ৰ কাম লগত চলি আছে। আন আঁচনিবিলাক চলি আছে।প্ৰত্যেকখন বাগানৰ কাৰণে১ কোটিকৈ টকা দিয়া হৈছে। গতিকে বিধায়ক সকলে যদি অলপ সহযোগিতা কৰি ৰাস্তাৰ নাম বিলাক দিয়ে, অহা দুবছৰত এনেকুৱা প্ৰশ্ন নোহোৱা হৈ যাব। অসমমালা এটা আহি আছে য'ত ৫০০০ হাজাৰ কোটি টকাৰ আমি ৰাস্তা বনাম অসমমালাৰ অধীনত। main ৰাস্তাবিলাক। গতিকে আপোনালোকে যদি অলপ ভাবি চিন্তি ৰাস্তাৰ নাম দিয়ে, তেতিয়াহলে বহুত সমস্যাৰ সমাধান হৈ যাব আৰু CRF টো attractive নহয়, গতিকে সেইটোৰ ওপৰত বৰ বেছি প্ৰশ্ন কৰি প্ৰয়োজনো নাই আৰু লাভো নহ'ব একো।

**মাননীয় অধ্যক্ষ ঃ** সন্তুষ্ট হ'লনে?

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিটো স্কীমৰ কথা ক'লে, সেইটো স্কীমত ভাল ভাল ৰাস্তাই দিছো। কম ৰাস্তা দিছো।হিউজ এমাউণ্ট দি দিবলৈ দিছে। ইঞ্জিনীয়াৰক। যাতে ৰাস্তাবিলাক ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**ড০ হিমন্ত বিশ্ব শৰ্মা, (বিত্ত মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, যিখন তালিকা দিছে ১৫ অক্টোৱৰৰ ভিতৰত আমি অনুমোদন কৰি দিম আৰু মোৰ চেষ্টা হ'ব যে আমি সকলোৱে মিলি নৱেম্বৰ, ডিচেম্বৰ, জানুৱাৰী, ফ্ৰেব্ৰুৱাৰী পাচমাহত যাতে কাম-কৰাৰ পূৰ্ণ সৃজনতা পাওঁ। লগত মই আৰু এটা জনাব খুজিছো সদনৰ কাৰণে যে এইবাৰ যদি কামবোৰৰ যাতে সোনকালে হয়, তাৰ কাৰণেআমি কি কৰিছো যে ৫০ লাখ টকালৈকে এক্‌জিকিউটিভ ইঞ্জিনীয়াৰৰ ওপৰত আমি এৰি দিছো।২ কোটি টকালৈকে ছুপাৰিটেণ্ডেণ্ট ইঞ্জিনীয়াৰৰ ওচৰত এৰি দিছো। ইয়াৰ পৰা টেণ্ডাৰো হ'ব নালাগে। এডিশ্যনেল চিফৰ তাতে টেণ্ডাৰ হ'ব। এডিশ্যনেল চিফৰ তাতে আৰণ্টন হ'ব। ৩কোটি টকালৈকে এডিশ্যনেল চিফৰ তাতে আৰণ্টন হ'ব আৰু ৫ কোটি টকালৈকে চিফ ইঞ্জিনীয়াৰৰ তাতে টেম্‌টাৰ হ'ব, আৰু আৰণ্টনো হ'ব। চৰকাৰৰ ওচৰত ফাইল আহিব নালাগে। এই কামৰ মই যিমান লিষ্ট চাইছো, বিধায়ক সকল বা ইঞ্জিনীয়াৰ সকলে আনি দিছে সেই বিলাক শূণ্যৰ পৰা ৩ কৌটি টকাৰ ভিতৰত হয়। যোৰহাটৰ কামটো যোৰহাটতে হৈ যাব। এই সুযোগতো লৈ আমি যদি সোনকালে কাম কৰিব পাৰো আৰু এছ ডি টো আমি পি ডব্লিউ ডি ৰ কাৰণে টকা আনিছো।যাতে কোনো ঠিকাদাৰে কাম কৰি বিল পাওতে অসুবিধা নহয়।সেই কাৰণে অপৰ্যাপ্ত টকা এইবাৰ এছ ডি টো অনা হৈছে, খালী কামখিনি কৰি গ'লেই হ'ল আৰু অহাবছৰো তেতিয়া তেনেকৈ আমি দিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। ভাল কথাই ক'লে।

**শ্রী মামুন ইমদাদুল হক চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মহোদয়ে যিখিনি স্কীমৰ কথা ক'লে ঠিকেই আছে। এই ৰাস্তাটো যে আমি দিছিলো ১৭-১৮ কিলোমিটাৰ ৰাস্তা। যেতিয়া তেওঁলোকে প্ৰজেক্টৰ স্কীমটো বনাই পঠিয়াইছিল।

**মাননীয় অধ্যক্ষ ঃ** চি আৰ এফ ৰ ৰাস্তাটো কি হ'ল ?মন্ত্ৰীয়ে যদি কিবা কব খোজে কৰ পাৰে।

**শ্রী মামুন ইমদাদুল হক চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কব পৰা আনে, সেইটো বেলেগ কথা।

**মাননীয় অধ্যক্ষ ঃ** আপুনি যিটো ৰাস্তা দিছিলে, ভৱিষ্যতে কি হ'ব।

**শ্রী মামুন ইমদাদুল হক চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাস্তাটো হয় কি ৰাষ্ট্ৰীয় ঘাইপথটো ব্লক হৈ যায়, তেতিয়া বহুত অসুবিধা হয়।

**মাননীয় অধ্যক্ষ ঃ** আপুনি Specific উত্তৰটো লোৱা ভাল।

**ড০ হিমন্ত বিশ্ব শৰ্মা, (বিত্ত মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, ৰাস্তা মই নিদিও। কতাটো হ'ল যে, যিটো বিধায়কক আমি ২০ কোটি দিছো অহাবাৰ ২০ কোটি দিম তাৰ ভিতৰতে বিধায়কে ভৰাব লাগিব। মই দিয়াৰ দায়িত্ব লোৱাই নাই,আপোনালোকে নিজে লব। মই নিদিও। দ্বিতীয় কথা, 'অসম মালা'। বুলি আমি আঁচনি কৰিছো। য'ত Economic importance ৰ ৰাস্তা ৫ হাজাৰ কোটি টকাৰ ৰাস্তা আমি অহা তিনি বছৰত বনাম। কিন্তু সেইটো MIS Base হ'ব। ক'ত Connectivity পাব, সেইটো কোনো Political consideration ত নহয়, এটা alternative road কেনেকৈ হ'ব। যেনেকৈ নাওঁবৈচা সমষ্টিত আমি এখন বিশাল দলং বনাব লৈছো। তেখেতে ৰাজনীতিৰ কথা কৈছে, মই উত্তৰ দিয়াতো ভাল নহয় বুলি ভাবিয়েই উত্তৰ দিয়া নাই। বিহপুৰীয়া আৰু নাওবৈচা সমষ্টিৰ নাওঁবৈচাৰ মাজত এখন দলং আমি হাতত লব খুজিছো। যিখনৰ মূল্য প্ৰায় ১০০ কোটি টকা হব, যিয়ে আমাৰ লক্ষীমপুৰলৈকে Connectivity কৰিব সাংসদ শ্ৰী প্ৰদান বৰুৱা ডাঙৰীয়াইও তাত বাৰে বাৰে লাগি আছে। That is a 100 crs.ৰ দলং হব। যদি ৰাজনীতি থাকিলেহেঁতেন মইতো এইটো ঢেকীয়াজুলীতে দি দিলোহেঁতেন।কিহৰ কাৰণে নাওঁবৈচাত দিব লাগে,কথাটো কৈছো।সেই কাৰণে অসম মালাৰ এইটো ৫ হাজাৰ কোটি টকাৰ MIS তসেই ৰাস্তাটো আহে। on its own merit তেতিয়াহ'লে ৰাস্তাটো পৰিব। কিন্তু otherwise বিধায়ককে অহাবাৰ যেনেকৈ আৰু ২০ কোটি টকা পাব, ১৫ কোটি টকা পাব তাৰ পিছত বছৰ হয়তো ৫০ কোটি টকা পাব পাৰে।যি ধৰণে আমাৰ পূঁজি হয়, সেই তালিকাত সুমোৱাৰ দায়িত্বতো আপোনাৰ হ'ব। সেই দায়িত্ব মই লব খোজা নাই।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। আৰু Supplementary দিব খোজা নাই। কেৱল শ্ৰী শ্বেৰমান আলী আহমেদে কৈছিল প্ৰথমতে আৰু বাকী নালাগে। To the point question টো কৰিলে ভাল হব। যথেষ্ট আলোচনা হৈ গৈছে।

**শ্রী শ্বেৰমান আলী আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিখিনি এছ অ' পি ডি ৰ কথা কৈছে, এটা বাক্যত এটা স্পষ্টীকৰণ দি লওঁক।আগতে আমাৰ টকাবোৰ যথেষ্ট কম আছিলে গতিকে আমি গোটেই ৰাস্তাটো কৰিব পৰা নাই। আধা কৰি থৈছে।কোনোবা এটাত ১ কিলোমিটাৰ বাকী ৰৈছে,কোনোবা এটা ৭০০ মিটাৰ হৈছে। গতিকে সেইখিনিত আমি ফাষ্ট প্ৰায়োৰিটি দিছো। যিখিনি আধা হৈ আছে, অলপ কৰিলেই হৈ যায়, সেইখিনি হৈ যাওক।এতিয়া আমাৰ তাৰে এটা মোৰ মতে দুটা ৰাস্তা পি এম জি ৰাইৰ। ১০ বছৰৰ বেছি হৈ গৈছে। সেইটো মই চিফ ইঞ্জিনীয়াৰৰ লগত কতা পাতিলো যে, এইটো upgradation আহিব সেইটো নিদিয়াই ভাল হ'ব নেকি?

তেখেতেও ক'লে  যে চলিব পৰা কৰক। গতিকে তেনেকুৱা ধৰণৰ আমি এলোটমেণ্ট দিছো। দ্বিতীয়তে, চি আৰ এফ সম্পৰ্কে আমাৰ এনেকুৱা কিছুমান থাকে যিবোৰ ষ্টেট ফাণ্ড দিয়ে। ২০-৩০ কোটি দিলেও নহয়। যেনেকৈ মন্ত্ৰী মহোদয়ে বিহপুৰীয়াৰ সেই ব্ৰীজখনৰ কথা কৈছে। তেনেকুৱা মোৰ সমষ্টিতো প্ৰায় ডেৰমান মানুহ আলোপতি- বাঘমৰা সেইবোৰ পঞ্চায়ত থাকে। জলজলীৰ ওপৰত তিনিখন ব্ৰীজ নিৰ্মাণ কৰিলে ডেৰমান মানুহৰ Connectivity হৈ যায় ভিতৰত প্ৰায় আমি ২০০ কিলোমিটাৰ পি এম জি এছ ৱাইৰ ৰাস্তা কৰি আছো। কিন্তু disconnected because of Joljoli. এনেকুৱা  ধৰণৰ স্কীম আমি যদি চি আৰ এফ বা অসম মালাত এইবিলাক নলও, তেতিয়াহ'লে আমাৰ এই যে ২০০ কিলোমিটাৰ ৰাস্তা বনালো, সেইখিনি প্ৰায় অৰ্থহীন। সেই কাৰণে যাতে এই অসমমালা বা চি আৰ এফ য়ে হওক বা বেলেগ স্কীম বনাওতে যাতে কথাবোৰ গুৰুত্ব দিয়া হয়। চি আৰ এফ ৰ এইটো মোৰ এটা দৃষ্টিত ফাণ্ড আহে, নাহে সেইটো বেলেগ কথা। বৰপেটা, গোৱালপাৰা, দৰং, কোকৰাঝাৰ, বাক্চা,হাইলাকান্দি, মৰিগাওঁ আদি জিলা সমূহত বাদ পৰি গ'ল। সেইটো ভৱিষ্যতে যাতে এইবোৰ কৰোতে জিলাবোৰক অলপ গুৰুত্ব দিয়া হয়।

**ডº হিমন্ত বিশ্ব শৰ্মা, (বিত্ত মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মই কথাখিনি আগতে কৈছো যে,আমি চি আৰ এফ ত প্ৰপ'জেল আৰু দিব খোজা নাই। যদি কিবা এনেকুৱা ধৰণৰ বিশেষ নিধি আহে আৰু বিশেষকৈ যিখিনি Economic impotance project সেইখিনি আমি অসম মালাত লবৰ কাৰণে চেষ্টা কৰিম। এতিয়া কোন জিলা পৰিছে, কোন জিলা পৰা নাই মই সেইবিলাকত যাব খোজা নাই।যদি টিংখঙতো এটা ৰাস্তা হয়, মই আনন্দ পাম। অসমৰে ৰাস্তা হয়।গতিকে অসমতে ৰাস্তা হৈছে ৯০০ কোটি টকাৰ।গতিকে অসমবাসী হিচাপে আমি গৌৰৱ অনুভৱ কৰিছো আৰু তাতে কিছুমান জিলাত ধৰা নাই, কিছুমান জিলাত ধৰা আছে কৰি কি লাভ আছে। মানুহ এজন যদি ৰাস্তাত বৰপেটাৰ পৰা ওলায়, শিৱসাগৰলৈ যাওতে গাড়ীত কষ্ট পায়, তেতিয়া পি ডব্লিউ ডি বিভাগকে দোষাৰোপ কৰে। গতিকে শদিয়াৰ পৰা ধুবুৰীলৈ ৰাস্তা হলেই ভাল হয়,তাতকৈ আৰু বেলেগ কি আছে।

**মাননীয় অধ্যক্ষ ঃ** Next question মহম্মদ নুৰুল হুদা। মন্ত্ৰী মহোদয়।

**ডº হিমন্ত বিশ্ব শৰ্মা, (বিত্ত মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**মহম্মদ নুৰুল হুদা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰীয়ে উত্তৰ দিছে ডি আৰ ডি এ বিষয়া সকলে যুগুতাই দিয়া উত্তৰ মন্ত্ৰী মহোদয়ে সদনত দিয়ে এই উত্তৰত মই যিটো পাইছো,তাত বিসংগতি দেখা গৈছে। মোৰ প্ৰশ্নৰ উত্তৰত ১৭৮৬ খন কাঠৰ দলং আছে বুলি কৈছে আৰু মোৰ সমষ্টিত দলংখিনি চালো। দেখা পালো যোৱা বছৰ সম্পূৰ্ণ হোৱা ২০১২-১৩ চনত মঞ্জুৰী হোৱা এখন দলং সম্পূৰ্ণ হৈ গৈছে। সেই এখন দলঙৰ নাম আছে আৰু এখন দলং যোৱা বছৰৰ পৰা আৰম্ভ হৈছে। সেই দলঙৰ পৰা নাম আছে আৰু বাকী দুখন দলঙৰ নাম আছে। মন্ত্ৰী মহোদয়ে যোৱা ৬ মাহৰ আগত ভঙা দলঙৰ পৰা এগৰাকী মহিলা শিশু এটাৰ লগত পৰি গৈছিল। মই ইঞ্জিনীয়াৰক মাতিলো। ইঞ্জিনীয়াৰ নগ'ল। এছ অ' জনক পঠাই দিলে। এছ অ' জনকলৈ দলংখন মই চাই আহিলো আৰু মানুহ গৰাকীৰ ঘৰত গৈ অলপ বুজাই আহিলো।সেইখন দলঙৰ নামো মন্ত্ৰী মহোদয়ে এই তালিকাখনত অন্তৰ্ভুক্ত হোৱা নাই। মুঠতে ১২ খন দলং মোৰ  আমি এই বছৰ মহাবীৰ চিলাৰায়ৰ লাচিত সেতু নিৰ্মান বুলি১১০০ দলং আমি হাতত লৈছো। আৰু ৪০০ খন দলং আমাৰ আহিবলৈ বাকী আছে। গতিকে সম্পূৰ্ণ দলঙৰ list এখন বনোৱা হৈছে। সন্মানীয় বিধায়ক

ডাঙৰীয়াই এই কথাখিনি পৰিস্কাৰ কৰি দিব যদি কিবা কাৰণত পি ডব্লিউ ডি ৰাস্তাৰ ওপৰত এই দলং হয়, আৰু নিশ্চয় যদি নাম অহা নাই আমি অৰ্ন্তভূক্ত কৰি ল'ম। কিন্তু যদি P.W.D Department ৰ ৰাস্তাৰ ওপৰত নহয় তেতিয়াহ'লে সেই দলংখন আমি বনোৱাত আমাৰ অসুবিধা আছে প্ৰথমতে ৰাস্তাটো পি ডব্লিউ ডিত আনি তাৰ পিছত বনাব লাগিব। এই পৰ্য্যায়টো শেষ নোহোৱা লৈকে আৰু নতুন দলং লোৱাৰ বাবে আমি চিন্তা কৰা নাই। গতিকে প্ৰথম আমি সন্মানীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে অনুৰোধ কৰিম executive  Engineer ৰ পৰা মোক লিষ্টখন আনি দিলে হ'ল। আৰু দলংখিনি পি ডব্লিউ ডি ৰাস্তাৰ হয়নে নহয় সেইখিনি confirm কৰি দিলে হ'ল।

**শ্ৰী নুৰুল হুদা ঃ** মাননীয় অধ্যক্ষ মহোদয়, দলংখিনি পি ডব্লিউ ডি বিভাগৰ হয়। দুটা সমষ্টিৰ অৰ্ন্তগত।

**ডঃহিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী** ঃ মই ১২ খন দলঙৰ কথাই কৈছো। যদি দলংখিনি গড়কাপ্তানী বিভাগৰ হয় কালিৰ ভিতৰত মোক listখন দিলে অন্ততlisted হৈ থাকিব। আৰু সেইমতে priority basis sanction হৈ থাকিব। এই ৩ বছৰৰ ভিতৰত গোটেইকেইখন কাঠৰ দলং পকীকৰণৰ ব্যৱস্থা আমি ল'ম।

**মাননীয় অধ্যক্ষ** ঃ point of order । মই সকলোকে দিম। আনোৱাৰ হুছেইন ডাঙৰীয়া আপোনাৰ পইণ্ট অৱ অৰ্ডাৰ কি ?

**শ্ৰীআনোৱাৰ হুছেইন** ঃ মাননীয় অধ্যক্ষ মহোদয় , মই এটা কথা আপোনাৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। যোৱাকালি  চেচন শেষ হোৱাৰ পিচত মই পি এম জি এচ ৱাইৰ, মিছ্ন ডিৰেক্টৰ (আৰবান) ৰ অফিচত গৈছিলো। আমাৰ হাইলাকান্দিৰ Ward Commissioner সকল তেওঁক সদায় লগ কৰিব আহে কিন্তু তেখেতে লগ নকৰে সেয়ে মই নিজে কালি গৈছিলো। কিন্তু তেখেতে মোক ইমান বেয়া ব্যৱহাৰ কৰিছে যে আজিলৈকে কোনো বিষয়াই এনেধৰণৰ বেয়া ব্যৱহাৰ কৰা নাই।

**মাননীয় অধ্যক্ষ ঃ** আজি আপুনি মোক লিখিত আকাৰত দিব। বিহীত ব্যৱস্থা লোৱা হ'ব।

**শ্ৰীমতী ৰোজলিনা তিৰ্কী ঃ** অধ্যক্ষ মহোদয়, Starred Question No -২২ৰ ২ নং প্ৰশ্নত মই সৌভাগ্য আঁচনিৰ  নামসহ তথ্য বিচাৰিছিলো কিন্তু মই বিচৰা তথ্য ইয়াত গাঁথি দিয়া নাই।

**মাননীয় অধ্যক্ষ ঃ** সদনৰ মেজত যিখিনি তথ্য দিয়া হৈছে সেইখিনিত Check কৰি ল'ব। যদি নাপায় মোক জনাব।

**শ্ৰীমতী নন্দিতা দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱাবাৰ চেচনত members hours  মোৰ সমষ্টিৰ বিষয়ে কেইবাটাও বিভাগৰ ওপৰত মই কথাখিনি কৈছিলো কিন্তু এতিয়াও মই উত্তৰ পোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** উত্তৰ পাব। মই মনিটৰ কৰি আছো।

**শ্ৰীশ্বেৰমান আলি আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই ইলেক্ট্ৰিচিটি সম্পৰ্কে ভুল তথ্য দিয়া বাবে মই যোৱা বিধান সভাত বিশেষাধিকাৰ ভঙ্গৰ অভিযোগ আনিছিলো আপোনাৰ নিশ্চয় মনত আছে।

**মাননীয় অধ্যক্ষ ঃ** Secretary , you have to note all this point । কেতিয়াবা মোৰ ভুল হ'ব পাৰে।  এতিয়া কওঁক ?

**শ্ৰীশ্বেৰমান আলি আহমেদ ঃ** Unstarred Question No -৮৯  । ইয়াত দিছে ছাৰ মন্দিয়া

ব্ল’কৰ percentange of Electrified Village  দিয়া হৈছে ৭২ শতাংশ। এইটো সঁচানে মিছা। মন্দিয়া ব্ল’কত মোৰ গাওঁ আছে ১৮৯খন  । এই ১৮৯ গাওঁৰ ১০১খন গাওঁ twelve plan under ত তাৰে আজিৰ দিনত প্ৰগ্ৰেছ হ’ল মাত্ৰ ১৬পাৰ্চেন্ট। ইয়াৰ তথ্যমতে ৫২ খন গাওঁ এতিয়ালৈ untouched । অৰ্থাৎ প্ৰায় ১৬০ খনত এতিয়ালৈকে ১০১ খন গাওঁৰ প্ৰগ্ৰেছ ৬০ শতাংশ আৰু ৫২ খন গাওঁ এতিয়ালৈকে আনটাচ্ছ হৈ আছে। গতিকে কেনেকৈ ৭২ শতাংশ হ’ল ছাৰ?  আৰু এটা কথা ছাৰ, মন্ত্ৰী মহোদয়ে কৈছে ৩১ ডিচেম্বৰ। আজিলৈ এই ৫২ খন গাওঁৰ প্ৰপোজেল গৈছেনে নাই ? এতিয়ালৈকে sanction  হোৱা নাই। কেনেকৈ কৰিব মই চাই ল’ম।

**माननीय অধ্যক্ষ ঃ** ঠিক আছে , মই  বিষয়টো চেক কৰি ল’ম। পইন্ট কেইটা মোক ৰাইটিং দিলে ভাল হ’ব।

**শ্ৰীৰূপজ্যোতি কুৰ্মী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ পইন্ট অৱ অৰ্ডাৰটো হ’ল- প্ৰশ্ন নং-২১ , আনটাইড ফাণ্ডত - ১৭-১৮ বিত্তীয়বৰ্ষত একেধৰণৰ পুঁজি মই পোৱা নাই। অন্যান্য সন্মানীয় বিধায়কৰো হ’ব পাৰে। গতিকে মাননীয় মন্ত্ৰী মহোদয়ক যদি আপুনি এটা নিৰ্দ্দেশনা দিয়ে । কৰ্তৃপক্ষ বা  বিভাগীয় বিষয়াৰ গাফিলতিত টকাটো হয়তো নাযাব পাৰে আপুনি ব্যৱস্থা ল’লে ভাল হয়।

**মাননীয় বিধায়ক ঃ** আপুনি যিখিনি কৈছে , এটা ৰাইটিং দিলে মোৰ কাৰণে সুবিধা হ’ব।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ** অধ্যক্ষ মহোদয়,  আনষ্টাৰড  কোৱেশ্যন- ৯৫  । ২০১৬-১৭ ত মাত্ৰ ১২.৩ কি.মি আৰু ১৭ চনত মাত্ৰ ৩.৬৩ কি.মি কাম হৈছে । অধ্যক্ষ মহোদয় যিটো আমি চালো যে ৰিজাৰ্ভ ফৰেষ্টৰ বহুখিনি clearance  হৈছে। কেইদিনমান আগতে মন্ত্ৰী মহোদয়ে দাবী কৰিছিলে যে, হাৰংগাজাৰ পৰা শিলচৰলৈ যিটো কাম বন্ধ হৈ আছে সেইটো Forest  clearance হৈ গ’ল কিন্তু লিষ্টত এতিয়ালৈ পোৱা নাই। কথাৰ যিটো বিসংগতি হৈছে তাৰ কাৰণটো চাই দিলে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** আপুনি মোক written দিব । মই P.W.D Minister  লগত আলোচনা কৰিম।

**শ্ৰীটেৰছ গোৱালা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আনষ্টাৰড কোৱেশ্যন নং-৬১ আছিল শক্তি বিভাগৰ। (চ) নংত মই শুধিছিলো যে, CBDAD  Francise সমূহৰ billing afficiency , collection afficiency  , ATNC lost আৰু সেৱাৰ সবিশেষ২০১০-১১ চনৰ পৰা মোক দিব লাগে। কিন্তু Dibrugarh Electrical Circle পৰা যিটো ৰিপোৰ্টি দিছে ইয়াত  মোক সম্পূৰ্ণ তথ্য দিয়া নাই। যিটো ফ্ৰেনচাইজীৰ লগত মই জড়িত আছিলো মই ভাৱো এইটো পৰিকল্পিতভাৱে বিভাগে এই Francise টো ইয়াত লুকাই ৰাখিছে।

**মাননীয় অধ্যক্ষ ঃ** সদনৰ মেজত কিছু তথ্য ৰখা হয় তাত চাই ল’ব। যদি নাপায় মোক জনাব। লগতে আপোনাৰ যিকেইটা point আছে মোৰ কাৰ্য্যালয়ত দিব।

**শ্ৰীশ্বেৰমান আলি আহমেদ ঃ** ছাৰ মোৰ আৰু এটা বেলেগ প্ৰশ্ন আছে । starred Question N0- 36 ছাৰ। মোৰ এখন কাঠৰ দলং , sanction আছিল - ২০ ফেব্ৰুৱাৰী২০১৪ চন। উত্তৰটো আছে  কিন্তু মোৰ কথাটো  আছিল যে ৪ বছৰ ধৰি কিয় পৰি আছে, কিয় কাম start হোৱা নাই। উত্তৰত কৈছে যে মাটিৰ মালিকে মাটি দান কৰিব খুজিছিল , তাৰ বাবে দেৰী হ’ল।  মাটিৰ মালিক মাটি দান দিব তাৰ আশাত Department ৪ বছৰ বহি থাকিলনেকি ?

**মাননীয় অধ্যক্ষ ঃ** কেতিয়াবা মানুহে মাটি দিম ক’লেও পিচত মাটিটো নিদিয়া হৈ যায়। যিহওক আপুনি মোক ৰাইটিং দিব মই চাম।

**শ্ৰীমতী অজন্তা নেওগঃ** অধ্যক্ষ মহোদয়, Unstarred Question N0- 60 আছিলে। আই চি ইউ এট গোলাঘাট এই কোৰেশ্যনটো মই যোৱা সদনত বহুকেইবাৰ শুধিছো । এতিয়া উত্তৰ দিছে মন্ত্ৰীয়ে যে, আই চি ইউ চলাবলৈ ডাক্তৰৰ অভাৱ। ইয়াৰ বাবে গোলাঘাট জিলা এটা প্ৰত্যাহ্বান হৈ থাকিব। গোলাঘাটৰ বাবে ICU টো অতি প্ৰয়োজনীয় হৈছে।

**মাননীয় অধ্যক্ষ ঃ** এইটো point of order , কথাটো noted । so we can't give answer । আপোনাক তেখেতে উত্তৰটো দি দিব। এতিয়া আইটেম নং -২ , মেম্বাৰছ আৱাৰ। প্ৰথমতে মই দিছো চক্ৰধৰ গগৈ। তেখেতক অনুৰোধ কৰিছো যাতে ১৫-২০ মিনিটৰ ভিতৰত যাতে শেষ কৰে। আৰু মন্ত্ৰীসকলে সেইখিনি নোট কৰিব।

**শ্ৰীচক্ৰধৰ গগৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাক ধন্যবাদ জনাইছো। স্বাধীনতাৰ ৭১ বছৰ পিচত অসম বিধান সভাত আমাৰ সমষ্টিটো সন্দৰ্ভত বিতংভাৱে সমস্যাৰাজি তুলি ধৰিবৰ বাবে আপুনি এটি সুযোগ প্ৰদান কৰিছে। এইটো সঁচা যে পূৰ্ব্বৰ বিধান সভাত এনেকোনো ব্যৱস্থা নাছিল। আপোনাৰ বিশেষ ব্যৱস্থাত "সদস্যসকলৰ সময়" নামৰ বিষয়টো ৰাখি নতুন সদস্যসকলক উৎসাহিত কৰাৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। এইটো নিশ্চিত কথা যে পূৰ্বৰ বিধান সভা বিলাকত এনেধৰণৰ কোনো ব্যৱস্থা নাছিল সদস্যৰ সময়, কিন্তু আপোনাৰ প্ৰচেষ্টাত এই বিশেষ বিষয়টো ৰাখি আমাক উৎসাহিত কৰাৰ কাৰণে আমি ধন্যবাদ জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, ডিব্ৰুগড় জিলাৰ আৰু শিৱসাগৰ জিলাৰ সীমাপৰীয়া ১১৫ নং মৰাণ বিধান সভা সমষ্টি, ১৬ খন পঞ্চায়তৰে গঠিত ১৬০ টা ৱাৰ্ড আছে, ১৭২ টা ভোট কেন্দ্ৰ আছে, প্ৰায় এক লাখ ২০ হাজাৰ ভোটাৰ, ২ লাখতকৈ অধিক জনসংখ্যা, ২৫০ খনতকৈ অধিক গাওঁ আৰু বিভিন্ন জাতি-জনগোষ্ঠী, অসমত বাস কৰা সৰহখিনি জাতি-জনগোষ্ঠীৰ লোক আমাৰ মৰাণ সমষ্টিত আছে। লগতে ১৮ খন চাহ বাগিছা, প্ৰায় ১৫০ টাৰো অধিক লাইন আছে। ৪০ হাজাৰতকৈ অধিক চাহ জনগোষ্ঠীয় ৰাইজ আছে আৰু সমগ্ৰ জন সমষ্টিটো যোৱা ৭১ টা বছৰ স্বাধীনতাৰ পিছৰ সময়খিনিৰ কথাও যদি আমি কওঁ যে ৭১ বছৰ কেৱল সমস্যাৰ লগত যুঁজ কৰি জীয়াই থাকিব লগীয়া হৈছে। আমি কব পৰা দিনটোৰ পৰা এতিয়ালৈকে সমষ্টিটোৰ ৰাইজে মূলত বানপানী আৰু গড়াখহনীয়াৰ সমস্যাত পৰি ইয়াৰ কৃষক ৰাইজে জুলুকা-জুলুকে পানী খাব লগা হৈছে আৰু হাজাৰ হাজাৰ কৃষক পৰিয়ালে নিজৰ ঘৰৰ ভেটি হেৰুৱাইছে, মাটি হেৰুৱাইছে আৰু বহু সময়ত মানুহকো হেৰুৱাব লগা হৈছে। কেতিয়াবা আমি বিধায়ক হোৱাৰ পাছত আমাৰ অনুভৱ হয় যেন পূৰ্বতে ইয়াত কোনোবা বিধায়ক আছিল নে নাই আৰু চৰকাৰৰ তাত সু-দৃষ্টি পৰিছিলনে নাই সেইটো আমাৰ মনত প্ৰশ্ন আহে। কাৰণ যেনিয়ে চাওঁ তেনিয়ে পিছপৰা এটা অঞ্চল, ৰাস্তা-পদুলিৰ কোনো ব্যৱস্থা নাছিল, দলং ঘাট, ইফালে গলেও দলং ভঙা, সিফালে গলেও দলং ভঙা, বাগিছাৰ মানুহৰ সমস্যাৰ কোনো অন্ত নাছিল, কৃষকৰ সমস্যা শেষ নহয়, বনৰীয়া হাতীৰ পৰা আৰম্ভ কৰি বনৰীয়া মহলৈকে, তাত মানুহ আৰু জীৱ-জন্তুৰ মাজত সংঘাত, এই গোটেই সমস্যা বিলাকৰ লগত যুঁজ কৰি জীয়াই থকা মানুহসকলৰ মনৰ কথাবোৰ আমি যেতিয়া বুজিবলৈ যাওঁ তেতিয়া এটাই কথা অনুভৱ হয় যেন বিগত দিনত ইয়াত কোনো চৰকাৰৰ প্ৰভাৱ নাছিল, যেন কোনো বিধায়কে নাছিল। গতিকে জনতাৰ বাবে গঠন হোৱা এখন ৰাইজৰ চৰকাৰ, চৰকাৰৰ প্ৰতিনিধি হিচাপে আমি এই কথাটো মৰ্মে মৰ্মে উপলব্ধি কৰিছো যে আগন্তুক দিনবিলাকত আমি আমাৰ সমষ্টিটোৰ এই সমস্যাখিনিক নাইকীয়া কৰি ৰাইজক জীয়াই থকাৰ এটা সুন্দৰ পৰিৱেশ আমি প্ৰদান কৰিব লাগিব, এই কথাখিনিৰ ওপৰত আমি গুৰুত্ব প্ৰদান কৰিছো আৰু এই সন্দৰ্ভত বিভাগীয় বিভিন্ন মন্ত্ৰী, বিষয়বৰীয়াৰ লগত আলাপ-

আলোচনা কৰি সমস্যা সমূহক নিৰাময়ৰ বাবে আমি তেখেত লোকৰ ওচৰত নিবেদন জনাইছো। আৰু সৌভাগ্যৰ কথা যে যোৱা ২ টা বছৰত, আমাৰ চৰকাৰৰ যোৱা ২ টা বছৰত ইতিমধ্যে সমষ্টিটো প্ৰগতিৰ বাটত আগবাঢ়িছে। মই তাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াকে প্ৰমূখ্য কৰি বিভাগীয় আটাইসকল মন্ত্ৰীক মই ধন্যবাদ জনাইছো আৰু এটা মোৰ গৌৰৱৰ কথা যে এই মৰাণ সমষ্টিক বৰ্ত্তমান অসম চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই একালত প্ৰতিনিধিত্ব কৰি আহিছে। তেখেতে বিধায়ক হিচাপে তাত ৩ বছৰ কাৰ্য্যনিৰ্বাহ কৰিছে কিন্তু আমাৰে সৌভাগ্য নাছিল যে তেখেত সেই সময়ত বিৰোধী দলৰ বিধায়ক হিচাপে কাৰ্য্যনিৰ্বাহি কৰিব লগীয়া হৈছিল। সেই সময়ত অসমত কংগ্ৰেছ চৰকাৰ আছিল আৰু তেখেত বিৰোধী দলৰ বিধায়ক হোৱাৰ কাৰণে, আজি যি সকল আমাৰ বিৰোধী দলৰ মানুহে 'সৱ কা সাথ সৱ কা বিকাশ'ৰ কথা কৈ আমাক ইতিকিং বা ভেঙুচালী কৰি থাকে, সেই সময়ত কিন্তু তেখেতলোকে আমাৰ বিৰোধী দলৰ বিধায়ক সকলক তেনেধৰণৰ কোনো সহমৰ্মিতা প্ৰদৰ্শন কৰিব পৰা নাছিল। যাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাৰ লগত বাৰে বাৰে সেই সময়ত বিধায়ক হিচাপে আলোচনা কৰিছিল যে আমাক চৰকাৰৰ পক্ষৰ মানুহে কাম কৰাৰ সুযোগ দিয়া নাই আবু আমি এই কথাখিনি ওচৰৰ পৰা প্ৰত্যক্ষ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** গগৈ ডাঙৰীয়া মূল কথাকেইটালৈ আহক, আপোনাৰ মূল সমস্যা কেইটালৈ আহক নহলে সময় গুচি যাব।

**শ্ৰীচক্ৰধৰ গগৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই কথাখিনি এইকাৰণে কবলগা হৈছে কাৰণ বিভিন্ন সময়ত আমাৰ বিৰোধী দলৰ মানুহসকলে এই কথাবিলাকো কৈ থাকে। কিন্তু আমি তেওঁলোকক Remind কৰি দিব বিচাৰিছো যে তেওঁলোকৰ দিনত আমাক আৰু দৰব অৱস্থাৰ সৃষ্টি কৰা হৈছে, বিৰোধী দলৰ বিধায়ক হিচাপে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, এতিয়া আচললৈ আহক।

**শ্ৰীচক্ৰধৰ গগৈ ঃ** গতিকে এই মুহূৰ্তটোত মই মোৰ সমস্যাখিনিক আপোনাৰ যোগেদি আজিৰ সদনত দৃষ্টিগোচৰ কৰিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মূল সমস্যা কেইটা, মই গোটেইকেইটা সমস্যা লবলৈ সময় নহ'ব, যি কেইটা মূল সমস্যা আপুনি সেই কেইটা কওঁক।

**শ্ৰীচক্ৰধৰ গগৈ ঃ** মই মূলত ৪ টা সমস্যা উল্লেখ কৰিছিলো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, ৪ টা Conform কৰক।

**শ্ৰীচক্ৰধৰ গগৈ ঃ** সেইকেইটাৰ ভিতৰত আছিল আমাৰ বানপানীৰ সমস্যা। এই বানপানীৰ সমস্যা নিৰাময়ৰ বাবে আমি ধন্যবাদ জনাইছো আমাৰ মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক, তেখেতে ইতিমধ্যে মোৰ সমষ্টিত যোৱা ২ টা বছৰত প্ৰায় ১৩ কোটিৰো অধিক টকা বিনিয়োগ কৰিছে আৰু আৱন্টন দি আমাক উৎসাহিত কৰিছে আৰু বানপানীৰ পৰা আমাক কিছু পৰিমানে হলেও সকাহ দিয়াৰ ব্যৱস্থা কৰিলে। কিন্তু, আৰু আমাৰ বহুত সমস্যা আছে। এইবাৰ সৌভাগ্যৰ কথা যে কেন্দ্ৰীয় চৰকাৰৰ ৰেল বিভাগৰ দ্বাৰা ব্ৰহ্মপুত্ৰৰ যি ৯ কি.মিটাৰ মথাউৰী নাছিল আমাৰ সমষ্টিত এই ৯ কি. মিটাৰৰ ভিতৰত ৩ কি. মি. নিৰ্মাণ কৰিবৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ তত্বাৱধানত মাননীয় ৰেল মন্ত্ৰী শ্ৰী ৰাজেন গোহাই দেৱৰ উদ্যোগত আৰু আমাৰ অসম চৰকাৰৰ সহযোগত আমি ইতিমধ্যে ১৮ কোটি টকা পাইছো আৰু আ ৱন্টন দিছে টকা, ইতিমধ্যে ঠিকাদাৰক কামো প্ৰদান কৰিলে। কেৱল মাত্ৰ ক্ষতিপূৰণ দিবৰ কাৰণে ২.২৯ কোটি টকাৰ প্ৰয়োজন হৈছিল, কালি Supplementary Budget ত সেই ক্ষতিপূৰণৰ ধনো আমাক আৱন্টন দি মাননীয় বিত্ত

মন্ত্ৰীৰ লগতে আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাক বহুত বহুত ধন্য কৰিছে, মই তেখেতলোকক মোৰ ফালৰ পৰা কৃতজ্ঞতা জনাইছো। কিন্তু আৱন্টনৰ বাবে আৰু ২ টা মান সমস্যা আমাৰ থাকি গ'ল। আমি চেচাঁৰ এটা ৰিং বান্ধৰ কাৰণে ৪০ কোটি টকাৰ এটা আঁচনি দিছিলো, কিন্তু তাৰে কাটিকুটি ২৫ কোটি টকা কৰিছিল, বগীবিল আইথানৰ এটা ৰিং বান্ধ নিৰ্মাণ কৰিবৰ কাৰণে ৮.৫০ কোটি টকাৰ এটা প্ৰজেক্ট দিছিলো, আমি কালি Supplementary Budget ত যদিও আহিব বুলি বহুত আশাৰে বাট চাই আছিলো, আমাৰ মৰাণ সমষ্টিৰ ৰাইজেও আশাৰে বাট চাই আছিল। কিন্তু কালি Supplementary Budget ত এই পইচাৰ আৱন্টন নিদিয়াৰ কাৰণে আমি অলপ মৰ্মাহত হৈছো আৰু এই ক্ষেত্ৰত মই আপোনাৰ যোগেদি মাননীয় অধ্যক্ষ মহোদয়, আমি চৰকাৰক অৱগত কৰিছো, বিত্ত বিভাগকো অৱগত কৰিছো যাতে এই টকা আৱন্টন দি আমাক, যি কোনো ব্যৱস্থাৰ মাজেদি এই টকাখিনি আৱন্টন দি আমাক এই দুটা কাম সমধান কৰাৰ বাবে যাতে এটা উপায় দিয়ে মই তাৰ কাৰণে অনুৰোধ জনাইছো। আপুনি জানেই যে আমাৰ সমষ্টিত ৩ খন নৈ আছে। এখন হৈছে বিশাল ব্ৰহ্মপুত্ৰ, এখন দিহিং আৰু এখন চেচাঁ নৈ। ব্ৰহ্মপুত্ৰৰ যদি এই সমস্যাখিনি সমধান নহয় তেতিয়াহলে আমি মৰাণ সমষ্টিৰ ৰাইজে আগন্তুক দিনতো সদায় চকুপানী টুকী থাকিব লাগিব আৰু প্ৰকৃতিৰ লগত আমি সহাৱস্থান কৰি জীয়াই থকা এটা মাত্ৰ পৰিৱেশৰ সৃষ্টি হ'ব। সেই কাৰণে এই ব্ৰহ্মপুত্ৰৰ মথাউৰী নিৰ্মাণৰ ক্ষেত্ৰত আগন্তুক দিনত ব্যৱস্থা ল'ব লাগে আৰু আমাৰ দিহিঙৰ যি দুয়োপাৰৰ মথাউৰী, এই দিহিং খনে আমাৰ সুদূৰ মাৰ্ঘেৰিটাৰ পৰা আৰম্ভ হৈ থাওৱাত শেষ হৈ গৈছে, দিহিং মুখত। এই সুদীৰ্ঘ প্ৰায় ৭০ কি. মিটাৰ ৰাস্তাৰ যি মথাউৰীৰ দুয়োপাৰ আছে, এই মথাউৰী যেতিয়ালৈ নিৰ্মাণ নহ'ব, কাৰণ ৬০ দশকতে মথাউৰী নিৰ্মাণ হৈছিল, তাৰ কাৰণে প্ৰায় মথাউৰীয়ে এই নদী ৰক্ষা কৰাটো সম্ভৱ নহয়। গতিকে আগন্তুক দিনত এই দুয়োপাৰৰ মথাউৰী নিৰ্মাণ কৰিবৰ কাৰণে আমি এটা Proposal দিছিলো, প্ৰায় ৬০০ কোটি টকাৰ এটা প্ৰজেক্ট World Bank ৰ যোগেদি কাম কৰিবৰ কাৰণে আৰু ব্যৱস্থা কি হৈছে বিভাগীয় মন্ত্ৰী মহোদয়ে যাতে এইখিনি কথা আগবঢ়াই নিয়ে তাৰ কাৰণে আমি অনুৰোধ জনাইছো। লগতে বাট-পথৰ কথাও আমাৰ PWD ৰ মন্ত্ৰী বৰ্তমানৰ আমাৰ মাননীয় হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আৰু পূৰ্বৰ মন্ত্ৰী আমাৰ পৰিমল শুক্লবৈদ্য ডাঙৰীয়া, দুয়ো গৰাকী মন্ত্ৰীক আমি ধন্যবাদ জনাইছো। পৰিমল ডাঙৰীয়াৰ দিনতো আমি যথেষ্ঠখিনি কাম কৰাৰ এটা পৰিৱেশ পালো যাৰ কাৰণে আমাৰ মৰাণ সমষ্টিৰ বহুত ৰাস্তা বনালো। বৰ্তমানৰ আমাৰ মাননীয় দুয়ো গৰাকী মন্ত্ৰীয়ে ইমান আন্তৰিকতাৰে উদ্যোগ লৈছে যে কেৱল মৰাণে কিয় সমগ্ৰ অসমৰ ৰাস্তা-পদূলীৰ নিৰ্মাণৰ ক্ষেত্ৰত তেখেতসকলে এটা সঠিক ব্যৱস্থা লৈছে আৰু অগ্ৰণী ভূমিকা লৈছে। গতিকে এইবাৰ আমি বহুত আশা কৰিছো আগন্তুক খৰালী বতৰত মৰাণত, মোৰ সমষ্টিত যথেষ্ট ৰাস্তা বনিব। কিন্তু সৰু-সুৰা ৰাস্তাখিনি সমান্তৰাল ভাৱে দুটা মোৰ সমষ্টিত ৰাস্তা আছে, এই দুটা ৰাস্তা যেতিয়ালৈকে নিৰ্মাণ নহ'ব তেতিয়ালৈকে কিন্তু মৰাণ সমষ্টিৰ বাট -পথৰ মূল সমস্যা শেষ নহ'ব। তাৰভিতৰত ডিব্ৰুগড় জিলাৰ পৰা শিৱসাগৰ জিলা সংযোগিত কৰা চেচাঁ তিনিআলিৰ পৰা চেচাঁ কলাখোৱা হৈ দিহিং নদী পাৰ কৰি চেচু ঘাটেদি এখন দলং গৈ নিপাই পুখুৰীত লগা যিটো ৰাস্তা, এই ৰাস্তাখিনি নিৰ্মাণৰ কাৰণে মই যোৱা ২ টা বছৰত বহুবাৰ চৰকাৰৰ ওচৰত আৱেদন নিবেদন কৰিছো। প্ৰায় ৭০ কোটি টকাৰ এটা প্ৰজেক্ট এইটো ৰাইজৰ প্ৰায় ২৫ বছৰৰ অধিক দিনিয়া এটা দাবী আমি পূৰণ কৰিবৰ কাৰণে চৰকাৰৰ ওচৰত মোৰ নিবেদন ৰাখিছো। গতিকে আগন্তুক দিনত এই ৰাস্তাটো যদি নিৰ্মাণ কৰি দিয়ে আমাৰ মৰাণ সমষ্টিত এডাল নতুন ৰাজহাড় নিৰ্মাণ হ'ব বুলি মই আশা ৰাখিছো। দ্বিতীয়তে, আৰু এটা

অতি ঐতিহাসিক ৰাস্তা আছে, এই ৰাস্তাটো কলাখোৱাৰ পৰা চেচাঁ নদীৰ ওপৰেদি এখন দলং বনাব লাগিব আৰু এইটো বগীবিলৰ য'ত দলং হৈছে, বগীবিল দলঙৰ ওচৰৰ এখন গাওঁ চৰাইহাবিলৈকে গৈছে এই পুৰণি যিটো ৰাইডুঙিয়া আলি, এই ৰাইডুঙিয়া আলিটো নিৰ্মাণ কৰি যাতায়তৰ যদি সু-ব্যৱস্থা কৰি দিব পাৰে তেতিয়া হলে আমি আৰু এটা সমষ্টিটোৰ ৰাস্তা, পদুলি ক্ষেত্ৰত আগুৱাই যাম বুলি আমি আশা কৰিব পাৰো। গতিকে এই দুয়োটা মুল ৰাস্তা ভৱিষ্যতৰ দিনত যদি নিৰ্মাণ কৰি দিয়ে, তেতিয়া হলে নিচ্চিত ভাৱে আমি আমাৰ সমেষ্টিটো বাট, পথৰ ক্ষেত্ৰত পিছুৱাই নাথাকিব বুলি মই আশা কৰিছো। ইয়াৰ পিছত আমাৰ যি সকল খেতিয়ক কৃষিৰ লগত জড়িত সমস্যা তাৰ ভিতৰত খেতিয়ক সকলৰ সমস্যা আছে। নৈ-পৰীয়া মানুহ বিলাকে ২বাৰকৈ খেতি কৰে, এতিয়া ধান খেতি কৰিছে, ইয়াৰ পিছত খৰালী ৰবী শস্যৰ খেতি কৰিব। কিন্তু আমাৰ মানুহৰ এতিয়াও বৰষুণলৈ অপেক্ষা কৰি খেতি কৰিব লগীয়া হৈ আছে। গতিকে বৰষুণ নিৰ্ভৰ যিটো খেতিৰ সমস্যা, এই ব্যৱস্থাটো এটা আধুনিক ৰূপ দিবলৈ হলে জলসিঞ্চল ব্যৱস্থাটো সঠিক আৰু কাৰ্য্যকৰী কৰিব লাগিব। তাৰ কাৰণে মই জলসিঞ্চন মন্ত্ৰী ডাঙৰীয়াক আমাৰ যিহেতু বানপানী বিধস্ত এলেকা এই বান বিধস্ত এলেকাৰ ৰবী শস্যৰ খেতি ভালকৈ কৰিবৰ কাৰণে জলসিঞ্চল ব্যৱস্থা অধীক উন্নত আৰু বিজ্ঞান সন্মত ভাৱে কৰি দিবৰ কাৰণে মই অনুৰোধ জনাইছো আৰু ইতিমধ্যে আমি বিভাগক বিভিন্ন দাবী আৰু নিবেদন জনাইছো। মই এইখিনিৰ ক্ষেত্ৰত কাৰ্য্যকৰী ব্যৱস্থা ল'ব বুলি আশা ৰাখিছো। ইয়াৰ উপৰি আমাৰ সমষ্টিত প্ৰায় ১২খন মান বনগাওঁ আছে, চৰকাৰে বিপদৰ সময়ত, ভূমিকম্পৰ সময়ত, বানপানীৰ সময়ত ১৯৫২ চনত, ১৯৫০ চনত তেখেত সকলক মাতি বনভূমিত আৱাস কৰিবৰ বাবে ব্যৱস্থা কৰি দিছিল। কিন্তু সেই মানুহ বিলাকক এতিয়াও মাটি বন্দোবস্তি কৰি দিয়া হোৱা নাই। আজি মধুপুৰৰ, মধুপুৰৰ তিনিচুকীয়া, পাৰলিগুৰি পৰা আৰম্ভ কৰি আমাৰ কটোৱা পঞ্চায়তত বলায়, নতুন বলায়, পুৰণি বলায়, এই এলেকা বিলাক বনকুমাৰ গাওঁ, ২৬ ঘৰীয়া ২৭ ঘৰীয়া ST/SC ৰ গাওঁ। এই গাওঁ বিলাকত কিন্তু আজিও মাটি বন্দোবস্ত দিব পৰা হোৱা নাই। অথচ এই বিলাক খিলঞ্জীয়া ভূমি পুত্ৰ সকলৰ একাংশ, গতিকে ভূমি পুত্ৰ সকলক মাটি এটা সঠিক বন্দোবস্ত দি পেলায় তেখেত সকলক অসমৰ খিলঞ্জীয়া মানুহ হিচাপে এটা ভূমিসত্ব দিয়াৰ ব্যৱস্থা কৰিব লাগে। আৰু বনভূমিত বসবাস কৰা মানুহ সকলৰ এতিয়া হাতী আৰু বনৰীয়া ম'হৰ লগত সংঘাত কৰিব লগীয়া হৈছে। মধুপুৰত দৈনিক হাতী আৰু মানুহৰ সংঘাত, আজিৰ পৰা এসপ্তাহ আগত মোলৈ খবৰ আহিছে, যে বনৰীয়া হাতীয়ে ধান খাবলৈ আৰম্ভ কৰিলে। আমাৰ সৌভাগ্য যে আমাৰ মঁৰাণ সমষ্টিত বানপানী হোৱা নাছিল। নোহোৱা কাৰণে সমগ্ৰ লৰুৱা মৌজাত ভাল খেতি পথাৰ হৈছিল। কিন্তু খেতি পথাৰ হোৱাৰ পাছত এইবাৰ আকৌ বনৰীয়া হাতীয়ে পুনৰ ধান খাবলৈ আৰম্ভ কৰিলে। গতিকে বানপানীয়ে নমৰা ধানখিনি এইবাৰ বনৰীয়া হাতীয়ে খাবলৈ আৰম্ভ কৰিছে। গতিকে বনৰীয়া হাতীৰ এটা স্থায়ী সমাধান কৰিবৰ কাৰণে অসম চৰকাৰ আৰু আমাৰ বনমন্ত্ৰীক মই অনুৰোধ জনাইছো, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক আমি অনুৰোধ জনাইছো যাতে ইয়াৰ এটা স্থায়ী সমাধান কৰিব পৰা যায়। অন্যহাতে কুটুৱা পঞ্চায়তত ২৬ ঘৰীয়া ২৭ ঘৰীয়া নতুন বলায়, পুৰণি বলায়, এই এলেকা বিলাকত বনৰীয়া প্ৰায় ১৫০ ম'হ আছে এই জাকটোৱে আমাৰ ধাননী পথাৰ বিলাক খায় শেষ কৰে। বহুবাৰ মানুহ আৰু হাতী, ম'হৰ মাজত সংঘাত হৈ মানুহৰ মৃত্যু হৈছে,হাতী আৰু ম'হৰ ও মৃত্যু হৈছে। গতিকে এই ম'হ আৰু হাতী মানুহৰ সংঘাত নাইকীয়া কৰিবলৈ হ'লে এটা সঠিক বিজ্ঞান সন্মত ব্যৱস্থা লব লাগিব। তাৰ কাৰণে মই কৃষক ৰাইজক এই বিপদৰ পৰা নিষ্ঠাৰ দিবৰ কাৰণে চৰকাৰক এটা যথোপযুক্ত পদক্ষেপ

ল'বলৈ অনুৰোধ জনাইছো আৰু আমাৰ বাগিছা অঞ্চলত বাসকৰা শ্ৰমিক সকলৰ দীৰ্ঘদিনীয়া সমস্যা আছে। বিগত দিন বিলাকত এই বাগিছা বিলাকৰ পৰা বহুত ৰাজনৈতিক নেতাৰ সৃষ্টি কৰা হ'ল। আৰু সেই ৰাজনৈতিক নেতা বিলাকে ১৫/২০ বছৰ ৰাজত্ব কৰিলে, জনপ্ৰতিনিধিত্ব কৰিলে। কিন্তু জনতাৰ দুখ তেওঁলোকে বুজি নাপালে, চাহ, শ্ৰমিকৰ দুখঃ তেওঁলোকে বুজি নাপালে, নোপোৰা কাৰণে আজিও আমাৰ চাহ-বাগিছাৰ ভাই বন্ধু সকলে, শ্ৰমিক সকলে যি দুখ আৰু যন্ত্ৰণাৰ মাজত জীয়াই থাকিব লগীয়া হৈছে, মাননীয় অধ্যক্ষ মহোদয়, আপুনি যদি ওচৰৰ পৰা প্ৰত্যক্ষ নকৰে, এই কথাকিনি হয়তো আপোনাৰো অনুভৱ নহব। গতিকে মই আগন্তুক দিন বিলাকত আমাৰ যি চাহ-শ্ৰমিকৰ সমস্যা, আজি আমি ১ কোটি কৈ টকা অসম চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰী আৰু বিত্ত মন্ত্ৰী ডাঙৰীয়াই আমাৰ গড়কাপ্তানী বিভাগে এই দায়িত্বখিনি লৈছে। ১ কোটি কৈ টকা আমাক প্ৰদান কৰিব, আমি নিচ্ছিত ভাৱে এপাচি শাকত এটা জালুক হলেও দিব পাৰিম। ১ কোটি টকা বহুত নহয় যদিও কিছু সকাহ দিবৰ কাৰণে সক্ষম হ্ম, কিন্তু ইয়াত আৰু বহুত কৰিব লগীয়া আছে। শক্তি বিভাগতো বহুত কৰিব লগীয়া আছে কাৰণ শক্তি বিভাগৰ ক্ষেত্ৰত এটা আমাৰ সমস্যা আছে বাগান বিলাকত Cluster meter লগায় থৈছে। একো একোটা মিটাৰত ৫০ ঘৰ, ৬০ ঘৰ শ্ৰমিকৰ লাইনটো জুৰি দিয়ে, আৰু কোনোৱাই যদি Freeze চলাই সেইজনে যি পইচা দিব একো নচলোৱা দুটা বাল্ব জলোৱা মানুহ জনে তাৰ অংশ দিব লগা হয়। গতিকে Cluster meter যিটো সমস্যা সেইটো অতি শীঘ্ৰে নাইকীয়া কৰিব লাগিব আৰু বক্তিগত Meter লৈ পৰিৱৰ্তন কৰিব লাগে। গতিকে এই ক্ষেত্ৰত মাননীয় শক্তিমন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ** ঃ গগৈ ডাঙৰীয়া আপুনি Water Resource কৈছে, Irrigation কৈছে, Forest ত কৈছে। এতিয়া আপুনি Subjects কেইটাত কওঁক, কাৰণ গোটেইখিনি কথা কব পাৰিব, উত্তৰো আপোনাক লাগিব নহয়। Environment আপুনি কব আছে আপুনি কওঁক।

**শ্ৰী চক্ৰধৰ গগৈ ঃ** মাননীয় অধ্যক্ষ মহোদয় আৰু এটা বিশেষভাৱে কব বিচাৰিছো, যিটো আমাৰ Forest Deptt. আছে, আমাৰ পৰিমল শুক্লবৈদ্য ডাঙৰীয়াই দায়িত্বভাৰ পাইছে, মই তেখেতক খুব আন্তৰিকতাৰে মোৰ সমষ্টিলৈ এবাৰ নিমন্ত্ৰণ জনাইছো। মোৰ সমষ্টিত বহুত Reserve forest আছিল। মেডেলা Reserve forest আৰু জোকাই Reserve forest আছে, নামদাং Reserve forest আছে। এনেকুৱা ওচৰে পাজৰে বহুত ডাঙৰ ডাঙৰ Reserve forest আছে। কিন্তু এই Forest বিলাকৰ গছ-বননি একো নাইকীয়া হৈ গৈছে। কেৱল মাত্ৰ হাতী বিলাক আছে, বনৰীয়া ম'হ বিলাক আছে, গতিকে এই হাতী মানুহৰ সংঘাটো নিৰ্মূল কৰিবৰ কাৰণে মই তেখেতক অনুৰোধ জনাইছো। আৰু যি বিলাক নিৰ্বণী কৰণ হৈছিল এই নিৰ্বণী কৰণটো বননী কৰণ কৰিবৰ কৰাণে মাননীয় মন্ত্ৰী ডাঙৰীয়াক মই অনুৰোধ জনাইছো কাৰণ পৰিৱেশ ভালকৈ ৰাখিবলৈ হলে আমাৰ বনানী কৰণ কৰিবই লাগিব। গছ-গছনি সেউজীয়া কৰি প্ৰকৃতিক ৰাখিবই লাগিব, গতিকে বনানী কৰণৰ ক্ষেত্ৰত বিশেষভাৱে গুৰুত্ব দিবৰ কাৰণে অনুৰোধ জনাইছো বনানী কৰণ নহোৱা কাৰণে নদীৰ গড়াখহনীয়া বিলাক হবলৈ আৰম্ভ কৰিছে গতিকে গড়াখহনীয়া আমি ৰোধ কৰিবই লাগিব। আৰু অন্য অন্য শিতানত মই দুটা মান কথা উল্লেখ কৰিছো আমাৰ শিক্ষা বিভাগত আমাৰ কেইবাখনো বিদ্যালয়ত Subject teacher নোহোৱা হৈছে, গতিকে আমাৰ শিক্ষা বিভাগৰ আমাৰ ৰাজ্যিক মন্ত্ৰী আছে, তেখেতৰ জ্ঞাতাৰ্থে মই কৈছো। বহু বিদ্যালয়ত বিজ্ঞান আৰু গণিতৰ শিক্ষকৰ অভাৱ হৈছে আৰু বহু বিদ্যালয়ত শিক্ষক হৈছে, amalgamation ৰ কাৰণে আমাৰ শিক্ষা ব্যৱস্থাটো উন্নীত হৈছে। কিন্তু এই Subject teacher নোহোৱাৰ কাৰণে

বিশেষকৈ হিন্দী আৰু বিজ্ঞানৰ শিক্ষক নোহোৱাৰ কাৰণে আমাৰ ছাত্ৰ-ছাত্ৰী সকলে বহুত সমস্যাত ভুগিব লগা হৈছে। গতিকে এই সমস্যাখিনি দূৰ কৰিলে নিশ্চিত ভাৱে আগন্তুক দিনত আমি আমাৰ সমগ্ৰ ভাৰতবৰ্ষৰ যি নতুন যাত্ৰা হৈছে, এই যাত্ৰাত আমি আগুৱাই যাব পাৰিম। কিন্তু এই কামখিনি কৰিবলৈ যাওঁতে আমাক সকলোৰে সহযোগিতা লাগিব, বিৰোধী সকলে আলোচনাৰ নামত আলোচনা কৰি সমলোচনা কৰি আমাক আমাৰ মন দুৰ্বল কৰাৰ বিপৰীতে তেখেত সকলে সহযোগীতা কৰক। আগন্তুক দিনত আমাৰ সমাজখনত আমাৰ অসমক যাতে আমি আগুবাই নিব পাৰো, অসমৰ ১২৬ টা সমষ্টিৰ ভিতৰত আমি মৰাণ সমষ্টিটো যাতে ভালকৈ জিলিকাই তুলিব পাৰো। তাৰ কাৰণে অসম চৰকাৰৰ পৰা আমি আমাৰ আদৰ বিচাৰিছো। বিশেষকৈ আমাৰ মাননীয় মুখ্যমন্ত্ৰী দেৰে তাত ৩ বছৰ বিধায়ক কৰি আহিছে, তেখেতে সু পৰিচিত আমাৰ মুখ্যমন্ত্ৰী চাৰৰ কথা কয় সকলোৰে। গতিকে মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক বিশেষভাৱে বানপানীৰ ক্ষেত্ৰত এই দুটা সমস্যা চেচাঁৰ যিটো Ring বান নিৰ্মাণ আমি ২৫কোটি টকা বিচাৰিছিলো, বগীবিলৰ যিটো ৮.৫০ কোটি টকা এই দুয়োটা আমাৰ কালি Supplementary বাজেটত নাহিলে নহা কাৰণে মই মৰাণ সমষ্টিৰ ৰাইজৰ মুখত মই এতিয়া যথেষ্ট সমস্যাৰ সন্মুখীন হবলগীয়া হৈছে। ইয়াৰ যাতে আমি সঠিক উত্তৰ পাওঁ তাৰ কাৰণে মই অনুৰোধ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মই সদস্য সকলক কওঁ যে আমি দুটা Purpose আছিল Members' Hours ত যি সকল সদস্যই ইয়াত কথা কবলৈ কম সুবিধা পায়, তেওঁলোকক প্ৰথমতে দিম বাকী সকলক পিছত দিম। আপোনালোকে যিখিনি কথা কব সেইখিনি চমুকৈ কব, সেইখিনি কথাৰ উত্তৰ যাতে চৰকাৰে কৰিব পাৰে, আপোনালোকৰ যথেষ্ঠখিনি লাভ হব। সেই কাৰণে মই এই বিষয়টো তেনেকৈ কবলৈ অনুৰোধ জনাইছো। ইয়াৰ পিছত মাননীয় সদস্যা শ্ৰীমতী ৰোজলীনা তিৰ্কী তেখেতৰ Subject আছে, Agriculture, Home, Public Health & Water Resorce তেখেতক কবলৈ অনুৰোধ কৰিছো।

**শ্ৰীমতী ৰোজলীনা তিৰ্কী ঃ** মাননীয় অধ্যক্ষ মহোদয়, পোন প্ৰথমে মই 'মেম্বাৰচ আৱাৰ্ছ' শিতান এটা ৰাখি বিধায়ক সকলক নিজৰ সমষ্টিৰ সমস্যাসমূহ উপস্থাপন কৰিবলৈ সুবিধা প্ৰদান কৰাৰ লগতে এই শিতানৰ জৰিয়তে মোকো আজি এই সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আপুনি নিশ্চয় জ্ঞাত যে সমগ্ৰ অসমৰ ভিতৰতে সৰুপথাৰ বিধান সভা সমষ্টিটো এটা বৃহৎ সমষ্টিসমূহৰ অন্যতম। সমষ্টিটো বহু সমস্যাৰে ভাৰক্ৰান্ত যদিও সকলো বিষয় এই শিতানত দাঙি ধৰিবলৈ ব্যৱস্থা নথকাৰ হেতুকে সীমিত সময়ৰ ভিতৰত মূখ্যত চাৰিটা বিষয়ে আজি মই আপোনাৰ জৰিয়তে মাননীয় বিভাগীয় মন্ত্ৰীসকলক দৃষ্টিগোচৰ কৰিব বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমে মই আপোনাৰ জৰিয়তে গৃহ বিভাগৰ মন্ত্ৰীৰ দায়িত্বত থকা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে সৰুপথাৰ বিধান সভা সমষ্টিটো এটা আন্তঃৰাজ্যিক সীমামুৰীয়া সমষ্টি। এই সমষ্টিটোত এ.বি. আৰু চি চেক্টৰ অন্তৰ্ভূক্ত। আপুনি নিশ্চয় জ্ঞাত যে বিগত সময় ধৰি এই সীমামুৰীয়া অঞ্চলত বসবাস কৰা অসমীয়া লোকসকলৰ ওপৰত নগা-দুস্কৃতিকাৰীয়ে নানান ধৰণে অত্যাচাৰ উৎপীড়ন চলাই আহিছে। বিশেষকৈ বিগত সময়ত ১৯৭৯ চনৰ পৰা ২০১৪ চনত উক্ত অঞ্চল সমূহত বাস কৰা বহু লোকৰ ঘৰবাৰী জ্বলাই দিয়াৰ উপৰিও বহু মানুহ, জীৱ-জন্তু হত্যা কৰাৰ লগতে সকলো সা-সম্পত্তি, খেতি-বাতি নষ্ট কৰি পেলায়, সেই অঞ্চলৰ অসমীয়া লোকসকলক সেই অঞ্চলৰ পৰা খেদি পঠাইছিল আৰু আজি পৰ্য্যন্ত সেই লোকসকল নিজ গৃহলৈ ঘূৰি যাব পৰা নাই। যিসকল গৈছে সেই সকলেও প্ৰাণৰ ভয়ত

নগাক নিজ কষ্টৰে খেতি-বাতি, ব্যৱসায় বাণিজ্য আদি টেক্স দি জীৱন অতিবাহিত কৰিবলগীয়া হৈছে। বহু সময়ত উক্ত অঞ্চলৰ দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা লোকসকললৈ চৰকাৰে প্ৰদান কৰা আঁচনি সমূহ বনোৱাত নগা দুৰ্বৃত্তই বাধা প্ৰদান কৰি বন্ধ কৰি দিয়ে। উক্ত অঞ্চলত নিয়োজিত এছ. এছ.বি অথবা চি.আৰ.পি.এফ.য়ে নিৰপেক্ষ ভূমিকা লোৱাৰ বিপৰীতে নগা সকলৰ পক্ষহে গ্ৰহণ কৰা দেখা যায়। সেয়েহে মাননীয় অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে মাননীয় গৃহ মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰো যে - (১) ৰাজ্য চৰকাৰে সীমান্ত অঞ্চলত বসবাস কৰা অসমীয়া লোকসকলৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তাৰ স্বাৰ্থত অনতি পলমে কেন্দ্ৰীয় চৰকাৰৰ লগত  গুৰুত্ব সহকাৰে আলোচনা কৰি তথা আইনগত ভাৱে অতি সোনকালে বিবাদমান বিষয় নিষ্পত্তিৰ ব্যৱস্থা কৰক। (২) সমষ্টিটোৰ তিনিটা স্পৰ্শকাতৰ চেক্টৰ, এ.বি.আৰু চি অন্তৰ্ভূক্ত তথা নগালেণ্ডৰ গাতে লাগি থকা অঞ্চল হিচাবে আৰু অনাগত ভৱিষ্যতে ধৰশিৰি মহকুমাবাসী ৰাইজৰ সুৰক্ষাৰ স্বাৰ্থত, ধনশিৰি মহকুমাক আৰক্ষী জিলা হিচাবে ঘোষণা কৰক। (৩) সেই অঞ্চলৰ সকলো বিবাদমান বিষয় অতি সোনকালে নিষ্পত্তি কৰি উক্ত অঞ্চলত যুগ-যুগ ধৰি নিজ কষ্টেৰে জীৱন অতিবাহিত কৰা অসমীয়া খিলঞ্জীয়া লোকসকলক মাটিৰ পট্টা প্ৰদান কৰাৰ ব্যৱস্থা কৰক। (৪) চৰকাৰৰ লগত সকলো সময়তে সহযোগীতা আগবঢ়াই অহা সেই অঞ্চলৰ বেচৰকাৰী গাওঁবুঢ়া সকলক চৰকাৰীকৰণ কৰাৰ ব্যৱস্থা কৰক। (৫) সেই অঞ্চলত বসবাস কৰা লোকসকল আৰু ৰাজ্যখনৰ সীমান্ত অঞ্চল সুৰক্ষিত কৰাৰ স্বাৰ্থত সেই অঞ্চলৰ জৰাজীৰ্ণ ৰাস্তা পকীকৰণ, বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা, সম্পূৰ্ণ বৈদ্যুতিকৰণ, শিক্ষা, স্বাস্থ্যজনিত সমস্যা দুৰিকৰণৰ ব্যৱস্থা ইত্যাদি গুৰুত্ব সহকাৰে গ্ৰহণ কৰি অতিশীঘ্ৰে ব্যৱস্থা লওঁক। (৬) উক্ত অঞ্চলসমহূত নিয়োজিত নিৰপেক্ষ বাহিনী চি.আৰ.পি.এফ আৰু এছ.এছ.বিক আতৰাই সেই ঠাইত আসাম পুলিছ বেটেলিয়ান দিয়াৰ ব্যৱস্থা কৰক। (৭)  সীমান্ত অঞ্চলৰ এ.বি. আৰু চি. চেক্টৰত প্ৰত্যেকতে বেলেগ-বেলেগ সীমান্ত দণ্ডাধীশ নিযুক্তি প্ৰদান কৰি উক্ত অঞ্চলতে মেজিষ্ট্ৰেটৰ কোৱাৰ্টাৰকে আদি কৰি গাড়ী বা অন্যান্য সা-সুবিধা সমূহ প্ৰদান কৰাৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনালো। (৮) ধনশিৰি মহকুমাহটোক আৰক্ষী জিলা ঘোষণা নকৰা পৰ্যন্ত সীমান্ত অঞ্চলৰ বাবে গোলাঘাট জিলাত এজন অতিৰিক্ত আৰক্ষী অধীক্ষক (ব'ৰ্ডাৰ) নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ উপৰিও উক্ত অঞ্চলটোত আৰু বহু সমস্যাৰে জৰ্জৰিত যদিও উল্লেখিত সমস্যাসমূহ অতি ক্ষিপ্ৰতাৰে সমাধান কৰাৰ ব্যৱস্থা কৰিবলৈ মই সমষ্টিবাসীৰ স্বাৰ্থত কাতৰে অনুৰোধ জনালো। ইয়াৰ পাছতে মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মাননীয় মন্ত্ৰী মহোদয়ক অৱগত কৰিব বিচাৰো যে ২,২৬,০০ তকৈ অধিক ভোটাৰেৰে পৰিপূৰ্ণ সৰুপথাৰ বিধান সভা সমষ্টিটোত বিশুদ্ধ খোৱাপানীৰ সমস্যাটো আটাইতকৈ ডাঙৰ সমস্যা হিচাবে পৰিগণিত হৈছে। বিশেষেকৈ সমষ্টিটোৰ অন্তৰ্গত বৃহত্তৰ মৰঙী মৌজা, সীমান্ত অঞ্চলৰ বহু ভিতৰুৱা ঠাইত মানুহে আজিও পুখুৰী, নলা-নৰ্দমাৰ পানী খায় জীৱন অতিবাহিত কৰিবলগীয়া হৈছে। সমষ্টিটোত বহু পি.দব্লিউ.এছ.এছ আঁচনি নিৰ্মাণ কৰা হৈছিল যদিও ইয়াৰ সৰহ সংখ্যক আঁচনিয়েই বিভাগে ৰখা বিভিন্ন কাৰণ দৰ্শাই ৰাইজক পানী যোগানৰ পৰা বিৰত দৃষ্টিগোচৰ হৈছে। এই সম্পৰ্কত অতিশীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰিবলৈ মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। সমষ্টিটোৰ অন্তৰ্গত মৰঙী মৌজাত পূৰ্বৰ চৰকাৰৰ দিনতে আৰম্ভিত হোৱা বৃহত্তৰ ৰংবং পানী যোগান আঁচনি সম্পৰ্কত বিগত বিধান সভা অধিৱেশনৰ সময়ত অতি সোনকালে সম্পূৰ্ণ কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰাৰ পাছতো আজি পৰ্য্যন্ত সেই আঁচনি সম্পূৰ্ণ নহ'ল। সমষ্টিটোৰ বাগিচা অঞ্চলসমূহত আৰু একেবাৰে ভিতৰুৱা অঞ্চল সমূহত বিশুদ্ধ খোৱাপানীৰ

অভাৱত নানা ধৰণৰ বেমাৰ-আজাৰত আক্ৰান্ত হোৱা দেখিবলৈ পোৱা যায়। বিশেষকৈ শিশু, বৃদ্ধ, প্ৰসুতি মাতৃ, মহিলা, বিভিন্ন ৰোগী আদি বেছিকৈ বিশুদ্ধ খোৱাপানীৰ অভাৱত হোৱা ৰোগত আক্ৰান্ত হোৱা পৰিলক্ষিত হয়। বিভাগীয়ভাৱে জনস্বাস্থ্য সম্পৰ্কে যেনেদৰে সজাগতা আনিব লাগিছিল ইয়াকো বহু সময়ত লেপচ্ হোৱা দেখিবলৈ পোৱা যায়। ইয়াৰোপৰি সমষ্টিটোত এনে বহু অঞ্চল আছে য'ত ভূ-গৰ্ভৰ তলত শিলৰ পৰিমাণ বেচি হোৱাৰ বাবে সেই অঞ্চলসমূহত টিউবেল, দমকল জাতীয় পানী যোগান আঁচনিৰ জৰিয়তে পানী যোগানৰ ব্যৱস্থা কৰা সম্ভৱ নহয়। এনে অঞ্চলসমূহত বিজ্ঞান সন্মতভাৱে কাৰিকৰী প্ৰযুক্তিৰে পানী যোগানৰ ব্যৱস্থা কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে আৰু সমষ্টিটোৰ বহু ঠাইত জনসাধাৰণে ব্যৱহাৰ কৰা পানীত আৰ্চেনিকৰ উপস্থিতি নুই কৰিব নোৱাৰি । সেয়েহে মাননীয় অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে মই মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰো যে - (১) সমষ্টিটোৰ অন্তৰ্গত মৰঙী মৌজাৰ বৃহত্তৰ ৰংবং পানী যোগান আঁচনিখন অনতিপলমে সম্পূৰ্ণ কৰি ৰাইজক বিশুদ্ধ খোৱাপানী যোগান ধৰাৰ ব্যৱস্থা কৰক। (২) সমষ্টিটোৰ অন্তৰ্গত সম্পূৰ্ণ নিৰ্ম্মীয়মান তথা কিছু সৰুসুৰা কাৰণত বিকল হৈ থকা পানী যোগান আঁচনি সমূহৰ সমস্যা সমূহ দূৰ কৰি ৰাইজৰ পানী যোগান নিয়মীয়া কৰাৰ ব্যৱস্থা কৰক। (৩) যিবিলাক অঞ্চলত বিভিন্ন কাৰণৰ ফলত দমকল বা অন্যান্য পানী যোগান আঁচনি স্থাপন কৰিব নোৱাৰি সেই অঞ্চল সমূহত বিজ্ঞানসন্মত উন্নত কাৰিকৰী পদ্ধতিৰ জৰিয়তে বিশুদ্ধ খোৱাপানী যোগানৰ ব্যৱস্থা কৰক। (৪) জনসাধাৰণে ব্যৱহাৰ কৰা তথা বসবাস কৰা অঞ্চলৰ পানীত আৰ্চেনিকৰ উপস্থিতি নিৰীক্ষণ কৰি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰক। (৫) সমষ্টিটোৰ একেবাৰে ভিতৰুৱা আৰু বাগিচা অঞ্চল বিলাকত নতুনকৈ চাৰ্ভে কৰি পি.ডব্লিউ.এছ.এছ আঁচনি নিৰ্মাণ কৰাৰ ব্যৱস্থা কৰক। আৰু (৬) শিশুৰ পৰা বৃদ্ধালৈকে প্ৰসূতি মাতৃৰ পৰা ৰোগীজনলৈকে সকলো জনসাধাৰণক বিশুদ্ধ খোৱাপানীৰ প্ৰয়োজনীয়াতা সম্পৰ্কে অধিক সজাগতা আনিবৰ বাবে পদক্ষেপ গ্ৰহণ কৰিবলৈ অনুৰোধ জনালো।

(সভাপতিৰ আসনত ভাৰ প্ৰাপ্ত সভাপতি শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা উপবিষ্ট)

**"সদস্যৰ সময়"** কাৰ্যসূচীৰ ওপৰত আলোচনা, ক্ৰমশ - - - -

**শ্ৰীমতী ৰোজলিনা তিৰ্কী, বিধায়িকা ঃ** এতিয়া মই জলসম্পদ বিভাগলৈ আহিছো। মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ক জনাব বিচাৰো যে - বিগত সময়তে মই তেখেতক কেইবাবাৰো লগ ধৰি অৱগত কৰিছো যে মোৰ সমষ্টিত ৰেংমা নদী, ধনশিৰি নদী আৰু দৈয়াং নদী আদিয়ে প্ৰৱল গড়াখহনীয়াৰ সৃষ্টি কৰিছে আৰু বিশেষকৈ মোৰ সমষ্টিৰ উৰীয়ামঘাটৰ অন্তৰ্গত কেইবাখনো গাওঁ যেনে - নাওঁজানৰ বিলপথাৰ, কৈৰীগাওঁ,পদুমণি, ধনশিৰিপাৰ, শিমলু চাপৰি, শিঙিমাৰী, ৰংদৈ, দুখুটিমুখ, বিধান চাপৰি, ১নং কৈৱৰ্তগাওঁ, চেচামুখ, কেন্দুগুৰি, মৰঙী বাগান, মৈনাপাৰা আদি অঞ্চল সমূহত প্ৰবল গড়াখহনীয়াৰ সৃষ্টি কৰিছে, যাৰ ফলত আজি পৰ্যন্ত সেই অঞ্চলত বসবাস কৰা মানুহ খিনিয়ে ৰাস্তাৰ কাষতে আশ্ৰয় গ্ৰহণ কৰিব লগীয়া হৈছে। মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীৰ জৰিয়তে মই কব বিচাৰিছো যে মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে বিগত সময়ছোৱাত বহু প্ৰয়োজনীয় আঁচনি অন্তৰ্ভুক্ত কৰিব বুলি বা গড়াখহনীয়া ৰোধ কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব বুলি মোক প্ৰতিশ্ৰুতি দিছিলে। কিন্তু আজিলৈকে মাননীয় মন্ত্ৰী মহোদয়ে কোনো ধৰণৰ ব্যৱস্থা লোৱা দেখা নগল যাৰ ফলত সেই ভুক্তভোগী মানুহ খিনিয়ে আজিলৈকে জীয়াতু ভোগীবলগীয়া হৈছে। সেয়েহে মই

'সদস্য সময়'ৰ সুযোগতে আপোনাৰ জৰিয়তে (মাননীয় জলসম্পদ মন্ত্ৰীৰ অনুপস্থিত) মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে তেখেতে মোৰ সমষ্টিত হৈ থকা গড়াখহনীয়াৰ সমস্যাটো গুৰুত্বসহকাৰে লৈ অতি সোনকালে এই অঞ্চলসমূহ যাতে পৰিদৰ্শন কৰে আৰু লগতে মোৰ বিশেষ অনুৰোধ তেখেতে যেন অতি সোনকালে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰে।

ইয়াৰ উপৰিও আপোনালোক সকলোৰে অৱগত যে, যোৱা জুলাই মাহৰ শেষৰ ভাগত নিপক'ই অতিৰিক্তভাৱে পানী এৰি দিয়াৰ ফলত মোৰ সমষ্টিটোত বানপানীৰ সৃষ্টি হৈ ঘৰ-দুৱাৰ, জীৱ-জন্তু, খেতি-পথাৰ আদি প্ৰায় সম্পূৰ্ণভাৱে নষ্ট কৰি পেলাই। নিপক'ই পানী এৰি দিয়াৰ সম্পৰ্কত জিলা প্ৰশাসনে আগতীয়াকৈ জনাৰ পিচতো জীৱনত কেতিয়াও বানপানীৰ সন্মুখীন নোহোৱা মোৰ সমষ্টিৰ মানুহখিনিক সতৰ্ক নকৰি কিয় জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা নাইকীয়া কৰিলে চৰকাৰে কিন্তু তাৰ বাবে জবাব দিয়াৰ প্ৰয়োজনীয়তা আছে।

আজি যদি আমি বিতংভাৱে চাবলৈ যাও তেতিয়া দেখা পাও যে-(মোৰ যোৱাবাৰৰ প্ৰশ্নৰ উত্তৰত দিয়া তথ্যত দেখা পাও) মোৰ সৰু পথাৰ সমষ্টিত এই বানপানীৰ ফলত ২২,৫৪৫ জন লোক ক্ষতিগ্ৰস্ত হৈছে,২৬,০৯২ জীৱ-জন্তু ক্ষতিগ্ৰস্ত হৈছে,২৬১৮.৬০ হেক্টৰ কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে, এজন মানুহে প্ৰাণ হেৰুৱাবলগীয়া হৈছে আৰু লগতে ১২৩৫টা ঘৰো পানীত ডুব গৈছে। মৃত্যু হোৱা জনৰ বাবদ অৱশ্যে ক্ষতিপূৰণ দিয়া হৈছে । মই বিচাৰো যে বানত ক্ষতিগ্ৰস্ত হোৱা সকলে যাতে অতি সোনকালে ক্ষতিপূৰণ পোৱাৰ ব্যৱস্থা কৰে তাৰ বাবে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। এইখিনিতে আৰু এটা কথা মই কব বিচাৰিছো যে,চৰকাৰী নীতি অনুসৰি গাওঁবিলাকত যেনেধৰণে ক্ষতিপূৰণ দিয়া হৈছে , ঠিক সেইধৰণে আমাৰ ফৰেষ্ট এক্টৰ আধাৰত,ফৰেষ্ট লেণ্ডত যিসকল লোকে জীৱন নিৰ্বাহ কৰি আহিছে সেই বানাক্ৰান্ত লোক সকলকো সমানে ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰিব লাগে।

মাননীয় সভাপতি মহোদয়, মই এতিয়া কৃষি বিভাগৰ বিষয়ে ক'বলৈ বিচাৰিছো। মোৰ সৰুপথাৰ সমষ্টিৰ প্ৰায় ৮০% লোকেই কৃষিজীৱি। এই অঞ্চলৰ লোক সকলে ধানখেতি, ৰবিশষ্যৰ খেতি, চাহপাতৰ খেতি আদি পুৰণিকলীয়া পদ্ধতীতে সম্পাদন কৰি আহিছে, এই অঞ্চল সমুহত উন্নতমানৰ জনসিঞ্চনৰ ব্যৱস্থা নথকা কাৰণে প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰিয়েই কৃষিকাৰ্য্য কৰিবলগীয়া হৈছে। তাৰোপৰি এই অঞ্চল সমুহত উৎপাদিত শস্য সমুহত কীট-পতংগ আদিয়েও যথেষ্ট ক্ষতিসাধন কৰা দেখা গৈছে। এই অঞ্চলৰ খেতিয়ক সকলে যথেষ্ট কষ্ট আৰু সমস্যাৰ মাজেৰে কৃষি কাৰ্য কৰি সুনাম অৰ্জন কৰিব পাৰিছে, সেয়েহে এই চেগতে মই তেখেত সকলকো ধন্যবাদ জ্ঞাপন কৰিছো। এই বিলাকৰ উপৰিও ধনশিৰি, মৰঙি আদি অঞ্চলত ধান খেতি, চাহপাতৰ খেতি, ৰবি খেতি, ৰবৰৰ খেতি, পাণ-তামোলৰ খেতি, মৎস্য উৎপাদন আদিৰ দ্বাৰা কেইজনমান যুৱ খেতিয়ক স্বাৱলম্বী হোৱাৰ লগতে সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে। সেয়েহে মোৰ সমষ্টিৰ ধনশিৰি মহকুমাৰ অন্তৰ্গত ৰাইজৰ হিতাৰ্থে কেইটামান Point লিখি আনিছো। Point সমুহ নিম্নলিখিত ধৰণে উল্লেখ কৰা হল -

১.ধনশিৰি মহকুমাত এটা কৃষি বিজ্ঞান কেন্দ্ৰ স্থাপন কৰিবৰ বাবে ব্যৱস্থা কৰিব লাগে, যাতে আমাৰ এই অঞ্চলৰ খেতিয়ক সকলে বিজ্ঞানসন্মত ভাৱে কৃষি কাৰ্য সম্পাদন কৰিব পাৰে।

২. আমাৰ উৎসাহী দৰিদ্ৰ কৃষক সকলক বিনামূলীয়া টেক্টৰ বিতৰণৰ ব্যৱস্থা কৰক।

৩. Water Harvesting Tank ৰ ব্যৱস্থা কৰিব লাগে যাতে আমাৰ কৃষক সকলে বছৰি কেইবাটাও খেতি পৰ্যায়ক্ৰমে কৰিব পাৰে।
৪. কৃষি উৎপাদন আৰু শ্ৰীবৃদ্ধিৰ কাৰণে খেতিয়ক সকলক বিনামূলীয়া প্ৰশিক্ষণৰ ব্যৱস্থা কৰক যাতে নৱ প্ৰজন্ম কৃষিকৰ্মৰ প্ৰতি আগ্ৰহী হোৱাৰ লগতে নিজ উপাৰ্জনৰ ক্ষেত্ৰতো স্বাবলম্বী হব পাৰে।

মোৰ আৰু বিশেষ তেনেকৈ একো কবলগীয়া নাই। এই **"সদস্যৰ সময়"** কাৰ্যসূচীৰ জৰিয়তে মোৰ সমষ্টিৰ সামগ্ৰীক সমস্যা সমুহ ৪টা Point ৰ দ্বাৰা উপস্থাপন কৰি মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো আৰু আশা ৰাখিছো চৰকাৰে এই বিষয়টোৰ ওপৰত গুৰুত্বসহকাৰে বিবেচনা কৰিব।

শেষত সদনৰ মজিয়াত মোক বক্তব্য ৰাখিবলৈ সুযোগ প্ৰদান কৰাৰ বাবে মাননীয় সভাপতি মহোদয় আপোনাক ধন্যবাদ জ্ঞাপন কৰিলো।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, সভাপতি ঃ** ধন্যবাদ বিধায়িকা ৰোজলিনা তিৰ্কী। ইয়াৰ পাচৰ জন বক্তা হল শ্ৰী নিজামুদ্দিন চৌধুৰী। তেখেতক শিক্ষা, স্বাস্থ্য, গড়কাপ্তানী, উদ্যোগ এই বিষয় কেইটাৰ ওপৰত সীমাবদ্ধ থাকি বক্তব্য প্ৰদান কৰিবলৈ অনুৰোধ জনালো ।

**নিজাম উদ্দিন চৌধুরী :-** সভাপতি মহোদয়, চলিত অসম বিধানসভার এই শরৎকালীন অধিবেশনে আমাকে সামান্য সময় দেওয়ার জন্য আপনাকে অশেষ ধন্যবাদ জানাই। সভাপতি মহোদয় আমি হাইলাকান্দি জেলার ৮নং আলগাপুর বিধানসভা সমষ্টির বিধায়ক। আমার সমষ্টির কিছু গুরুত্বপূর্ণ সমস্যা এই পবিত্র সদনে তুলে ধরতে আগ্রহী।আশা করি আপনার মাধ্যমে সদুত্তর প্রদান করা হবে। সভাপতি মহোদয, মানুষের জীবনের চলার পথে সবচেয়ে প্রয়োজনীয় হচ্ছে শিক্ষা, স্বাস্থ্য, রাস্তা এবং শিল্পের বিষয়ে আমার সমষ্টির সমস্যার কথা এখানে তুলে ধরছি। সভাপতি মহোদয় সর্বপ্রথমে আমি শিক্ষার বিষয়ে আপনার মাধ্যমে জানাতে চাই আমার বিধানসভা সমষ্টির মধ্যে ৪টি এইচ এস স্কুল আছে। আলগাপুর পাব্লিক এইচ এস স্কুল, মোহনপুর এইচ এস স্কুল, জানকিচরন এইচ এস স্কুল অন্নদাচরন বালিকা এইচ এস স্কুল। সভাপতি মহোদয় আমার সমষ্টির যে ৪ টি এইচ এস স্কুল আছে, তার প্রতিটি স্কুলে কমপক্ষে হাজারের উপরে ছাত্রছাত্রী আছে। কিন্তু দেখা গেছে বিগত কয়েক বছরে যেখানে এক হাজারের উপরে ছাত্র আছে, সেই স্কুলে শিক্ষকের হার ১২,১৪ জন। কমপক্ষে ১৫টা থেকে ২০টা শূন্য পদ রয়েছে প্রতিটি স্কুলে। তাই আমাদের ছেলে মেয়েদের লেখাপড়ার খুব অসুবিধা হচ্ছে। তাই আমি আপনার মাধ্যমে মন্ত্রী মহোদয়কে অনুরোধ করব যে উনি যেন খুব শীঘ্রই এই শূন্য পদগুলো পূরণ করেন। এই স্কুলগুলোতে পরীক্ষার সেন্টার আছে। অনেক স্কুলে গার্ড ওয়ালের প্রয়োজন আছে। সরকার পক্ষ থেকে অনুমতি দেওয়া হয়েছে প্রতিটি সেন্টারে যদি গার্ড ওয়ালে না থাকে তবে পরীক্ষা ব্যবস্থা করা যাবে না। তাই আমি অনুরোধ করছি প্রতিটি স্কুলে গার্ড ওয়ালের ব্যবস্থা করার জন্য। আমার সমষ্টিতে যেগুলো এলপি স্কুল আছে ,প্রতিটি এলপি স্কুলে গরিব মানুষের বাচ্চারা পড়াশোনা করে। কোটিপতি যারা ডাক্তার,ইঞ্জিনিয়ার ওদের ছেলেমেয়েরা বেসরকারি স্কুলে পড়াশোনা করে। কিন্তু অসম সরকার শিক্ষার উপর যে ব্যবস্থা নিয়েছে , আজকের দিনে দেখা যায় যে সরকারি চাকরি পেতে গেলে একমাত্র সুশিক্ষায় শিক্ষিত হতে হবে। ভালো মার্কস পেতে হবে। কিন্তু শিক্ষা জগতের মূল ফাউণ্ডেশন হল সেই এলপি স্কুল। আর সেই এলপি স্কুলে যদি শিক্ষক না থাকে তাহলে বেসরকারি স্কুলের ছাত্রছাত্রীদের সাথে কোন দিনও প্রতিযোগিতা করতে পারবে না। আর ওদের জীবন অন্ধকার

থাকবে।তাই আমি অনুরোধ করব যদি ফাউণ্ডেশন যদি মজবুত না হয় তাহলে সরকারি স্কুলের ছাত্রছাত্রীরা পেছনে পড়ে থাকবে। তাই আমি মন্ত্রী মহোদয়ের কাছে অনুরোধ করব যাতে প্রতিটি এলপি স্কুলে পর্যাপ্ত শিক্ষক দেওয়া হয়। শিক্ষা প্রতিষ্ঠান একটি পবিত্র স্থান।আর সেখানে দেখা যায় অনেক স্কুলেই গার্ড ওয়ালের ব্যবস্থা নাই। তাই স্কুলগুলোর ভেতরে অনায়াসে গরু, মহিষ যাতায়াত করতে পারে এবং নোংরা করে রাখে। তাই আমি অনুরোধ করব যেগুলো স্কুলে গার্ড ওয়ালের ব্যবস্থা নাই সেই স্কুলগুলোতে গার্ডওয়ালের ব্যবস্থা করে দেওয়ার জন্য। আরও যেগুলো সিনিয়র মাদ্রাসা আছে সেই স্কুলগুলোতে

বিগত দশ বছর থেকে ৯জন শিক্ষক আছে আর ৮০০জন ছাত্র আছে। তাই আমি অনুরোধ করব সেই সিনিয়র মাদ্রাসাগুলোতে শিক্ষক নিয়োগ করার জন্য।

মাননীয় সভাপতি মহোদয়, স্বাস্থ্যের বিষয়ে আমি আপনার মাধ্যমে জানাতে চাই, আমার সমষ্টির অধীনে দুটো মডেল হসপিটেল আছে, যেটা কাছাড়ের তাপাং ব্লকে চিবিটা বিচিয়া মডেল হসপিটেল। আর একটা আছে আলগাপুর মডেল হসপিটেল। বিগত দুই বছর আগে কাজ শেষ হয়ে গেছে। সরকার পক্ষ থেকে অনেক ম্যাটেরিয়েলও চলে গেছে। কিন্তু এখন পর্যন্ত সেই হসপিটেলগুলো চালু হয়নি। আমি অনেকবার মন্ত্রী মহোদেয়র সঙ্গে দেখা করেছি এবং তিনি বলেছেন অতি সত্বর চালু হয়ে যাবে। কিন্তু আজ পর্যন্ত চালু হয়নি। তাই আমি অনুরোধ রাখছি যাতে অতি সত্বর এই হসপিটেলগুলো চালু হয়। এবং আমি আরও একটা অনুরোধ রাখব যে আমাদের আলগাপুর মডেল হসপিটেলটি মহম্মদ শহিদুল আলম, ওনার নামে যাতে নামাকরণ করা হয়। সেটা আমি আমার সমষ্টির জনসাধারণের তরফ থেকে অনুরোধ রাখছি যে মহম্মদ শহিদুল আলম চৌধুরীর নামে যাতে নামাকরণ হয়। আমার সমষ্টিতে ৫০শতাংশ সাবসেন্টার আছে যেগুলোর মেরামতি করার প্রয়োজন আছে। কোনও কোনও পি এইচ সি তে ডাক্তার নেই, নার্স নেই সেগুলোতে যাতে অতি সত্বর ডাক্তার নার্সের ব্যবস্থা করে দেওয়া হয়। ডাক্তারদের থাকার মতো কোনও কোয়ার্টার নেই, সেইজন্য কোনও ডাক্তার সেখানে থাকতে চায় না, এবং সেখান থেকে চলে আসে। সেই জন্য আমি বিশেষ অনুরোধ করছি যে প্রতিটি হসপিটালের কাছে ডাক্তার থাকার মতো যেন কোয়ার্টারের ব্যবস্থা করা হয়।

মাননীয় অধ্যক্ষ মহোদয় আমি পি ডব্লু ডি বিষয়ে জানাতে চাই, আপনি জানেন বিগত তিন মাস আগে আমার সমষ্টিতে খুব বড় বন্যা হয়েছিল এবং সেই বন্যায় সমস্ত রাস্তা নষ্ট হয়ে গেছে। অনেক ব্রিজের অ্যাপ্রোচ আছে কিন্তু এখন পর্যন্ত সেই সব রাস্তা বন্ধ আছে। কিছুদিন পর পর আন্দোলন, প্রতিবাদ, অনশন সবসময় চলে আসছে। এই ক্ষেত্রে সরকার যে টাকা দেয়নি তা নয়, সরকার দিয়েছে। কিন্তু বন্যার জন্য সেই টাকা পর্যাপ্ত পরিমাণে হয়নি। তাই আমি সরকারের কাছে অনুরোধ করব যাতে সেই রাস্তাগুলো বানানো হয়।

মাননীয় অধ্যক্ষ মহোদয়, আমি শিল্পের বিষয়ে বলতে চাই যে আমার বিধানসভা সমষ্টির অধীনে একটি পেপারমিল আছে যেটা বিগত আড়াই বছর থেকে বন্ধ আছে।সেই পেপারমিলের কর্মচারীরা না খেয়ে জীবন যাপন করতে হচ্ছে। তাই আমি অনুরোধ করছি সেই কাগজকলটি যাতে আবার পুনরুজ্জীবিত করা হয়।দেশের প্রধানমন্ত্রী গিয়েছিলেন আমার সমষ্টিতে। সেই সভায় লক্ষ লক্ষ মানুষ উপস্থিত ছিলেন। তখন প্রধানমন্ত্রী বলেছিলেন, যদি বরাক ভ্যালিতে আমি পাঁচটি আসন পাই তাহলে আমি পেপারমিলটি পুনরুজ্জীবিত করে দেব। কিন্তু আজ বরাক ভ্যালিতে আটটি আসন

থাকা সত্ত্বেও মিলটি চালু করা হয়নি। আমাদের মুখ্যমন্ত্রী মহোদয় নমামি বরাকে গিয়েছিলেন তিনিও বলেছিলেন যে তিন মাসের মধ্যে কাছাড় পেপারমিল চালু করা হবে। কিন্তু আজ পর্যন্ত মানুষ আশার আলো নিয়ে বসে আছে। কিন্তু এখন পর্যন্ত কোনও ব্যবস্থা নেওয়া হয়নি। কাছাড় পেপারমিলের কর্মচারীরা যারা ছেলেমেয়েদের বাইরে পড়াশোনার জন্য পাঠিয়েছিলেন, বেতন বন্ধ থাকায় ওরা ওদের ছেলেমেয়েদের ঘরে ফিরিয়ে আনতে বাধ্য হয়েছেন। এমনকি অভাবের জন্য নিজেদের ঘরের আসবাব-পত্র বিক্রি করতে বাধ্য হচ্ছেন। তাই আমি অনুরোধ করব কেন্দ্রীয় সরকারের সাথে আলোচনা করে যাতে এই সমস্যার সমাধান করা হয় এবং আবার কাছাড় পেপার মিল ও নগাঁও পেপার মিল পুনরুজ্জীবিত করা হয়। আমি জল সম্পদ মন্ত্রীকে অনুরোধ করব যে বন্যার কারনে আমার সমষ্টির যে ইএনডডি বাঁধ ভেঙেছে,মানুষের হাজার হাজার বিঘা জমি নষ্ট হয়েছে,সেগুলো যাতে মেরামত করে দেওয়ার বব্যস্থা করা হয়। আমার সমষ্টির দুঃখ-দুর্দশার কথা বলার সুযোগ দেওয়ার জন্য আমি আবারও আপনাকে ধন্যবাদ জ্ঞাপন করে বক্তব্য শেষ করছি।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মই সন্মানীয় সদস্য সকলক এটা কথা জনাব বিচাৰিছো যে তেওঁলোকৰ যিখিনি আজিৰ text, সেইখিনি খুউব সোনকালে দিয়াই দিম আৰু তাত যদি কিবা Correction ৰ প্ৰয়োজন আছে, সোনকালে Correction কৰি পঠিয়াই দিব। যাতে এই কথাখিনিত চৰকাৰে ভৱিষ্যতেও পদক্ষেপ লোৱাত সুবিধা হয় আৰু ভালদৰে ৰেকৰ্ড হৈ থাকে। মই এতিয়া বিধায়ক সকলে যিখিনি কথা কৈছে, বিভাগৰ লগত জড়িত থকা সকলো মন্ত্ৰীয়ে সেই সম্পৰ্কত চমুকৈ বক্তব্য দিবৰ বাবে অনুৰোধ কৰিছো আৰু পিচত মন্ত্ৰীসকলে Details ত দিব লাগিব। এতিয়া মাননীয় পৰিক্ৰমা মন্ত্ৰীয়ে ক'ব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, শ্ৰীমতী ৰ'জলীনা তিৰ্কী ডাঙৰীয়ানীয়ে Rule-23 (2) ত বিষয় এটা উত্থাপন কৰিছিল। তেখেতে অসম নাগালেণ্ড সীমান্তক লৈ পাঁচটা প্ৰশ্ন আগবঢ়াইছিল। এই বিষয়টো অতি Sensitive বিষয় আৰু মই Point হিচাপে উত্তৰ আগবঢ়াইছো।

১) ৰাজ্য চৰকাৰে সীমান্ত অঞ্চলত বসবাস কৰা অসমীয়া লোকসকলৰ নিৰাপত্তাৰ দিশটো অতি গুৰুত্ব সহকাৰে লৈছে। এই অঞ্চলত বসবাস কৰা ৰাইজৰ জীৱন সম্পৰ্কে নিৰাপত্তাৰ বাবেই 9 Coy SSB, 10 coy, CRPF আৰু 3 coy Assam Police বেটেলিয়ান অৰ্থ্যাৎ সৰ্বমুঠ -২২ টা Coy নিৰাপত্তা ৰক্ষী সীমান্ত এলেকাত দুষ্কাৰ্য্য ৰোধ কৰা, আইন-শৃঙ্খলা নিয়ন্ত্ৰণ ও নিৰাপত্তাৰ খাতিৰত মোতায়েন কৰা আছে। ইয়াৰ উপৰিও এই অঞ্চল সমূহত তিনিখনকৈ আৰক্ষী থানা স্থাপন কৰা হৈছে। গোলাঘাট জিলাৰ সীমান্ত শাখাত এজন উপ-আৰক্ষী অধীক্ষক নিয়োজিত কৰা হৈছে। যোৱা ২০১৬ চনৰ অক্টোবৰ মাহত অসমৰ মাননীয় মুখ্য মন্ত্ৰীৰ উদ্যোগত অসম আৰু নাগালেণ্ডৰ দুয়ো গৰাকী মুখ্য মন্ত্ৰীৰ মাজত অসমৰ কাজিৰঙাত এখন সভা অনুষ্ঠিত হয়। এই সভাত সিদ্ধান্ত অনুসৰি দুয়োখন ৰাজ্যৰ মাজত সাংস্কৃতিক কাৰ্য্যসূচী আৰু বিভিন্ন ধৰণৰ খেল-ধেমালি অনুষ্ঠিত কৰা হৈছে। তদুপৰি A, B আৰু C চেক্টৰৰ প্ৰতি চেক্টৰতে একোখনকৈ শান্তি কমিটী গঠন কৰা হৈছে। আনহাতে সীমান্ত অঞ্চলৰ শান্তি-শৃঙ্খলা বজাই ৰাখিবৰ বাবে বিভিন্ন পৰ্য্যায়ত সময়ে সময়ে আলোচনা প্ৰক্ৰিয়া অব্যাহত আছে। উভয় পক্ষৰ মাজত সৌহাৰ্দ্যপূৰ্ণ পৰিৱেশ বজাই ৰাখিবৰ বাবে Border Outreach Programme অনুষ্ঠিত কৰি অহা হৈছে।

এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি যে যোৱা ১৬-০১-২০১৮ তাৰিখে নতুন দিল্লীত কেন্দ্ৰীয়

চৰকাৰৰ গৃহ মন্ত্ৰালয়ে বিবাদমান এলেকাৰ পৰিস্থিতিৰ ওপৰত আলোচনাৰ বাবে অসম আৰু নাগালেণ্ডৰ লগত এখন সভা অনুষ্ঠিত কৰে। উক্ত সভাত অন্যান্য বিষয়ৰ বাহিৰেও বিবাদমান এলেকাত আইন-শৃঙ্খলা পৰিস্থিতিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয় আৰু উভয় ৰাজ্যক আলোচনাৰ মাধ্যমেৰে তথা যথাযথ পদ্ধতিৰে আইন-শৃঙ্খলা বজাই ৰাখিবলৈ নিৰ্দ্দেশ দিয়ে। এই সভাত নাগালেণ্ডে বৰ্তমানে বাহাল থকা SOP খনৰ কিছুমান provisions তেওঁলোকৰ বাবে গ্ৰহণযোগ্য নহয় বুলি মত পোষণ কৰে। সেয়েহে নাগালেণ্ড চৰকাৰক SOP খনত বিচৰা পৰিৱৰ্ত্তন সমূহ অসম চৰকাৰ তথা কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাৰ বাবে অৱগত কৰিবলৈ নিৰ্দ্দেশ দিয়ে। সাম্প্ৰতিক নাগালেণ্ড চাৰকাৰৰ ফালৰ পৰা SOP খনত বিচৰা পৰিৱৰ্ত্তন সমূহ পোৱা গৈছে আৰু বিষয়টো বৰ্ত্তমানে অসম চৰকাৰৰ বিবেচনাধীন হৈ আছে। উল্লেখনীয় যে অসম আৰু নাগালেণ্ডৰ সীমা বিবাদ দীৰ্ঘদিনীয়া আৰু দুয়ো ৰাজ্যৰ সীমা বিবাদ লৈ মহামান্য উচ্চতম ন্যায়ালয়ত গোচৰ (Original Suit No.2/1988) চলি আছে। যদিও মহামান্য উচ্চতম ন্যায়ালয়ে এই সীমা বিবাদ নিষ্পত্তিকৰণৰ বাবে Local Commission গঠন কৰি দিছিল। কিন্তু আশানুৰূপ ফল লাভ নকৰাৰ বাবে গোচৰটোৰ বিচাৰ প্ৰক্ৰিয়া আৰম্ভ কৰে। উক্ত গোচৰটোত অসম চৰকাৰৰ সাক্ষ্যদান ইতিমধ্যে সমাপ্ত হৈছে আৰু নাগালেণ্ড পক্ষৰ সাক্ষ্যদান অতি সোনকালে আৰম্ভ হ'ব।

২) ধনশিৰি মহকুমাক আৰক্ষী জিলা হিচাপে ঘোষণা কৰা বিষয়টো বৰ্তমানে চৰকাৰৰ বিবেচনাধীন হৈ থকা নাই।

৩) এ বি আৰু চি চেক্টৰ ডিফু, নামবৰ আৰু ৰেংমা সংৰক্ষিত বনাঞ্চলৰ অন্তৰ্গত। উক্ত অঞ্চলত বন অধিকাৰ আইন, ২০০৬ ৰ (Forest Right Act/2005)অধীনত হে মাটিৰ পট্টাৰ অধিকাৰ দিব পৰা যায়। উক্ত আইনৰ অধীনত সীমাত বসবাস কৰা জনজাতীয় ৩২২৩ লোকক ইতিমধ্যে মাটি পট্টা অধিকাৰ প্ৰদান কৰা হৈছে।

৪) অসম-নাগালেণ্ড আন্তঃ ৰাজ্যিক সীমাৰ অন্তৰ্গত চেক্টৰ A,B,C আৰু ৰ D ৰে-চৰকাৰী গাওঁবুঢ়া সকলক চৰকাৰী কৰণৰ ব্যৱস্থা লৈ থকা হৈছে।

৫) উক্ত সীমান্ত অঞ্চলৰ বাট-পথৰ উন্নতিৰ বাবে MGNREGA আৰু PMGSY আঁচনিৰ অধীনত আঁচনি লৈ থকা হৈছে। বিশুদ্ধ খোৱা পানীৰ বাবে উক্ত অঞ্চলত জনস্বাস্থ্য ও কাৰিকৰী বিভাগৰ বিকল হৈ থকা পানী যোগান আঁচনি সমূহ কাৰ্য্যক্ষম কৰাৰ বাবে সংশ্লিষ্ট বিভাগত ব্যৱস্থা লৈ থকা হৈছে। সীমান্ত অঞ্চলৰ সম্পূৰ্ণ বৈদ্যুতিকৰণৰ বাবে দীনদয়াল উপাধ্যায় গ্ৰামীণ জ্যোতি যোজনা-সৌভাগ্য আঁচনিৰ অধীনত কাম কৰি থকা হৈছে। শিক্ষাৰ ক্ষেত্ৰতো ব্যৱস্থা লোৱা হৈছে। উৰিয়ামঘাট মডেল হস্পিতাল নিৰ্মাণৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে আৰু উক্ত হস্পিতাল কাৰ্য্যক্ষম হ'লে সীমান ্ত অঞ্চলৰ স্বাস্থ্যজনিত সমস্যা বহুখিনি লাঘৱ হ'ব। উল্লেখ ক ৰিব পৰা যায় যে ৰাজ্য চৰকাৰৰ সীমান্ত সুৰক্ষা ও উন্নয়ণ বিভাগৰ দ্বাৰা চলিত বিত্তীয় বৰ্ষৰ বাবে নিম্নলিখিত আঁচনিসমূহ লোৱা হৈছে।

ক) উৰিয়াম ঘাট ৰাজহুৱা পথাৰত ২০ লাখ টকা ব্যয় সাপেক্ষে এখন ৰাজহুৱা প্ৰেক্ষগৃহ নিৰ্মাণ।

খ) ৰেংমা সীমান্ত হাই স্কুলৰ প্ৰাঙ্গণত ২৫ লাখ টকা ব্যয় সাপেক্ষে এখন সাংস্কৃতিক প্ৰেক্ষগৃহ নিৰ্মাণ.।

গ) উভয় ৰাজ্যৰ মাজত সৌহাৰ্দ্যপূৰ্ণ পৰিৱেশ বজাই ৰাখিবৰ বাবে "Outreach Programme" ৰ শিতানত ৫ লাখ টকা ধাৰ্য্য কৰা হৈছে।

ঘ) ইয়াৰ উপৰিও চলিত বৰ্ষত আন্তঃৰাজ্যিক সীমান্তত বজাৰ গৃহ নিৰ্মাণৰো ব্যৱস্থা লোৱা হৈছে।

৬) ১৯৭৯ চনৰ ২৮ জানুৱাৰীত অসম আৰু নাগালেণ্ডৰ মুখ্যমন্ত্ৰী দুয়োৰে মাজত বিবাদমান ভূমিত শান্তি-সম্প্ৰতি আৰু স্থিতাৱস্থা বাহাল ৰখাৰ বাবে চুক্তি সম্পাদন কৰাৰ পিছত এখন SOP প্ৰস্তুত কৰা হয়। উক্ত SOP তথা কেন্দ্ৰীয় গৃহ বিভাগৰ নিৰ্দ্দেশ মৰ্ম্মে নিৰপেক্ষ নিৰপত্তা ৰক্ষী হিচাপে CAPF অৰ্থাৎ SSB, CRPF আদি কেন্দ্ৰীয় বাহিনী নিয়োজিত হৈ আছে। গতিকে অঞ্চলত নিয়োজিত সুৰক্ষা বাহিনীৰ সালসলনিৰ বিষয়টো উভয় ৰাজ্য তথা কেন্দ্ৰীয় চৰকাৰৰ সন্মতি সাপেক্ষ।
৭) পৰ্যাপ্ত অসামৰিক সেৱা বিষয়াৰ উপলব্ধ সাপেক্ষে সীমান্ত অঞ্চলৰ sectorত সীমান্ত দণ্ডাধীশ নিযুক্তি দিয়া হয়। বৰ্তমান এই অঞ্চলত দুজনকৈ সীমান্ত দণ্ডাধীশ নিয়োজিত হৈ আছে। ইয়াৰ A, B, C sectorৰ বাবে শ্ৰী প্ৰাণজিৎ দেৱ, ACS আৰু D sectorৰ বাবে শ্ৰী শ্যামল ক্ষেত্ৰ গগৈ, ACS সীমান্ত দণ্ডাধীশ হিচাপে নিয়োজিত হৈ আছে। অলপতে, উৰিয়াম ঘাটত সীমান্ত দণ্ডাধীশৰ কাৰ্যালয় আৰু আৱাস গৃহ নতুনকৈ নিৰ্মাণ কৰি কাৰ্যক্ষম কৰা হৈছে।
৮) বৰ্তমানৰ গোলাঘাট জিলাৰ সীমান্ত শাখাত এজন উপ-আৰক্ষী অধীক্ষক নিয়োজিত হৈ আছে। অতিৰিক্ত আৰক্ষী অধীক্ষক (সীমান্ত) নিযুক্তি দিয়াৰ ক্ষেত্ৰত বিবেচনা কৰা হ'ব।

এই ৮ টা point তেখেতে দিছিল আৰু চৰকাৰৰ পৰা এই উত্তৰ খিনি দিয়া হ'ল। অধ্যক্ষ মহোদয়, মাননীয় বিধায়িকা ৰ'জলীনা তিৰ্কী ডাঙৰীয়ানীয়ে কৃষি বিভাগৰ ওপৰত এটা প্ৰশ্ন উত্থাপন কৰিছিল কিন্তু কৃষি মন্ত্ৰী অনুপস্থিত থকা বাবে তেখেতৰ হৈ মই উত্তৰ খিনি দি দিছো-

সৰুপথাৰ সমষ্টিৰ মাননীয় বিধায়িকা ৰ'জলীনা তিৰ্কী ডাঙৰীয়ানীৰ গোলাঘাট জিলাৰ ধনশিৰি মহকুমাৰ সৰুপথাৰ সমষ্টিৰ কৃষক আৰু কৃষি ক্ষেত্ৰৰ সৈতে জড়িত কেইটামান গুৰুত্বপূৰ্ণ বিষয় সদনত উত্থাপন কৰাৰ বাবে আমি তেওঁক ধন্যবাদ জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, সমগ্ৰ গোলাঘাট জিলাৰ লগতে ধনশিৰি মহকুমাও কৃষি প্ৰধান অঞ্চল। মাননীয় বিধায়িকা ডাঙৰীয়ানীয়ে উল্লেখ কৰা ধৰণে এই বৃহত্তৰ অঞ্চলটোৰ ধান প্ৰমুখ্যে বিভিন্ন ৰবি শস্য আৰু উদ্যান শস্যৰ খেতিৰ ক্ষেত্ৰত সুনাম আছে। অসমৰ বিভিন্ন জিলাৰ লগতে গোলাঘাট জিলা প্ৰমুখ্যে ধনশিৰি মহকুমা আৰু সৰুপথাৰ বিধান সভা সমষ্টিৰ কৃষক ৰাইজকো কৃষি বিভাগৰ বিভিন্ন আঁচনিৰ জৰিয়তে সুবিধা আগবঢ়োৱা হৈ আহিছে। এই আঁচনিৰ সুবিধা গ্ৰহণ কৰি বহুতো যুৱ কৃষকে উন্নত কৃষি পদ্ধতিৰে অৰ্থনৈতিক স্বাৱলম্বিতা অৰ্জন কৰি নিজকে আজি এগৰাকী আদৰ্শ কৃষক হিচাপে চিনাকী দিব পৰা হৈছে। মাননীয় বিধায়িকা ডাঙৰীয়ানীয়ে অঞ্চলটোৰ কৃষক ৰাইজে এতিয়াও পুৰণিকলীয়া কৃষি পদ্ধতি অৱলম্বন কৰি থকা, উন্নত জলসিঞ্চন ব্যৱস্থাৰ অভাৱৰ কথা, বীজ আদি নোপোৱা ইত্যাদি বিষয় উত্থাপন কৰি তেখেতৰ উদ্বিগ্নতা প্ৰকাশ কৰিছে। এই সন্দৰ্ভত মই মাননীয় বিধায়িকা ডাঙৰীয়ানীক আশ্বস্ত কৰি ক'ব খোজো যে, কৃষক ৰাইজে যাতে পুৰণিকলীয়া কৃষি পদ্ধতি ত্যাগ কৰি উন্নত কৃষি পদ্ধতিৰ জৰিয়তে নিজৰ কৃষি উৎপাদন বৃদ্ধি কৰিব পাৰে তাৰ বাবে বিভাগে বিভিন্ন আঁচনিৰ জৰিয়তে বিভিন্ন শস্যৰ ওপৰত কৃষক প্ৰশিক্ষণৰ সুবিধা আগবঢ়াই আহিছে। ধনশিৰি মহকুমাৰ লগতে সৰুপথাৰ অঞ্চলৰ বিভিন্ন কৃষকে সময়ে সময়ে এই প্ৰশিক্ষণ লৈ নিজৰ পথাৰত প্ৰয়োগ কৰিছে আৰু যাৰ ফলত আজি মাননীয় বিধায়িকা ডাঙৰীয়ানীয়ে কোৱাৰ দৰে অঞ্চলটোৰ কৃষকে ধানকে ধৰি বিভিন্ন শস্যৰ উৎপাদনৰ ক্ষেত্ৰত উল্লেখযোগ্য সফলতা লাভ কৰিছে। অকল সেয়াই নহয়, বিভাগৰ বিভিন্ন আঁচনিৰ অধীনত প্ৰদৰ্শনমূলক খেতিৰ সুবিধা আছে আৰু বিভিন্ন শস্যৰ ওপৰত আগবঢ়োৱা এনে প্ৰদৰ্শনমূলক খেতিৰ জৰিয়তেও সৰুপথাৰ বিধান সভা সমষ্টিৰ সংশ্লিষ্ট কৃষক-হিতাধিকাৰী সকল উপকৃত হোৱাৰ লগতে এনে প্ৰদৰ্শনমূলক

খেতিত ব্যৱহাৰ কৰা আধুনিক কৃষি কৌশলৰ সুফল দেখি এনে পদ্ধতি চুবুৰীয়া কৃষকসকলে নিজৰ পথাৰত ব্যৱহাৰ কৰাৰ বহুতো উদাহৰণ আছে। তেনেদৰে আঁচনি সমূহৰ জৰিয়তে ৰাজহসাহায্যযুক্ত বীজ, সাৰ, কৃষি যন্ত্ৰপাতি আদিৰ সুবিধাও অঞ্চলটোৰ কৃষকে লাভ কৰি আহিছে।

অধ্যক্ষ মহোদয়, মাননীয় বিধায়িকা ডাঙৰীয়ানীয়ে ধনশিৰি মহকুমাত এটা কৃষি বিজ্ঞান কেন্দ্ৰ স্থাপন কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। এই সন্দৰ্ভত মই সদনক অৱগত কৰিব খোজো যে, কৃষি বিজ্ঞাপন কেন্দ্ৰ স্থাপনৰ বিষয়টো সম্পূৰ্ণ ধৰণে ভাৰতীয় কৃষি গৱেষণা পৰিষদ (ICAR) আৰু কেন্দ্ৰীয় চৰকাৰৰ অন্তৰ্ভুক্ত এটা বিষয়। ভাৰতীয় কৃষি গৱেষণা পৰিষদ আৰু কেন্দ্ৰীয় চৰকাৰে সম্প্ৰতি প্ৰতিখন জিলাতে একোটাকৈ কৃষি বিজ্ঞান কেন্দ্ৰ স্থাপন কৰাৰ বাবে লোৱা সিদ্ধান্ত অনুসৰিয়েই গোলাঘাট জিলাৰ খুমটাইত এটি কৃষি বিজ্ঞান কেন্দ্ৰ স্থাপন কৰা হৈছে। সেয়েহে ভাৰতীয় কৃষি গৱেষণা পৰিষদ আৰু কেন্দ্ৰীয় চৰকাৰে যদি অদূৰ ভৱিষ্যতে প্ৰতিখন জিলাত একাধিক কৃষি বিজ্ঞান কেন্দ্ৰ স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰে তেন্তে সেই সময়ত মাননীয় বিধায়িকা ডাঙৰীয়ানীয়ে ধনশিৰি মহকুমাত এটি কৃষি বিজ্ঞান কেন্দ্ৰ স্থাপনৰ বিষয়টো ভাৰতীয় কৃষি গৱেষণা পৰিষদ আৰু কেন্দ্ৰীয় চৰকাৰৰ ওচৰত উত্থাপন কৰিব পৰাৰ থল থাকিব। এই খিনিতে মই উল্লেখ কৰিব বিচাৰো যে, এই কৃষি পদ্ধতিৰ বিষয়ে প্ৰশিক্ষণ দিয়া, বিভিন্ন অঞ্চলত প্ৰদৰ্শনমূলক খেতিৰ ব্যৱস্থা কৰা আদি কাম কৰি আছে। কৃষকৰ পথাৰত পোক-পৰুৱা, বেমাৰ আজাৰ আদি দেখা দিয়াৰ লগে লগে কৃষি বিভাগেও কৃষি বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানীসকলৰ সৈতে যৌথভাৱে পথাৰ পৰিদৰ্শন কৰি সময়োচিত ব্যৱস্থা গ্ৰহণ কৰি আহিছে।

অধ্যক্ষ মহোদয়, মাননীয় বিধায়িকা ডাঙৰীয়ানীয়ে উৎসাহী দৰিদ্ৰ কৃষক সকলক বিনামূলীয়াকৈ ট্ৰেক্টৰ প্ৰদানৰ বিষয় উত্থাপন কৰিছে। এই সন্দৰ্ভত মই জনাব খোজো যে, অসম চৰকাৰে বিনামূলীয়াকৈ নহ'লেও অত্যধিক পৰিমাণৰ ৰাজসাহায্য আগবঢ়াই ৰাজ্যখনৰ কৃষকক ট্ৰেক্টৰ আগবঢ়োৱাৰ এখন অভিলাষী আঁচনি ৰূপায়ণ কৰি আছে। মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত অসমৰ ২৬ হাজাৰ খন ৰাজহ গাঁৱৰ প্ৰতিখনৰে একোটাকৈ হিতাধিকাৰী গোটক ৭০% ৰাজসাহায্য (সৰ্বাধিক ৫.৫ লাখ টকা) ৰে একোখন ট্ৰেক্টৰ আৰু ইয়াৰ সৈতে আনুসংগিক কৃষি সঁজুলি আগবঢ়োৱাৰ ব্যৱস্থা কৰা হৈছে। প্ৰথম পৰ্যায়ত এখন ৰাজহ গাঁৱৰ পৰা মাথো এখন আবেদন পত্ৰ লাভ কৰা ৮,৮২২ টা হিতাধিকাৰী গোটলৈ ট্ৰেক্টৰ বিতৰণৰ কাম চলি আছে। এনে বৃহৎ পৰিমাণৰ ৰাজসাহায্যৰ জৰিয়তে ইমান বৃহৎ ট্ৰেক্টৰ কৃষকলৈ আগবঢ়োৱাৰ উদাহৰণ ভাৰতবৰ্ষৰ অন্য ৰাজ্যত নাই। মাননীয় বিধায়িকা ডাঙৰীয়ানীক মই জনাব বিচাৰো যে ধনশিৰি মহকুমাৰ অন্তৰ্ভুক্ত ৰাজহ গাঁও সমূহৰ ভিতৰত ২৮ খন গাঁৱৰ কোনো কৃষক গোটে উক্ত আঁচনিৰ অধীনত ট্ৰেক্টৰ বিচাৰি আবেদন পত্ৰ জমা দিয়া নাই। যদিহে এই গাওঁ সমূহৰ পৰা কৃষক গোটে ট্ৰেক্টৰ বিচাৰি আবেদন কৰে তেন্তে তেওঁলোককো আমি বিভাগীয় নীতি-নিয়মৰ অধীনত এই আঁচনিৰ জৰিয়তে সামৰি ল'ব পাৰিম। ইয়াৰ ফলত সৰুপথাৰ বিধান সভা সমষ্টি, ধনশিৰিৰ মহকুমা বা সমগ্ৰ গোলাঘাট জিলাৰেই কৃষি ক্ষেত্ৰত এটা যোগাত্মক প্ৰভাৱ পৰিব।

অধ্যক্ষ মহোদয়, এইখিনিতে মই কৃষি বিভাগে কৃষি যান্ত্ৰিকীকৰণৰ সুবিধা কৃষকৰ দুৱাৰ-দলিত আগবঢ়োৱাত সহায়ক হোৱাকৈ গ্ৰহণ কৰা এখন বিশেষ আঁচনিৰ বিষয়ে জনাব বিচাৰিছো। খুব সোনকালে ৰূপায়ণৰ বাবে হাতত লোৱা আৰু ৰাজ্যখনত প্ৰথমবাৰৰ বাবে গ্ৰহণ কৰা এই আঁচনি খনৰ জৰিয়তে এটা কৃষি যন্ত্ৰপাতি নিৰ্মাণ কৰা প্ৰতিস্থানে কৰ্পৰেট সামাজিক দায়বদ্ধতা বা Corporate Social Responsibilities আঁচনিৰ অধীনত কৃষকৰ প্ৰয়োজনৰ ওপৰত

ভিত্তি কৰি মাটি চহ কৰিবলৈ নিৰ্ধাৰিত নিৰিখত ট্ৰেক্টৰ ভাড়াত পোৱাৰ লগতে কালটিভেটৰ, ৰোটাভেটৰ, Plough, Seed drill আদিকে ধৰি বিভিন্ন আনুসংগিক কৃষি সঁজুলিৰ সেৱা আগবঢ়াব। ইয়াৰ বাবে এটা নিৰ্দিষ্ট Web portal থাকিব আৰু আগ্ৰহী কৃষকে ইয়াত নিজৰ নাম পঞ্জীয়ন কৰিব লাগিব। ডিজিটেল পদ্ধতিৰ জৰিয়তে আগবঢ়োৱা এই সেৱা কৃষি-যন্ত্ৰৰ মালিক-কৃষকৰ লগতে অন্যান্য কৃষকেও লাভ কৰিব। বিষয়টো ঠিক আমাৰ পৰিবহন ব্যৱস্থাৰ সৈতে জড়িত OLA বা UBER সেৱাৰ দৰেই। ইয়াৰ বাবে মোবাইল ফোনেৰে কৃষকে Web portal ত যোগাযোগ কৰাৰ পাছত নিৰ্দিষ্ট সময়ত কৃষক গৰাকীয়ে বিচৰা নিৰ্দিষ্ট যন্ত্ৰবিধ কৃষক গৰাকীৰ পথাৰত উপলব্ধ হ'ব।

অধ্যক্ষ মহোদয়, মাননীয় বিধায়িকা ডাঙৰীয়ানীয়ে ধনশিৰি মহকুমাৰ লগতে সৰুপথাৰ সমষ্টিত জলসিঞ্চনৰ অসুবিধাৰ কথা প্ৰকাশ কৰিছে। এই সন্দৰ্ভত মই জনাব বিচাৰো যে, কৃষি বিভাগে নাবাৰ্ডৰ অৰ্থসাহায্যত গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন আঁচনিৰ অধীনত ৰাজসাহায্যৰ জৰিয়তে অগভীৰ নলীনাদৰ সৈতে ৬০ হাজাৰটা ডিজেল চালিত, ৩০ হাজাৰটা বিদ্যুৎচালিত আৰু ১১ হাজাৰটা সৌৰশক্তি চালিত পাম্পচেট কৃষকলৈ আগবঢ়োৱাৰ বাবে এখন অভিলাষী আঁচনি গ্ৰহণ কৰিছে। এই আঁচনিৰ জৰিয়তে ৭৫% ৰাজসাহায্যৰে অগভীৰ নলীনাদৰ সৈতে ৪ অথবা ৫ অশ্বশক্তিযুক্ত ডিজেলচালিত পাম্পচেট, ৭৫% ৰাজসাহায্যৰে অগভীৰ নলীনাদৰ সৈতে ২ অশ্বশক্তিযুক্ত বিদ্যুৎচালিত পাম্পচেট, ৮৫ % ৰাজসাহায্যৰে সৌৰশক্তি চালিত পাম্পচেট আৰু ৮৫% ৰাজসাহায্যৰে পানীৰ চৌবাচ্চা (Water Reservoir) নিৰ্মাণৰ বাবে সুবিধা আগবঢ়োৱা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** আপুনি synopsis টো দিলে ভাল।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** হয়, অধ্যক্ষ মহোদয়। Water Harvesting tank ৰ কথা উল্লেখ কৰিছে আৰু সেই সমস্যাও দূৰ কৰিব পাৰিলে। গতিকে অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক গৰাকীয়ে যিখিনি কথা কৈছে, সেইখিনি কৃষি বিভাগৰ ফালৰ পৰা দিয়া হৈছে।

ইয়াৰ উপৰিও মাননীয় বিধায়িকা গৰাকীয়েও তেতিয়া কৈছিল যে, তেখেতৰ সমষ্টিতো Water Resource ৰ সমস্যা আছে। গতিকে মই মাননীয় Water Resource Minister ক ইতিমধ্যে অৱগত কৰিছো যে আপোনাক visit কৰাৰ কাৰণে অনুৰোধ কৰিছে আৰু মন্ত্ৰী মহোদয়েও visit কৰিম বুলি কৈছে। আন এগৰাকী বিধায়কে কাগজ কলৰ ওপৰত কথা কৈছিলে।

**মাননীয় অধ্যক্ষ ঃ** হয়, এইটো Industry ওপৰত শ্ৰী নিজামুদ্দিন চৌধুৰীৰ প্ৰশ্ন।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** পাচঁগ্ৰাম পেপাৰ মিলৰ কথাটো ক'ব বিচাৰিছো। অধ্যক্ষ মহোদয়, HPC অধীনত সমগ্ৰ ভাৰতবৰ্ষত মুঠ ৪ টা মিল আছিল। এটা কেৰেলাত, এটা নাগালেণ্ডৰ তুৰীত, এটা নগাওঁত আৰু আনটো আছিল কাছাৰৰ পাচঁগ্ৰামত। ইতিমধ্যে নীতি আয়োগে কেৰেলাৰ মিলটো বন্ধ কৰি দিছে। নাগালেণ্ডৰ মিলটোত কোনো production নহয়। এই মিলকেইটা ২০১৪ চনত বন্ধ হৈ গ'ল। বন্ধ হোৱাৰ কাৰণটো হ'ল যে নগাওঁ পেপাৰ মিলটোৱে যিখিনি income কৰে , সেই টকাৰেই কাছাৰ আৰু নাগালেণ্ড পেপাৰ মিল কেইটা চলি থাকে আৰু কলিকতাৰ Head Office চলে। Definately তাত financial constraint আছে।

তাৰ উপৰিও অধ্যক্ষ ডাঙৰীয়া, অসমৰ বাঁহৰ উপৰিও ত্ৰিপুৰা আৰু মিজোৰামৰ পৰা ইয়াত বাঁহ আহে। মিজোৰামৰ পৰা অহা বাঁহ টোৰ নাম মুলি বাঁহ। ২৪ বছৰৰ cyclic order

ত এই বাঁহটো মৰি যোৱা কাৰণে মিজোৰামৰ পৰা আমিবাঁহটো নোপোৱা হলো। প্ৰায় ৪০ শতাংশ বাঁহ আমাৰ মিল কেইটালৈ আহিছিল আৰু ত্ৰিপুৰাত তেওঁলোকৰ নিজৰেই ডাঙৰ ডাঙৰ বাঁহৰ industryগঢ়ি উঠা কাৰণে তেওঁলোকে আমাৰ বাঁহ দিব নোৱাৰা বুলি কলে। এই মিলকেইটা তথাপিও আমি চলাই আছিলো মেঘালয়ৰ পৰা কয়লা লৈ। কিন্তু মেঘালয়ত NGT ৰ order মতে কয়লা খনন বন্ধ হৈ যোৱাৰ পাছত মিল দুটা বন্ধ হৈ যোৱাৰ পথত আগবাঢ়িল। ইয়াৰ পাছতো হাইদৰাবাদৰ পৰা কিছু কাঠৰ chips আনি মিল দুটা কিছু পৰিমানে চলোৱা হৈছিল। কিন্তু এইটো viable নহ'ল আৰু অৱশেষত ২০১৪ চনত মিলকেইটা সম্পূৰ্ণকৈ বন্ধ হ'ল। যেতিয়া আমাৰ চৰকাৰ গঠন হ'ল আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই Heavy Industries Minister ৰ ডাঙৰীয়াক এখন চিঠি দিছিল 14 july 2016 . তাৰ পিছত মই নিজেও গীতে ডাঙৰীয়াক খোলাৰ এখন চিঠি দিছিলো মিল দুটা সম্পৰ্কত। আমাৰ Additional Chief Secretary ডাঙৰীয়াও তেওঁক এই সম্পৰ্কত এখন চিঠি দিছিলে। অৱশেষত গীতে ডাঙৰীয়াৰ পৰা যোৱাকালি এখন চিঠি পালো।

**শ্ৰী কমলেক্ষ্য দে পুৰকায়স্থ ঃ** চিঠিখনত কি আছে?

**Speaker :** If you have anything, you address to me. Don't address the Minister directly. Minister is not bound to give any answer to anybody.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** আমি mill কেইটা revive কৰাৰ কাৰণে চেষ্টা কৰি আছো। প্ৰায় ১৯০০ কোটি টকা তাৰ বাবে লাগিব আৰু সেইমতে আমি ১৯০০ কোটি টকাৰ cabinet proposal বনাই cabinet ত লৈ গ'ল। কিন্তু cabinet গৈ পোৱাৰ আগতেই যেতিয়া PM House লৈকে গ'ল, তেতিয়া এজন ঠিকাদাৰ যিজনে পইচা পোৱা নাই তেওঁ case কৰি দিলে। এইটো দুমাহ আগৰ কথা। NCLT Court ত তেওঁ case কৰিলে। NCLT Court এ direction দিলে Heavy Industry Ministry আৰু PM ক যে contractor এ যে পইচা পোৱা নাই। What is the status of these two mill? তেনেকে কোৱাৰ পাছত PM Office ৰ পৰা opinion বিচাৰিলে। তেতিয়া আমি আৰু HPCয়ে একেলগে বহি কলো যে আমাৰ যিহেতু এখন cabinet memorendum preparation ত আছে আৰু millটো revival ৰ process ত আছে, contractor সমূহৰ পাবলগীয়া পইচা সমূহ তেওঁলোকে পাব। এনেকে HPC ক এটা case কৰিবলৈ দিয়া হ'ল আৰু শুনানি চলি আছে। যোৱাকালি এখন চিঠি Heavy Industry Ministry পৰা মোলৈ আহিছে। চিঠিখনত লিখিছে regarding the issue of (1) revival of HPCL, (2) proposal regarding revival of HPCL which also includes providing budgetary support for payment of outstanding salaries of the employees is under consideration .(3)Meanwhile as you are aware, NCLT has ordered insolvency resolution proceedings under IBC on 13/6/2018. the resolution professional has been appointed and Committee of the Creditors has been constituted . An appeal has been filed in NCLT and therefore the further action will be guided by the provision of the IBC.

গতিকে অধ্যক্ষ ডাঙৰীয়া আমি এইটোত আশাবাদী।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কেশৱ মহন্ত ডাঙৰীয়া ।

**শ্ৰী কেশৱ মহন্ত ডাঙৰীয়া, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি মই যিখন notice পাইছিলো, সেইখনৰ মতে মৰাণ আৰু সৰুপথাৰ সমষ্টিৰ বিধায়ক কেইগৰাকীয়ে water resource ৰ ক্ষেত্ৰত কিছু কথা দাঙি ধৰিছে। নিজামুদ্দিন ডাঙৰীয়াৰ পৰাও কিছু কথা water resource ত আহিছে যদিও তেওঁ আগতীয়াকৈ কোনো notice দিয়া নাছিলে।

**মাননীয় অধ্যক্ষ ঃ** পাৰিলে আপুনি নিজামুদ্দিন ডাঙৰীয়াৰ কথাটো cover কৰিব, নোৱাৰিলে নালাগে।

**শ্ৰী কেশৱ মহন্ত ডাঙৰীয়া, মন্ত্ৰী ঃ** মই কথাখিনি এটা সমষ্টি হিচাপে ক'ব বিচাৰিছো। আমাক প্ৰথমতে চক্ৰ গগৈ ডাঙৰীয়াই যিটো কৈছিলে তেখেতৰ মৰাণ সমষ্টিৰ বিষয়ে তাৰ কথা কওঁ। মৰাণৰ মূল নৈ খনে হৈছে বুঢ়ী দিহিং। এই নৈ খন পাটকাই পৰ্বতৰ পৰা ওলাই প্ৰথমতে মাৰ্ঘেৰিটা পাইছে। মাৰ্ঘেৰিটা পাইছে, তাৰ পিছতে আহি তিনিচুকীয়া, ডিব্ৰুগড়, লাহোৱাল, নাহৰকটীয়া, মৰাণ হৈ থাওঁৰা শিৱসাগৰত দিহিং মুখ। গতিকে আটাই সমষ্টি চুই আহিছে আৰু তেখেত সকলৰ তাত এতিয়া আটাই কেইজন বিধায়কৰে একে ধৰণৰ সমস্যা আছে। তাতে মৰাণত কিছু সমস্যা বাঢ়িছে, সেই বঢ়া সমস্যাৰ ভিতৰত চেচা নদীখন হৈছে বুঢ়ি দিহিংৰ এখন উপ-নদী, সেইখন মৰাণত পৰে। গতিকে এই চেচাৰ তিনিচুকীয়া জিলাৰ পানীতোলা অঞ্চলৰ ওচৰত এইখন বুঢ়িদিহিঙৰ পৰা ওলাইছে। এইটো ইয়াত কেইটামান সৰু জান লগ লাগি মিলিত হৈ চেচামুখত আহি এই নদীখন পৰিছে। গতিকে এই চেচাৰ অঞ্চলত তেখেতৰ মথাউৰিৰ সমস্যা আছে। মথাউৰিৰ সমস্যাটো সৰু সুৰা নহয়, ডাঙৰ সমস্যা। গতিকে ইয়াত তলাখোৱা চেচা ৰিং বান্ধ বুলি এটা ৰিং বান্ধ আছে। মই বান্ধটোৰ কিছু অংশ চাবলৈ ইয়াৰ আগতে গৈছো। কিন্তু তাত গৈ দেখিছো যে এইটো জৰাজীৰ্ণ অৱস্থাত আছে । এইবাৰ **২৫** কোটি টকাৰ এটা প্ৰকল্প প্ৰস্তাৱ কৰি এইখিনি SOPD ত দিয়া হৈছিল, য'ত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই হস্তক্ষেপ কৰিছিল আৰু এইটো তেখেতৰে নহয় কেইবাটাও সমষ্টিৰো আছিল। এই কথাটোৰ ইতিমধ্যে প্ৰক্ৰিয়া বহুখিনি আগবঢ়াইছো। কিন্তু সেই প্ৰক্ৰিয়া মতে আগবঢ়াৰ স্বত্বেও আমাৰ SD ত আশা কৰিছিলো আৰু দিয়া হৈছিল। সেই মতে এই কথাটো অহা নাই পুনৰ Fund টো sanction কৰিবলৈ চেষ্টা কৰিছো। কেৱল Fund sanction ৰ কামটো আগবাঢ়িব লাগে। বাকী কাম আগবঢ়াই থৈছো, মানে বাকী প্ৰক্ৰিয়াটো আমি আগতে কৰি থৈছো। এইটো পালে tender কৰিব পাৰিম। গতিকে tender পৰ্য্যায়ত আছে। তাৰ পিছত মই আটাইকেইজন বিধায়কৰ কাৰণে কবলৈ বিচাৰিছো যে বুঢ়ি দিহিংত গোটেই resource management আৰু বুঢ়ি দিহিং basin এই বুলি **৬৫৮** কোটি টকাৰ এটা প্ৰকল্প প্ৰস্তুষ্ট কৰা হৈছে। ইয়াৰ ফলত গোটেই বুঢ়ি দিহিং খনে নিয়ন্ত্ৰন হোৱাই নহয়, আমাৰ ডিব্ৰুগড় সমষ্টিৰ বুঢ়ি দিহিংৰ লগত ছয়টা সমষ্টি আৰু বাকী থাওঁৰা গোটেই খিনি হ'ব। এইটো World Bank ৰ লগত আমি যুজি আছো। ইয়াৰ প্ৰকল্পটো এতিয়া Central CWC ত আছে। CWC য়ে কিছু তদন্ত কৰিছে, তাক আমি মীট কৰিছো আৰু ইয়াত আমি তেওঁলোকৰ investment clearance পালে যিটো **১৫,০০০** কোটি টকা World Bank ৰ পৰা পাব লগা আছে, তাত এইটো প্ৰকল্প সোমাই দিবলৈ বিচাৰি থকা হৈছে। কিন্তু World Bank এতিয়ালৈকে বৰ বেছি সন্মত হোৱা নাই। তেওঁলোকে Tributory কে প্ৰধান নদীত কাম কৰিবলৈ ইচ্ছা কৰে। হলেও আমি বুঢ়ি দিহিংৰ এই প্ৰকল্পটো কৰো ডিব্ৰুগড় আৰু তিনিচুকীয়াৰ বানপানীৰ বিষয়টো, ব্ৰহ্মপুত্ৰত

আমি যিটো এটা বেলেগ dyke কৰি আছো, ব্ৰহ্মপুত্ৰৰ dyke টো যদি বগী বিলৰ ওচৰলৈকে আহি যায় । এই বাৰ কিছু ফেৰমাৰিব পৰা হ'ব, হলেও আমি তিনিচুকীয়া আৰু ডিব্ৰুগড়ৰ, শদিয়া বাদ দি বহুখিনি সমস্যা সমধান হ'ব আৰু বানপানী হয়তো তাতে সম্পুৰ্ণভাৱে নিয়ন্ত্ৰন হ'ব। গতিকে এইখিনি কথাৰ ইয়াৰ ওপৰিও তেখেতক অন্যান্য কিছুমান আঁচনি দিয়া হৈছে। তেখেতে ব্যক্তিগত ভাৱে জানে। বগীবিল আইঠানত DTP dyke আৰু ডিব্ৰুগড় town protect dyke নগাঘুলিৰ মথাউৰিৰ যিটো অংশ পৰ্য্যায়ক্ৰমে নিৰ্মাণ কৰি আহি আছো আৰু ব্ৰহ্মপুত্ৰ মথাউৰি ৰেলুৱে কতৃপক্ষ বগীবিল ৰেলুৱে মথাউৰি নিৰ্মাণৰ বাবে হস্তান্তৰ কৰা হৈছে। বগীবিলৰ আইঠান অঞ্চলৰ **১৬** খন গাওঁ ৰক্ষা কৰাৰ উদ্যেশ্যে **১৯৯০** চনত যিটো DRDA দ্বাৰা **১৪** কি.মি দৈৰ্ঘ্যৰ এটা ৰিং বান্ধ নিৰ্মাণ কৰা হৈছিল। গতিকে মথাউৰিৰ design সঠিক নোহোৱাৰ বাবে ইয়াৰ পাৰ ইতিমধ্যে ভাগি আছে। গতিকে এই ক্ষেত্ৰত আমি বগীবিল আইঠান ৰিং বান্ধ বুলি এটা আঁচনি লৈছো। এই আঁচনিটো **২০১৮-১৯** বৰ্ষৰ SOPD ৰ শিতানত অন্তৰ্ভুক্ত কৰিবৰ কাৰণে প্ৰেৰণ কৰা হৈছে। আমাৰ মাননীয় বিধায়ক শ্ৰী চক্ৰধৰ গগৈ এই বিষয়ত বোধকৰো মোতকৈও বেছিকৈ জানি আছে। মই আনুষ্ঠানিক ভাৱে এইখিনি কথা ইয়াত দাঙি ধৰিলো।

এতিয়া মাননীয় বিধায়িকা শ্ৰীমতী ৰোজলিনা তুৰ্কী, তেখেতসকলৰ সমস্যা যথেষ্ট আছে, সমস্যাৰ মাজতে এইবাৰ বৃহৎ সমস্যা কৰি দিলে যে NEPCO য়ে এৰি দিয়া পানী। NEPCO ৰ পানীয়ে অকল তেখেতৰ সমষ্টিতে নহয়, আমাৰ গোলাঘাটৰ সন্মানীয় বিধায়িকা ডাঙৰীয়ানীও যোৱা কালি এটা বিষয় আনিছিল **৩০১** ত, কিন্তু নহ'ল । সেই মতে আমি কিছু কথা কোৱাৰ প্ৰস্তুতিতো আহিছিলো, যদিও সেই কথাখিনি আগ নাবাঢ়িল। গতিকে সমগ্ৰ গোলাঘাট জিলাৰ সৰুপথাৰ সমষ্টি, গোলাঘাট সমষ্টি, খুমটাই সমষ্টিত এই বাৰ NEPCO ৰ পানীয়ে বিধস্ত কৰিছে। মই তথাপিও বাকীখিনি কথা বিষয়টোৰ ভিতৰত পৰা নাই, মই কেৱল সৰু পথাৰ সমষ্টিৰ কব বিচাৰিছো। সৰু পথাৰ সমষ্টিত যথেষ্টখিনি গড়াখহনীয়া আছে, কিছু আঁচনি তাত ইতিমধ্যে ৰূপায়ন কৰা হৈছে যেনে **১.৭০** কোটি টকাৰ মৰমী ৰাজহ চক্ৰৰ অন্তৰ্গত দিখুটিৰ মুখত যোৱা বছৰ SDRF ৰ পৰা ৰূপায়ন কৰা হৈছে। ইয়াৰ ওপৰিও SDMA ৰ তিনিখন আঁচনি প্ৰেৰণ কৰা হৈছে। এই তিনিখন আঁচনি Flood damage river ধনশীৰি SDRF ৰ এই বছৰ প্ৰক্কলণৰ মুল্য **৩.১৯** কোটি টকাৰ এখন আঁচনি, **৪.৮৪** কোটি টকা এখন আঁচনি আৰু **৬২** লাখ টকাৰ, তাৰ ওপৰিও ইতিমধ্যে চাৰিখন আঁচনি তৎকালীন মাহববীয়া ব্যৱস্থা কৰিবৰ কাৰণে যোৰহাটত দূৰ্য্যোগব্যৱস্থাপনা প্ৰাধিকৰণ দ্বাৰা অনুমোদিত হৈছে। তাতো **৪.৯৩** কোটি টকাৰ এখন আঁচনি আছে, **৪.৯৫** কোটি টকাৰ এখন আঁচনি আছে, **৪.৯৮** কোটি টকাৰ এখন আঁচনি আছে আৰু **২৫.৩৯** লাখ টকাৰ আঁচনি আছে। ইয়াৰ ওপৰি **৫.১৫** কোটি টকাৰ এখন মুল আঁচনি কাৰীকৰি উপদেষ্টা সমিতিক অনুমোদন কৰা হৈছে। গতিকে মাননীয় বিধায়িকা গৰাকীয়ে যিখিনি কথা কৈছে সেইখিনি প্ৰক্ৰিয়াৰ ভিতৰত আছে। এখন আঁচনি ৰূপায়ন হৈছে, বাকী তিনিখন আচঁনি গুৱাহাটীৰ প্ৰক্ৰিয়াত আছে। গতিকে ইয়াত পুঁজি অনুসাৰে অনুমোদন হ'ব, কিন্তু এইবাৰ তাত গুৰুত্ব দিব লগা আছে কাৰণ এই বছৰ তাত ক্ষয়-ক্ষতি বেছি হৈছে । গতিকে priority ত এই কথা খিনি আগবঢ়াম। লগতে আমাৰ সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে তেখেত যোৱাৰ কথা কৈছে আৰু আমাক parliament affairs Minister য়ে কৈছে যে তেখেতে যোৱাৰ কথা কৈছে। তেখেতৰ লগত আলোচনা কৰি মই যিকোনো এটা দিনত তালৈ গৈ চৰজমিন কৰি আহিম, আৰু তেখেতে ক্ষয় ক্ষতিৰ কথাও কৈছিল। ক্ষয়ক্ষতিৰ হিচাব মই ৰেভিনিউ বিভাগৰ পৰা আনি থৈছো। যদি প্ৰয়োজন হয়, কব পাৰো। কিন্তু

ক্ষয়ক্ষতিৰ কথাত তেখেত নিজে involve. বিধায়ক হিচাবে মইয়ো তালৈ যাওঁতে, বানপানী হৈ থাকোতে আটাইখিনি কথা তেখেত সকলে দেখিছে, ৰিলিফ বা আন সকলো কামখিনি। সেই কাৰণে সেইখিনি আৰু ইয়াত পুনৰ ব্যাখ্যা দিবলগীয়া কথা নহয়। আৰু বাকীখিনি কামৰ ক্ষেত্ৰত আমি priority ভিত্তিত আমি আগবাঢ়িম। আৰু আপুনি মোক কলে যে Water Resource টো আপোনাৰ নটিচত দিয়া নাছিল। বৰাক উপত্যকাত এইবাৰ যেতিয়া বানপানী হৈছিল, তেতিয়া আপোনালোকৰ ঠাইত পোন প্ৰথমে মই গৈছিলো। তাৰ পিচত অফিচাৰ সকল গৈছিল। তাৰ পিছত মুখ্যমন্ত্ৰী আৰু মই একেলগে গৈছিলো। সেইটো ৮-১০ দিনৰ ভিতৰত আমি ৩ বাৰ গৈছো। তাৰ বানপানীটো এইবাৰ অস্বাভৱিক বানপানী হৈছিল। মিজোৰামৰ পৰা যিটো পানী আহিছে সেইটো পানী অহা নাই, চুনামী আহিছে এইবাৰ। চুনামীৰ নিচিনা এফালৰ পৰা সকলো ধ্বংস কৰি নিছে। এই ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ১০০ কোটি টকা বৰাক উপত্যকাৰ কাৰণে তাতে ঘোষণা কৰি আহিছে। তাৰোপৰি বৰাক উপত্যকাৰ সকলো বিধায়কৰ লগত মই যোগাযোগ ৰাখিছো, আৰু বৰাক উপত্যকাৰ যি কেইটা ডিভিজন, ৪টা ডিভিজন তাৰ বিষয়াসকলক সুকীয়া সুকীয়াকৈ মই দুবাৰ ৰিভিউ লৈছো। উচ্চপদস্থ আমাৰ Secretary কে ধৰি বিষয়াসকলক তাত পঠাই। তাত যাতে সকলো কথা চৰজমিন কৰি আহি ইয়াত report বিলাক কৰে। ১০০ কোটি টকাৰ উপৰিও আমি অন্যান্য আৰু আঁচনি তাত লৈছো আৰু সেইখিনি প্ৰক্ৰিয়াৰ মাজত আছে, সেই আঁচনি বিলাক। আপোনাৰ তাতো SDRF ৰ পৰা লোৱা হৈছে। Scheme লোৱা হৈছে। DDM ত পাছ হৈ আহিছে। গতিকে এইখিনি এইবাৰ বৰাক উপত্যকাত priority ত গোটেই কামখিনি লোৱা হ'ব। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই কামখিনি top priority ত আনিছে, এইখিনিৰ ক্ষেত্ৰত। আমি বৰাক উপত্যকাৰ ক্ষেত্ৰত আৰু আমাৰ এটা ডিভিজন মেকানিকেল আছে আৰু Sluice gate, অসমৰ ভিতৰত যদি শ শ Sluice gate আছে, বৰাক উপত্যকাত আছে। সেইখিনিৰ ক্ষেত্ৰত আমি বেলেগ ধৰণে initiative লৈছো। কাৰণ কম পানী হলে, Sluice gate ৰে আমি বাধা দিব পাৰো বা উলিয়াই দিব পাৰো। গতিকে বৰাক উপত্যকাৰ ক্ষেত্ৰত আৰু তেখেতৰ সমষ্টিৰ ক্ষেত্ৰত আমি আঁচনি লৈছো। আৰু এটা কথা অধ্যক্ষ মহোদয়, কৈ থওঁ এইবাৰ মই ইঞ্জিনিয়াৰ সকলক কৈছো, যে বৰাক উপত্যকাৰ প্ৰতিজন বিধায়কৰ ওচৰত গৈ তেখেত সকলক আঁচনিটো অৱগত কৰি দিবলৈ কৈছো। যদি ৪ টা আঁচনি হৈছে, তাৰে এটা দুটা যি কেইটা কৰিব পাৰিলে কোন কেইটা, তেখেত সকলৰ পৰা চহী কৰি আনিব

কৈছো, পিছত যাতে নকয় যেকোন কেইটা তেখেত সকলৰ পৰা চহী কৰি আনিব কৈছো, পিছত যাতে নকয় যে এইটো ঠিকাদাৰে আঁচনি আনিলে, ইঞ্জিনিয়াৰে আনিলে, এনেকুৱা নহয়। এইবাৰ বিধায়ক সকলে দিয়া আঁচনিহে আমি লম। আৰু ১৫ জন বিধায়কৰ ওচৰত গৈ আমাৰ ইঞ্জিনিয়াৰে সকলোৰে চহী লৈ, এই আঁচনি আনিলে। অধ্যক্ষ মহোদয়, মই এইখিনি কথা অৱগত কৰিলো।

**মাননীয় অধ্যক্ষ ঃ-** ধন্যবাদ। Minister forest and Environment চক্ৰধৰ গগৈৰ কিবা এটা বিষয় আছিল।।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানিত সদস্য চক্ৰধৰ গগৈ ডাঙৰীয়া মৰান সমষ্টিৰ সৰ্ম্পকিত উন্নয়নৰ কাৰনে কিছু কথা আলোচনা কৰিবলৈ গৈ আমাৰ বিভাগৰ কিছুমান কথা কৈছে তথা গুৰুত্বপূৰ্ন কথা কৈছে। তেওঁ হাতী মানুহৰ সংঘৰ্ষৰ কথা কৈছে। আজি তেওঁ যিটো সমস্যাৰ বিষয়ে উত্থাপন কৰিলে তাৰ বিষয়ে কোৱাৰ আগতে, এই যে হাতী মানুহৰ সংঘৰ্ষ, এই বিষয়ত মই ভাবো, মাননীয় অধ্যক্ষ মহোদয়, যে কথাটো অলপ সলনি কৰিব লাগে।

মানুহ আৰু হাতীৰ সংঘৰ্ষ বুলি কব লাগে। মই এইটোৰেই কৈছো যে হাতীয়ে নিজাববীয়াকৈ মানুহৰ লগত সংঘৰ্ষ কৰিববলৈ অহা নাই। হাতী আমাৰ কাৰণে এক উপযোগী জন্তু আছিল। যুদ্ধ বিগ্ৰহৰ পৰা আদি কৰি হাতীয়ে মানুহক সহায় কৰি থাকে। আমি তেওঁলোকৰ ঘৰবাৰী, আমাৰ মাননীয় বিধায়ক বন্ধুৱে কৈছে যে deforestation কৰি আমি শেষ কৰিলো। শেষ কৰাৰ কাৰণে, আপোনালোকে জানে যে মৰান সমষ্টি অৰুণাচলৰ ফালৰ পৰা যেতিয়া এইফালে হাতী আহে, তেতিয়া হাতী ব্ৰহ্মপুত্ৰত আহিব লাগে। তেতিয়া ব্ৰহ্মপুত্ৰত আগতে যেনেকুৱা স্থিতি আছিল, খুব Natural force ত হাতী পানীত যাব লাগে। আগতে যি স্থিতি আছিল সেই স্থিতি এতিয়া নাই। আহোতে naturaly কোনো কোনো ঠাইত কিবা সংঘৰ্ষ হয়। ঠিক তেনেকৈ, সিহঁতে বিচৰন কৰা সকলোখিনি ঠাই আমি নষ্ট কৰিলো। আমি মানুহেই এই কামখিনি কৰিছো। আমি হয়তো দখল কৰিলো বা বনাঞ্চল ধ্বংস কৰিছো কাৰণেই সংঘৰ্ষ হৈছে। যিহেতু তেওঁ কৈছে এই কথাৰ উত্তৰত মই কব পাৰো যে লৰুৱা মৌজাৰ ৫ টা পঞ্চায়ত এলেকা ডিব্ৰুগড় বন সংমণ্ডলৰ খোৱাং ডিব্ৰুগড় বনাঞ্চলিক কাৰ্য্যালয়ৰ অৰ্ন্তগত উক্ত এলেকা সমুহত যোৱা কেই বছৰ মানৰ পৰা হাতীৰ উপদ্ৰপ হোৱাটো একেবাৰে সচাঁ কথা। কিন্তু বনৰীয়া মহৰ দ্বাৰা ক্ষতি হোৱা তথ্য বন বিভাগে এতিয়ালৈকে পোৱা নাই। হাতীৰ উপদ্ৰৱ হোৱা অঞ্চল সমুহত বিভাগে যাবতীয় ব্যৱস্থা লৈ আহিছে। যোৱা তিনিটা বৰ্ষত ২০১৫-১৬-১৭ আৰু ২০১৭-১৮ বৰ্ষত বন্যহস্তীৰ দ্বাৰা হোৱা ক্ষতিপূৰণ ৰূপে ৫,৯৩,৪৯৪টকা প্ৰদান কৰা তথ্য চৰকাৰলৈ পঠোৱা হৈছে। তদুপৰি প্ৰতি বছৰে গাওঁসমুহত বিভিন্ন ধৰণৰ সামগ্ৰী যেনে, টৰ্চ লাইট, ফটকা, কেৰাচিন তেল, পোৰা ম'বিল আদি বিতৰণ কৰা হৈছে। এইটো বৰ্ষত উক্ত অঞ্চলত ৮ খনকৈ উপদ্ৰৱ প্ৰতিৰোধী বাহিনী গঠন কৰা হৈছে, লগতে হাতী বিৰোধী সৌৰচালিত বেৰ দিয়াৰ ব্যৱস্থা কৰা হৈছে। আশা কৰা হৈছে যে এই ব্যৱস্থা সমুহৰ জৰিয়তে চলিত বৰ্ষত হাতীৰ উপদ্ৰৱৰ ক্ষেত্ৰত ৰাইজে যথেষ্ট সকাহ দিব পাৰিব। বন্যহস্তীৰ দ্বাৰা হোৱা ক্ষতিৰ পৰিমান ১৬-১৭ ত ৫২৩ বিঘা শস্য আৰু ৭ টা বাসগৃহ ধ্বংস কৰিলে, ১৭-১৮ ত ৫৯১ বিঘা শস্য আৰু ৩ টা বাসগৃহ ব্যক্তিআহত হৈছে। বন্যহস্তীৰ মৃত্যুৰ তালিকা মই আগতেঁও কৈছো যে কেতিয়াবা সংঘৰ্ষত মৃত্যু হৈছে। ২০১৫-১৬ ত মৃত্যু হোৱা নাছিল। ২০১৬-১৭ ত দুটা পোৱালী প্ৰাকৃতিক কাৰণে মৃত্যু হৈছিল। কিন্তু এটা বিদুৎ পৰিবহী তঁাৰত লাগি মৃত্যু হৈছে। ১৭-১৮ চনত ঠিক তেনেকৈ বিদুৎ পৰিবহী তাঁৰত লাগি মৃত্যু হৈছে। এইটো এটা সাংঘাটিক কথা। এতিয়া আমাৰ জনপথ বাঢ়িছে। এতিয়া মানুহে বিভিন্ন ঠাইত জনপথ আৰম্ভ কৰিলে ঘৰবাৰী বান্ধিলে যেতিয়া দেখা যায় যে হাতী আহে। বিভিন্ন ঠাইত আমি দেখিছো যে কিবা কৰি আমি বিদ্যুৎ পৰিবাহী তাঁৰবিলাক দি দিয়ে। তেতিয়া আমাৰ বিভাগৰ ক্ষমতা নাই যে ক'ত ক'ত পেলাই থয় সেইটো আমি চাব নোৱাৰো। মানুহে এই কামখিনি কৰি আছে, এই জঘন্য কাম বিলাক কৰি আছে। সেই কাৰণে দুটা হাতীৰ ইয়াতে প্ৰাণ গৈছে। এই ক্ষেত্ৰত আমি আপোনাৰ সমষ্টি আৰু লগতে গোটেই অসমত যিবিলাক হাতীৰ সংঘাট চলি আছে, এইটো শেষ কৰাৰ কাৰণে আমি কিছুমান Permanent nature of work হাতত লৈছো। স্থায়ী সমাধানৰ কাৰণে হাতীৰ উপযোগী বনাঞ্চল সৃষ্টিৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আমাৰ চৰকাৰ অহাৰ পাছতে আমি আৰম্ভ কৰিছো। চলিত বিত্তীয় বৰ্ষত ৰাজ্যিক শিতানত অৰক্ষয় প্ৰাপ্ত বনাঞ্চল সমুহৰ উন্নতিকৰণৰ বাবে ১০ কোটি টকা ধাৰ্য্য কৰা হৈছে। তদুপৰি বিগত বৰ্ষ সমুহত হাতীৰ উপযোগী বিভিন্ন স্থানীয় প্ৰজাতিৰ বৃক্ষৰোপন কৰি হাতীৰ খাদ্য আৰু বাসস্থানৰ উন্নতিকৰণৰ চেষ্টা অব্যাহত আছে। এই ক্ষেত্ৰত আমি চাৰিদুৱাৰ বনাঞ্চলত, ১৭৫ হেক্টৰ মাটি আমি লৈছো, বিহালী বনাঞ্চলত ৫০ হেক্টৰ লৈছো, লামডিং বনাঞ্চলত

২৫ হেক্টৰ টঙৰাকাটা বনাঞ্চলত ২০ হেক্টৰ, লাটুমাৰি বনাঞ্চলত আৰু ২০ হেক্টৰ এই বছৰ আমি লৈছো যাতে আমি ইয়াতে বনাঞ্চল সৃষ্টি কৰি হাতী যাতে ইয়াৰ পৰা ওলাই আহিব নোৱাৰে, তাৰ কাৰণে এটা ব্যৱস্থা লৈ আছো। মই ভাবো এই ব্যৱস্থা লোৱাৰ পাছতো আৰু আমাৰ লব লাগিব। লোৱাৰ পাছতো আৰু কিছুমান টাইম লাগিব। কাৰণ আকৌ যদি ৰাজপদুলি গঢ়ি নুঠে, তেনেহলে চলি থাকিব। মাননীয়া শ্ৰীমতী ৰোজলীনা তিৰ্কী মহোদয়াই বন বিভাগৰ কিছু কথা কৈছে, যেতিয়া গড়াখহনীয়া, বানপানী হয়, বনাঞ্চলতো পানী হয় আৰু তেতিয়া বনাঞ্চলত থকা মানুহখিনিহে কষ্ট পায়।কথাটো সচাঁ। কিন্তু বান সাহাৰ্য্য আৰু বিভিন্ন আবাসকালীন সাহাৰ্য্য জিলা উপায়ুক্তৰ তত্বাবধানত দিয়া হয়। বন বিভাগক জিলা উপায়ুক্তৰ নিৰ্দ্দেশক্ৰমে জীৱ-জন্তু উদ্ধাৰ কাৰ্য্য আৰু ৰাইজৰ উদ্ধাৰ অভিযানত সহায় কৰে। বনাঞ্চলত বাসকৰা লোকসকল যেতিয়া বানপানী বা গড়াখহনীয়াত আক্ৰান্ত হয় তেনে ক্ষেত্ৰত জিলা উপায়ুক্ত আৰু দুৰ্য্যোগ প্ৰশাসন বিভাগে যাৱতীয়া সাহাৰ্য্য আগবঢ়ায়। এইক্ষেত্ৰত বন বিভাগে আগতীয়াকৈ যিমানখিনি পাৰে,জীৱ-জন্তু আৰু সেই মানুহখিনিৰ উদ্ধাৰৰ কাম চলাই থাকে। কিন্তু আমি নিজে বান সাহাৰ্য্য দিয়াৰ ব্যৱস্থা আমাৰ বিভাগত নাই।সেই কাৰণে আমি দিব নোৱাৰো। কিন্তু আমি জিলা উপায়ুক্তৰ লগত লগ-লাগি যিমানখিনি পাৰো সহায় কৰো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় গড়কাপ্তানী মন্ত্ৰী। কথাখিনি যিমান পাৰে ব্ৰীফ কৰিলে আমাৰ ভাল হ'ব। কাৰণ ডিটেইল্‌চ উত্তৰ এটা সদস্য সকলে পাবই।

**শ্ৰী তপন কুমাৰ গগৈ,গড়কাপ্তানী মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি Members Hours শিতানত মৰাণ সমষ্টিৰ সন্মানীয় বিধায়ক শ্ৰীচক্ৰধৰ গগৈ ডাঙৰীয়াই গড়কাপ্তানী বিভাগৰ ওপৰত বিস্তৃতভাৱে মৰাণ সমষ্টিৰো চুকে-কোণে বহু সমস্যা আছে, আমি উপলদ্ধি কৰো। কাৰণ যিহেতু বানপানী হোৱা সমষ্টি, সেই সমষ্টিটোৰ ৰাস্তা-ঘাট দলঙকে আদি কৰি সকলো জৰাজীৰ্ণ হৈ আছে, কথাটো আমি উপলদ্ধি কৰিছো। তেখেতে তাত যিকেইটা কথা উল্লেখ কৰিছে যে, চেচা নদীৰ ওপৰত এখন দলংৰ কথা কৈছে কাৰণ দুটা ৰাস্তা সেই দলংখন সংযোগ কৰি দুয়োটাৰ দুয়োপাৰ যি ৰাস্তা নিৰ্মাণ কৰিবৰ বাবে দলংখন সংযোগ কৰিবৰ কাৰণে তেখেতে উল্লেখ কৰিছিল।দিহিং নদীৰ ওপৰত দলং নিৰ্মাণ কৰি দুয়োপাৰৰ ৰাইজৰ উপকাৰ হোৱাকৈ ব্যৱস্থা গ্ৰহণ কৰিবৰ কাৰণে কথাখিনি উল্লেখ কৰিছিল। আমি গড়কাপ্তানী তৰফৰ পৰা চেচা কলাখোৱাৰ পৰা শিৱসাগৰ জিলাৰ নিতাই পুখুৰীলৈকে দিহিংৰ ওপৰত সেঁতু নিৰ্মাণসহ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী 2 Lane বিশিষ্ট ৰাস্তা নিৰ্মাণ কৰাৰ বাবে কোনো প্ৰকল্প এতিয়ালৈকে অনুমোদন কৰা হোৱা নাই। কাৰণ আমি জানো যে সেইটো খুৱ দৰকাৰী ৰাস্তা।কিন্তু এতিয়ালৈকে যিহেতু তাত কোনো ধৰণৰ অনুমোদন এতিয়া দিয়া হোৱা নাই, এই কথাখিনি আমি অৱগত কৰিলো। চেচা নদীৰ ওপৰত কলাকোৱাৰ পৰা যিখন দলংৰ কথা কৈছে,বগীবিল চৰাইহাবীলৈকে। ৰাইদঙীয়া আলিক নতনকৈ নিৰ্মাণ কৰাৰ বাবে।এইখিনিৰ ক্ষেত্ৰতো কোনো ধৰণৰ নতুন আঁচনি গ্ৰহণ কৰা নাই।মৰাণ বিধান সভা সমষ্টিতো এটা ডাঙৰ সমষ্টি আৰু এই সমষ্টিটোত অন্যান্য ৰাস্তা-ঘাট আছে, অন্যান্য দলং নিৰ্মাণ কৰিবলগীয়া আছে।সেই কাৰণে এইবাৰ SOPD শিতানত মৰাণ সমষ্টিটোৰ বাবে আমি ৩৫ টা ৰাস্তাৰ ৬৫.৮৪৩ কিলোমিটাৰ আমি সিদ্ধান্ত লৈছো কাৰ্য্যকৰী কৰিবৰ কাৰণে SOPD ত আৰু ইয়াৰ বাবে মুঠ ৩৫ কোটি টকাৰ প্ৰাক্কলন প্ৰস্তুত কৰা হৈছে আৰু এই টকা আমি কেইদিনমানৰ ভিতৰতে এইখিনি মুকলি কৰি দিম। অনুমোদন হৈছে সেই কথাখিনি অৱগত কৰিলো আৰু মহাবীৰ লাচিত আৰু চিলাৰায় সেতু আমি যি আঁচনি লৈছো এই আঁচনিত আমি চাৰিখন দলং নিৰ্মাণ কৰিবৰ কাৰণে NEBARD

ৰ পৰা ইতিমধ্যে ২৯-০৮-২০১৮ তাৰিখে আমি অনুমোদন পাইছো আৰু এই চাৰিখন দলং মৰাণ সমষ্টিৰ ভিতৰত য'ত ইতিমধ্যে অনুমোদন কৰা হৈছে।সেই কাৰণে এই কথাকেইটা আপোনালোকক অৱগত কৰিলো। এইকাম অতি সোনকালে আমি আৰম্ভ কৰাৰ ব্যৱস্থা কৰি আছো। তদুপৰিবানপানীত যিবিলাক ৰাস্তা ক্ষতিগ্ৰস্ত হৈছে আৰু ইয়াৰ পাছত আমাৰ যেতিয়া পুঁজি আহিব, পুঁজি সাপেক্ষে সেইখিনি কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিম।তাৰ লগে লগে মোৰ গড়কাপ্তানী বিভাগৰ তৰফৰ পৰা আৰু এটা প্ৰশ্ন আছিল সেইটো হৈছে যে, শ্ৰীনিজাম উদ্দিন চৌধুৰী ডাঙৰীয়াই তেখেতে যোৱা বানপানীত হাইলাকান্দি জিলাৰ আলগাপুৰ বিধান সভা সমষ্টিত যি বানপানী হৈছিল,সেই বানপানীৰ সময়ত যিখিনি ক্ষয়-ক্ষতি হৈছিল, এই সম্পৰ্কত গড়কাপ্তানী বিভাগৰ তৰফৰ পৰা তেখেতে কেইবাটাও উত্তৰ বিচাৰিছে। আমি এই কথাখিনি উপলব্ধি কৰিছো যে, বানপানীৰ সময়ত যোৱাবাৰ বৰাকভেলিত বহুত ক্ষয়-ক্ষতি হৈছিল আৰু এটা বৰ ডাঙৰ বানপানী হৈছিল।সেই কাৰণে যোৱা বানপানীত হাইলাকান্দি জিলাৰ আলগাপুৰ বিধান সভাসমষ্টিৰ ১৬ টা পথৰ খুব বেছিকৈ ক্ষতিসাধন হৈছিল। আৰু এই ক্ষতিগ্ৰস্থ পথৰ তালিকাখন দিয়া হৈছে।এই ক্ষতিগ্ৰস্থ পথকেইটাৰ সাময়িকভাৱ পুনৰ নিৰ্মাণ কৰিবৰ বাবে ১৬ টা পথৰ প্ৰাক্কলন কৰিছো। আৰু DDMA (District Disaster Management) ৰ জৰিয়তে Assam State Disaster Management Authority ৰ যোগেদি ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ অনুমোদনৰ বাবে প্ৰেৰণ কৰা হৈছে।তাৰ অনুমোদন পোৱাৰ লগে লগে এই ৰাস্তাখিনি কাম আমি আৰম্ভ কৰিম।তাৰ লগে লগে আলগাপুৰ সমষ্টিত ১৫ টা নতুন পথ আৰু ৫ খন পকী দলং নিৰ্মাণ কৰিবৰ কাৰণে প্ৰাক্কলনপ্ৰস্তুত কৰা হৈছে।পথ আৰু দলংৰ তালিকা আমি দিছো। আৱশ্যকীয় পুঁজি আবণ্টন সাপেক্ষে পথ আৰু দলংৰ নিৰ্মাণ কাৰ্য্য আৰম্ভ কৰিম আৰু এইখিনি তাত দিয়া হৈছে। আলগাপুৰ বিধান সভা সমষ্টিৰ অন্তৰ্গত ১৫ টা পথৰ পুনৰ মেৰামতিৰ বাবে প্ৰাক্কলন প্ৰস্তুত কৰা হৈছে, পথৰ তালিকা দিয়া হৈছে।সেই কাৰণে যোৱা বানপানীৰ সময়ত যিখিনি ক্ষতিগ্ৰস্ত হৈছে, সেইখিনি আপোনাৰ আমি অৱগত কৰিলো তাৰপৰা যেতিয়া অনুমোদন পাম,সেই অনুমোদন সাপেক্ষে সেই টকাৰে নিৰ্মাণ কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** Thank you. Irrigation Minister.

**শ্ৰী ভৰেশ কলিতা, জলসিঞ্চন মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মৰাণ সমষ্টিৰ সন্মানীয় বিধায়ক শ্ৰীচক্ৰধৰ গগৈ ডাঙৰীয়াই জলসিঞ্চনৰ ওপৰত কেইটামান গুৰুত্বপূৰ্ণ কথা উল্লেখ কৰিছে। তেখেতৰ সমষ্টিত ইতিমধ্যে জলসিঞ্চন বিভাগৰ আঁচনি ৰূপায়ণ হৈ আছে। ডিব্ৰুগড় সংমণ্ডলৰ অধীনস্থ মৰাণ সমষ্টিৰ এলেকাত সৰ্বমুঠ ১৩ টা জলসিঞ্চন আঁচনি আছে। ইয়াৰে ৬টা অগভীৰ নলীনাদ আছে ৫টা গভীৰ নলীনাদ আৰু দুটা আছে তাৰে মুঠ ৯ টা আঁচনি বৰ্তমান সক্ষম হৈ আছে আৰু ৪ টা আঁচনি অক্ষম হৈ আছে। আটাইখিনি আঁচনি সক্ষম কৰাৰ কাৰণে ব্যৱস্থা কৰিম। ইয়াৰোপৰিও প্ৰধানমন্ত্ৰী কৃষি সঞ্চয় যোজনাৰ অধীনত তেখেতৰ সমষ্টিত যিহেতু সৰহসংখ্যক খেতিয়ক আছে। সন্মানীয় খেতিয়ক সকলৰ উপকাৰৰ অৰ্থে আৰু তেওঁলোকে যেন আয় দুগুণ কৰিব পাৰে এই মানসেৰে আমি 70.STW আঁচনি লৈছো আৰু অতি শীঘ্ৰে এই আঁচনি ৰূপায়ণ কৰিবলৈ সক্ষম হম।

**মাননীয় অধ্যক্ষ ঃ** Thank you. Public Health Engineering Minister.

**শ্ৰী ৰিহণ দৈমাৰী, জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয়া সদস্যা শ্ৰীমতী

ৰোজলিনা তিৰ্কী ডাঙৰীয়ানিয়ে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ তেখেতৰ সমষ্টিত খোৱা পানীৰ ওপৰত যিখিনি সমস্য,সেই সমস্যাবিলাক সমাধানৰ কাৰণে ৬ টা তেখেতে প্ৰশ্ন উত্থাপন কৰিছিলে। তাৰে প্ৰথমতে আছিলে বৃহত্তৰ ৰংবং পাইপ পানী যোগান আঁচনিখন এতিয়ালৈকে সম্পূৰ্ণ হোৱা নাই। ৰংবং পাইপ পানী যোগান আঁচনিখন যোৱা ২০১৩-১৪ বৰ্ষত NRDWP Quality Sub-mission ৰ দিনত যিটো অনুমোদন হৈছিল, আৰু এতিয়ালৈকে আঁচনিখন শতকৰা ২০ ভাগ কাম সম্পূৰ্ণ হৈছে।বৰ্তমান কামটো নিৰ্মাণ অৱস্থাত বন্ধ হৈ আছে। কাৰণ যোৱা ২০১৬ চনৰ অক্টোবৰৰ ভিতৰত যিবিলাক কাম শতকৰা২৫ ভাগৰ তলত নিৰ্মাণ হৈ আছিলে সেই সকলো প্ৰকল্পবিলাক কেন্দ্ৰীয় চৰকাৰৰ নতুন নীতিনিৰ্দেশনা মতে সেইটো এবাণ্ডন কৰিবৰ কাৰণে কৈছে।ইতিমধ্যে আমি কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি আছো,সেইটো Consider কৰিবৰ কাৰণে যদি কেন্দ্ৰীয় চৰকাৰে সেইটো Consider নকৰে,তেতিয়াহ'লে আমি সেইটো ষ্টেট প্লেনত লব লাগিব।গতিকে আমি চেষ্টা কৰিম। কেন্দ্ৰীয় চৰকাৰে যদি অনুমতি নিদিয়ে তেতিয়াহ'লে ষ্টেট প্লেনত লবৰ কাৰণে চেষ্টা কৰিম। কাৰণ যিহেতু তাত কিছুমান আমাৰ ইতিমধ্যে libilities হৈ গৈছে। তাৰপিছত সৰু পথাৰ বিধান সভা সমষ্টিৰ অধীনত ১২২ খন পাইপ পানী যোগান আঁচনি আছে। তাৰে ভিতৰত ১০৭ খন সম্পূৰ্ণ হৈছে। ১৫খন আঁচনি নিৰ্মীয়মান অৱস্থাত আছে আৰু ১০৭ খন আঁচনিৰ ভিতৰত প্ৰায় ৪০ খন আঁচনি defunct হৈ আছে। গতিকে ১৭-১৮ বৰ্ষত আমি এই বিকল হৈ থকা আঁচনিবিলাক পুণৰ মেৰামতি কৰিবৰ কাৰণে প্ৰতিটো বিধান সভা সমষ্টিত আমি ৩৬ লাখ টকাকৈ দিছিলো। এই ৩৬ লাখ টকাত ৭ খন আঁচনিত সৰুপথাৰ সমষ্টিত লোৱা হৈছিল। ইয়াৰ ইতিমধ্যে দুখন আঁচনি সম্পূৰ্ণ হৈছে। আৰু ইতিমধ্যে বাকী defunct হৈ থকা আঁচনিবিলাক পুনৰ মেৰামতি কৰিবৰ কাৰণে এইবাৰ আমি প্ৰতিটো বিধান সভা সমষ্টিত ৫০ লাখ টকাকৈ পুঁজি নিৰ্ধাৰণ কৰিছো আৰু মই ভাৱো এই টকাৰে আমি কিছু defunct হৈ থকা আঁচনি মেৰামতি কৰিব পাৰিম। ইতিমধ্যে বাকী defunct হৈ থকা আঁচনিখিনি মেৰামতি কৰাৰ কাৰণে এইবাৰ আমি repearing কৰিব পাৰিম। আৰু এতিয়াও বহু অঞ্চল আছে য'ত আমি বিশুদ্ধ খোৱা পানী দিব পৰা নাই। সেই অঞ্চলসমূহতো আমি বিভিন্ন আঁচনিৰ যোগেদি বিশুদ্ধ খোৱা পানী যোগান দিয়াৰ ব্যৱস্থা ইতিমধ্যে কৰিছো। জৰিপ চলাই দমকল স্থাপন কৰিব নোৱাৰা অঞ্চলসমূহ চিনাক্তকৰণ কৰি বিজ্ঞানসন্মত আঁচনিৰ ব্যৱস্থা পৰ্য্যায়ক্ৰমে কৰাৰ ব্যৱস্থা কৰা হৈছে। পানীৰ গুনাগুন যাৱতীয় পৰীক্ষাকৰণৰ ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আমাৰ সৰুপথাৰ সমষ্টিৰ বাবে ভাল এটা খৱৰ যে ইয়াৰ কোনো অঞ্চলত আৰ্চেনিকৰ উপস্থিতি ধৰা পৰা নাই। নতুন আঁচনিৰ ক্ষেত্ৰত আমি এচ ও পি ডি গ্ৰামীন আঁচনিৰ অৰ্ন্তগত লেটেকুজান চাহ বাগিছাত ২৫ লাখ টকা ব্যয়সাপেক্ষে পানী যোগানৰ আঁচনিৰ কাম হাতত লোৱা হৈছে। চিগনেচাৰ প্ৰজেক্টৰ অধীনত দীঘলী পথাৰ পাইপ পানী যোগান আঁচনিখন ২০ লাখ টকা ব্যয় সাপেক্ষে ডিজেলচালিত কৰাৰ বাবে কাম কৰাৰ ব্যৱস্থা কৰা হৈছে। তাৰ উপৰিও বাগিছাসমূহত জৰিপ চলাই ৰাজ্যিক পুঁজিৰ অধীনত নতুন পানী যোগান আঁচনি গ্ৰহণৰ ব্যৱস্থা কৰি থকা হৈছে। গোলাঘাট জিলাত ২০১৪ চনৰ পৰা গাওঁ তথা জিলা পৰ্য্যায়ত নানাধৰণৰ সজাগতা কাৰ্য্যসূচী হাতত লোৱা হৈছে । ইয়াৰ লগতে স্বাস্থ্য আৰু স্বাস্থ্য সম্পৰ্কীয় , বিশুদ্ধতা পৰিবেশ আৰু পৰিবেশ সম্পৰ্কীয় সম্পূৰ্ণ বিষয়ৰ ক্ষেত্ৰত বিশেষ সজাগতাৰ কাৰ্য্যসূচীসমূহ পৰিসৰৰ ভিতৰত ১৫ চেপ্টেম্বৰ, ২০১৮ ৰ পৰা লোৱা হৈছে আৰু কাৰ্য্যসূচীসমূহ ২ অক্টোবৰ, ২০১৮ পৰ্য্যন্ত অব্যাহত থাকিব। স্বাস্থ্য সেৱা সৰ্ন্দভত ৮ খনকৈ গাওঁৰ মুঠ ৬৪ টা কাৰ্য্যসূচী ইতিমধ্যে সম্পূৰ্ণ কৰা হৈছে তদুপৰি ৬০০ টা অঙ্গনবাদী কেন্দ্ৰ চিনাক্ত কৰা

হৈছে। জিলা পানী আৰু অনাময় সমিতি, সমাজকাল্যাণ বিভাগ, আৰু স্বাস্থ্য বিভাগৰ যুটীয়া সচিৱৰ যোগেদি স্বাস্থ্য অনাময়ৰ কাৰ্য্যসূচী হাতত লোৱ া হৈছে। প্ৰয়োজনীয়তাৰ ওপৰত ভিত্তি কৰি ৰৈ থকা ঠাইসমূহ চিনাক্ত কৰি বিশেষ সজাগতাৰ ব্যৱস্থা পৰ্য্যায়ক্ৰমে গ্ৰহণ কৰা হ'ব ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, Minister , Education

**শ্ৰীপল্লৱলোচন দাস , ৰাজ্যিক মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীনিজামুদ্দিন চৌধুৰী ডাঙৰীয়াই আলগাপুৰ বিধানসভা সমিষ্টি সন্দৰ্ভত পৰীক্ষা কেন্দ্ৰ সমূহ আৰু বিদ্যালয়ৰ বাউণ্ডেৰী নিৰ্মান সম্পৰ্কে তেওঁ জানিব বিচাৰিছে আৰু কি ধৰণে পদক্ষেপ গ্ৰহণ কৰিছে সেই সম্পৰ্কে কথাখিনি ক'বলৈ বিচাৰিম। মাননীয় অধ্যক্ষ মহোদয় আমাৰ যিমান পৰীক্ষা কেন্দ্ৰ আছে গোটেই অসমত - মুঠ কেন্দ্ৰ আছে - কাউন্সিলৰ অন্তৰ্গত-৮৬০ আৰু সেৱাৰ অন্তৰ্গত- ৮৫৩ খন কেন্দ্ৰ আছে। তাৰে ভিতৰত আমাৰ কেন্দ্ৰসমূহ হ'বৰ বাবে যিখিনি মানদণ্ড নিৰ্দ্ধাৰণ কৰা হৈছে তাৰ ভিতৰত বাউণ্ডেৰী ৱাল বাধ্যতামূলকভাৱে নিৰ্মাণ কৰিব লাগিব। সেই বাউণ্ডেৰী ৱাল নিৰ্মাণ কৰাৰ কাৰণে চৰকাৰে কিছু পদক্ষেপ গ্ৰহণ কৰিলে যে, কোনো স্পৰ্শকাতৰ বিদ্যালয়ত আমি এইয়া বিচাৰিম। সেই স্পৰ্শকাতৰ বিদ্যালয় হিচাপে ২৮২ খন বিদ্যালয় আমি জিলাৰ পৰা পালো। সেইখিনি নিৰ্মাণ কৰিবৰ বাবে আমি চৰকাৰৰ পৰা ২৩ কোটি টকা অনুমোদন পালো। সেই ২৩ কোটি টকাৰ ইতিমধ্যে ১৬ কোটি টকা ৰিলিজ কৰিছো। তেখেতৰ আলগাপুৰ বিধান সভা সমষ্টিৰ ভিতৰত ২ খন বিদ্যালয় তাত সন্নিবিষ্ট কৰা হৈছে। এখন হৈছে Algapur public Higher Secondary School আৰু এখন হৈছে- জানকীছাৰা হায়াৰ চেকেণ্ডেৰী স্কুল । হাইলাকান্দি জিলাত ১০ খন ৰ কাৰণে আৰু ২খন আপোনাৰ বিধান সভা সমষ্টিত ইতিমধ্যে আমি টকা দিছো । এই টকাখিনি আমি এফ এম ডি চিক দিয়া হৈছে। এফ এম ডি চিৰ সভাপতি আৰু এফ এম ডি চিৰ হেড মাষ্টৰ বা প্ৰিঞ্চিপাল হেডৰ তেখেতৰ জইন্ট একাউন্টত টকাখিনি দিয়া হৈছে আৰু তেখেতসকলে গোটেই নিৰ্মানকাৰ্য্য কৰিছে। আৰু সেইখিনি যিহেতু vigilance Committee ত উত্থাপন কৰিব পাৰে । গতিকে সন্মানীয় বিধায়ক গৰাকীও তাৰ সদস্য তেখেতে সেই বিষয়খিনি কেনেকৈ হৈছে সেইখিনি তদাৰক কৰিব পাৰে। খুব কম দিনৰ ভিতৰত কামখিনি কৰাৰ যাতে ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। তাৰ ওপৰিও তেখেতে কৈছে বহু এনেকুৱা বিদ্যালয় আছে য'ত ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষকৰ সংখ্যা কম। আমি rationalise কৰিবলৈ যাওতে বহু ধৰণৰ অসুবিধা আমাৰ হৈছে । কাৰণ আমি নতুন শিক্ষক নিযুক্তিৰ প্ৰক্ৰিয়া আমি আৰম্ভ কৰিছো কিন্তু কোৰ্টত কেচ থকা কাৰণে আমি নিযুক্তি প্ৰক্ৰিয়াটো শেষ কৰিব পৰা নাই। সেই কাৰণে কেচটো কোৰ্টত থকা কাৰণে নিযুক্তি প্ৰক্ৰিয়াটো স্থবিৰ হৈ আছে । Court যেতিয়া verdict আহিব তাৰ পিচত আমি নিযুক্তি প্ৰক্ৰিয়াটো আৰম্ভ কৰিম। তেতিয়া আমি ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক নিযুক্তি দিব পৰা যাব । ঠিক তেনেধৰণে এটা পদক্ষেপ গ্ৰহণ কৰিছো । নিজৰো এটা Service Rule কৰাৰ ব্যৱস্থা আমি কৰিছো । আমাৰ ইয়াত যাতে পলিচি এটা হ'ব পাৰে তাৰ কাৰণে আমি নতুন এখন Service Rule কৰাৰ বাবে বিভাগে পদক্ষেপ গ্ৰহণ কৰিছে। এতিয়া কেনেকৈ transfer কৰিব পাৰো , কেনেকৈ কামখিনি কৰিব পাৰো বা প্ৰচেছখিনি কেনেকৈ আগবঢ়াব পাৰো তাৰ কাৰণেও চৰকাৰে পদক্ষেপ গ্ৰহণ কৰি আছে তাৰ ওপৰিও আপোনালোকে জানে যোৱাবাৰ প্ৰাথমিক আৰু মাধ্যমিক পৰ্য্যায়ত গুনোৎসৱ , আয়োজন কৰা হ'ল। আমি গুণোৎসৱ জৰিয়তে বহু দোষ-গুণ উলিয়ালো। যিখিনি দোষৰ আধাৰত এতিয়া আমি বিত্ত বিভাগৰ পৰা অনুমোদন পাইছো। গ্ৰামীণ আন্ত গাঁথনি হওঁক বা অন্যান্য যিখিনি দোষ থাকি গৈছে সেইখিনি কেনেকৈ নিৰাময় কৰিব

পৰা যাব তাৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব। ঠিক তেনেধৰণে এইবাৰ অক্টোবৰ মাহৰ পৰা আমি উচ্চ মাধ্যমিক পৰ্য্যায়তো গুণোৎসৱ পাতিম। এই গুনোৎসৱ আয়োজন কৰিলে বহু এনেকুৱা বিদ্যালয় পাম যিখিনি বিদ্যালয়ত হয়তো আমি নতুন ধৰণে শিক্ষক নিযুক্তি হওক বা আন্তগাথনি হওক অন্যান্য কামখিনি কৰাৰ প্ৰয়োজনীয়তা আহিব। সেইখিনি পৰৱৰ্ত্তী পৰ্য্যায়ত নিশ্চিতভাৱে বিধায়কসকলক লগত লৈ আমি কামখিনি কৰিম। ঠিক তেনেকৈ তেখেতে মাদ্ৰাছাৰ কথাটোও উল্লেখ কৰিছে। মাদ্ৰাছাসমূহৰ ক্ষেত্ৰত আমি বিভাগীয় তথ্যত পাইছো ইতিমধ্যে **১৬** টা কেচ মাদ্ৰাছাৰ বিপক্ষে চলি আছে। কোৰ্টত কেচ থকাৰ কাৰণে আমি মাদ্ৰাছাৰ নিযুক্তি প্ৰক্ৰিয়াটো গ্ৰহণ কৰিব পৰা নাই। তাৰ কাৰণেও আমি গোটেই process টো আৰম্ভ কৰি আছো । বিভাগে গোটেই বিষয়খিনি চাই আমি যিকোনো বেকৰাৰ্ড ঠাই কেনেকৈ আগবঢ়াই লৈ যাব পৰা যায় চৰকাৰে এই বিষয়ে কেইবাটাও পদক্ষেপ গ্ৰহণ কৰিছে। আমি পৰৱৰ্ত্তী পৰ্যায়ত বিশেষভাবে আমি চাম আপোনাৰ যদি বিশেষভাবে কিবা থাকে সেইখিনিও আপোনালোকক জনাম। কিন্তু আমি কিছুমান Court Case ৰ কাৰণে শিক্ষক নিযুক্তি দিব পৰা নাই কিন্তু অন্যান্য বাকীখিনি কাম কৰিবৰ কাৰণেও বিভাগৰ ফালৰ পৰা যিখিনি পদক্ষেপ ল'ব লগা আছে সেই গোটেইখিনি কৰিছো। আৰু ভবিষ্যতে আপোনালোকৰ পৰামৰ্শ লৈ শিক্ষা বিভাগে আৰু নতুন কিবা কৰিবলগীয়া থাকিলে নিশ্চিতভাবে সেইখিনি কাম আমি আগবঢ়াম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। Minister, Health

**শ্ৰীপীযুষ হাজৰিকা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়। আলগাপুৰ সমষ্টিৰ মাননীয় বিধায়ক নিজামুদ্দিন চৌধুৰী ডাঙৰীয়াই স্বাস্থ্য বিভাগৰ ক্ষেত্ৰত কেইটামান প্ৰশ্ন উত্থাপন কৰিছে। তেখেতে কৈছে যে তেখেতৰ সমষ্টিত ২ খন Model Hospital আছে। এখন হৈছে Algapur Model Hospital হস্পিটেল আৰু এখন চিকিতা -বেচীয়া মডেল হস্পিটেল । এই Model Hospital দুখনৰ কাম সম্পূৰ্ণ হৈছে আৰু ইতিমধ্যে তাত Doctor, Nurse, Technician , pharmacist নিযুক্তি হৈছে। অধ্যক্ষ মহোদয়, আলগাপুৰ মডেল সমষ্টিত ইতিমধ্যে ৫ জন ডাক্টৰ, ৬ গৰাকী ষ্টাফ নাৰ্ছ, ২ গৰাকী ফাৰ্মাচিষ্ট, ২ গৰাকী টেকনেচিয়ান আৰু চিকিতাভেটীয়া মডেল হস্পিটেলত বৰ্ত্তমান ৪ জন ডাক্টৰ, ৫ গৰাকী নাৰ্ছ, ৩ গৰাকী ফাৰ্মাচিষ্ট আৰু ১ গৰাকী টেকনিচিয়ান। অধ্যক্ষ ঢাঙৰীয়া এইটো কথাও হয় যে, আমি আনুষ্ঠানিকভাৱে এই মডেল হস্পিটেল দুখন এতিয়ালৈকে আৰম্ভ কৰা হোৱা নাই কিন্তু Algapur Model Hospital ৰ চৌহদতে আলগাপুৰ বি পি এইচ চিখন চলি আছে। আৰু চিকিতাবেচীয়া মডেল হস্পিটেলখন একে চৌহদতে এখন এম পি এইচ চি চলি আছে আৰু হস্পিটেলৰ তৰফৰ পৰা বা স্বাস্থ্য বিভাগৰ তৰফৰ পৰা চিকিৎসা সেৱা আগবঢ়াই থকা হৈছে। তেখেতে কৈছে যে, তাত ডাক্টৰ নাই নাৰ্চ নাই কিন্তু তাত গোটেইখিনি আছে। সদস্য গৰাকীয়ে আৰু এটা প্ৰশ্ন কৰিছে যে, হস্পিটেল দুখনত গাৰ্ড ৱাল নাই। কিন্তু Algapur
Model Hospital ত চৌহদত পকী বেৰ ইতিমধ্যে নিৰ্মাণ কৰা হৈছে। মাটি সম্পৰ্কীয় বিবাদৰ কাৰণে এটা সৰু অংশত নিৰ্মানৰ কাম সম্পূৰ্ণ হোৱা নাই তাতো কাম চলি আছে। ক্ষেত্ৰ পৰিদৰ্শনমৰ্মে সদ্যহতে গাৰ্ডৱালৰ প্ৰয়োজন নাই যদিও পাহাৰীয়া এলেকাৰ বাবে পৰৱৰ্ত্তী সময়ত গাৰ্ড ৱালৰ ব্যৱস্থা কৰা হ'ব। আৰু এটা প্ৰশ্ন কৰিছে যে নাৰ্ছ আৰু ডাক্টৰ থকাৰ ব্যৱস্থা নাই। অধ্যক্ষ ডা ঙৰীয়া মই আপোনাক জনাব বিচাৰিছো যে, আলগাপুৰ মডেল হস্পিটেল ৪ টা ডাক্টৰ- নাৰ্চৰ কোৱাৰ্টাৰ ইতিমধ্যে আছে । আৰু চিকিতাভেটীয়া মডেল হস্পিটেল চৌহদত এখন M P H C চলি

আছে।

ক্ষেত্ৰ পৰিদৰ্শন মৰ্মে সদ্যহতে guard wallৰ প্ৰয়োজন নাই, যদিও পাহাৰীয়া এলেকা হোৱাৰ বাবে পৰৱৰ্তী সময়ত প্ৰয়োজন হ'লে guard wallৰ ব্যৱস্থা কৰা হ'ব। তেখেতে আৰু এটা প্ৰশ্ন কৰিছে যে নাৰ্চ আৰু ডাক্তৰৰ থকা ব্যৱস্থা নাই। অধ্যক্ষ ডাঙৰীয়া, মই আপোনাক জনাব খুজিছো যে আল্লাপুৰ মডেল হস্পিটালৰ একে চৌহদত মই ইতিমধ্যে কৈছো যে মডেল হস্পিটাল দুইখনৰ চৌহদত আল্লাপুৰ BPHC আৰু চিবিকা বিচিয়া MPHC দুয়োখনতে আল্লাপুৰ মডেল হস্পিটালত ৪ টা ডাক্তৰ আৰু নাৰ্চৰ Quarter ইতিমধ্যে আছে আৰু চিবিকা বিচিয়া MPHC তো বৰ্তমান ৪ টা Quarter আছে। তেখেতে আৰু এটা কৈছে যে Sub-centre সমূহ বিকল, এই কথাষাৰত অলপ আমাৰ স্বাস্থ্য বিভাগৰ যি আমাৰ উত্তৰ আছে বা আমাৰ যি তথ্য আছে, সেই কথাটো একেবাৰে সত্য নহয়। তাত আল্লাপুৰ সমষ্টিত ৩০ টা Sub-centre বৰ্ত্তমান চলি আছে আৰু তাতে বিভিন্ন ৰোগীয়ে ইতিমধ্যে বিভিন্ন ধৰণৰ সা-সুবিধা পাই আছে। গতিকে আৰু যদি কিবা থাকে, মই মাননীয় সদস্য গৰাকীক অনুৰোধ জনাইছো, তেখেত যাতে মোৰ ওচৰত আহি যোগা-যোগ কৰে, নিশ্চয়কে কি ব্যৱস্থা ল'ব পাৰি আমি ব্যৱস্থা হাতত ল'ম আৰু যিকেইখন মডেল হস্পিটালৰ কথা তেখেতে কৈছে আনুস্থানিক ভাৱে আমি অতি সোনকালে আৰম্ভ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** Thank you. আমি এনেই ভাৰিছিলো যে Member Hours ৰ সময় ১.৩০ ঘন্টাত শেষ কৰিব পাৰিম, কিন্তু সময় প্ৰায় ২ ঘন্টাই লাগি যায়। তথাপি মই ভাৰিছো বহুতৰে বিধান সভাৰ সমষ্টিৰ মূল কথাবিলাক উত্থাপন কৰাৰ বাবে সুযোগ নাথাকে, সেইবাবে এইটো কৰা হৈছে আৰু আপোনালোকে সহযোগ কৰাৰ কাৰণে ধন্যবাদ জনাইছো। আমাৰ সকলোকে, আগতেও যি সকলে উত্থাপন কৰিছিল তেওঁলোকৰ কিছুৰে উত্তৰ পোৱা নাই, কাৰণ যোৱাবাৰ আমি সময় দিব নোৱাৰিলো। আজি আমি যিখিনি উত্তৰ পাইছো, সেইখিনিৰ এটা আমি Approvalও আপোনালোকলৈ পঠিওৱাৰ ব্যৱস্থা কৰিম, যাতে কিবা থাকিলে আপোনালোকে Concern Minister ৰ লগত কথা পাতিব পাৰে। যোৱা কালিৰ স্থগিত সংকল্প প্ৰস্তাৱলৈ যোৱাৰ আগত মই এটা Ruling দিম বুলি কৈছিলো, মই Ruling টো এতিয়া পঢ়ি দিব বিচাৰিছো।

মূল্যবৃদ্ধি বিষয়টোৰ সম্পৰ্কত যোৱাকালি প্ৰস্তাৱৰ সপক্ষে সন্মানীয় সদস্যা শ্ৰীমতী অজন্তা নেওগ, শ্ৰী হাফিছ বছিৰ আহমেদ বিৰোধী দলৰ দলপতি শ্ৰী দেৱব্ৰত শইকীয়া আৰু চৰকাৰী পক্ষৰ পৰা সংসদীয় পৰিক্ৰমা মন্ত্ৰীৰ যুক্তি সমূহ মই পৰীক্ষা কৰিলো। চৰকাৰে প্ৰস্তাৱৰ যুক্তিত যে বিষয়টো definite and urgent সেই কথাত একমত। সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে লগতে কিন্তু কৈছে যে মূল্যবৃদ্ধিৰ কথাটো হঠাতে হোৱা নাই, কিছু সময়ধৰি অৱধাৰিত ভাৱে এইটো হৈ আছে। He has refferred the book Practice and Procedure of Parliament by Kaul and Shakedhar. Where, it is clearly stated in the book "a matter which can be raised under any other Procedural device, viz Calling attention notices questions, half an hour discussions, short duration discussion etc. can not be raised through an Adjournment Motion". The Minister further submitted another point citing again the Kaul and Shekdhar য'ত কৈছে a matter even of very recent occurrence is not 'urgent' if an opportunity for its discussion will arise in the ordiiiinary course of business within reasonably short time. Kaul and Shekdhar

ৰ যিখন কিতাপ আমি সকলোৱে মানো, তাত এটা কথা স্পষ্টকৈ কৈছে যে In the interest of all, it has been the practice to allow Adjournment Motion as a matter of exception where the matter is really urgent and there is no other opportunity or chance for the House to consider the matter. প্ৰস্তাৱৰ সপক্ষত সন্মানীয় বিধায়ক সকলে মূল্যবৃদ্ধিৰ বিষয়টোক গুৰুত্ব আৰোপ কৰি তৎকালে ব্যৱস্থা গ্ৰহণ কৰা উচিত বুলি যুক্তি আগবঢ়াইছে। চৰকাৰী পক্ষৰ উত্তৰ পোৱাৰ পিছত সভাস্থগিত প্ৰস্তাৱৰ সপক্ষে স্বাক্ষৰ কৰা সন্মানীয় বিধায়ক শ্ৰী আমিনুল ইছলাম ডাঙৰীয়াই হয়তো মন্ত্ৰীৰ যুক্তিত পতিয়ন গৈ, মই কোৱা নাই পতিয়ন গৈছে, হয়তো তেখেতে কৈছিল যে- "যিহেতু মূল্যবৃদ্ধি বিষয়টো অতি জটিল বিষয় আৰু বিষয়টোৱে সকলোকে চুই গৈছে বিশেষকৈ মধ্যবিত্ত আৰু নিম্ন মধ্যবিত্ত লোকসকলক, গতিকে সভা স্থগিত প্ৰস্তাৱটো অন্য কাৰ্য্যসূচী ৰাখিও আজি বা অন্য কোনো এদিন বিষয়টো আলোচনাৰ বাবে দিব পাৰি। তেখেতে authentic এটা কথা কৈছিল, তেতিয়া আমি ভাবিম যে চৰকাৰে সমস্যাটোৰ বিষয়ে চিন্তা কৰিছে"। তেখেতে কোৱা নাছিল যে এইটো ল'বলৈ বেলেগৰ দৰেও কৰিব পৰা যায়। মই শ্ৰী আমিনুল ইছলামৰ যুক্তি শুনাৰ পিছত অনুভৱ কৰিলো যে বিষয়টো সভা স্থগিত প্ৰস্তাৱৰ বিষয় নহলেও, আলোচনা কৰাৰ বাবে বিৰোধী পক্ষৰ এক ইচ্ছা আছে। এই কথাখিনি বিবেচনা কৰাৰ উদ্দেশ্যে মোৰ ৰুলিং এদিনৰ বাবে স্থগিত ৰাখিছিলো। মোৰ ৰুলিঙত অসন্তুষ্ট হৈ সদনত প্ৰস্তাৱৰ সপক্ষত বক্তব্য ৰখা সন্মানীয় সদস্যসকলে তৎকালিন ভাৱে ৰুলিং দিয়াৰ বাবে আহ্বান জনাই সদনৰ কাম-কাজ চলোৱাৰ পৰিৱেশটোত কিছু ব্যঘাত জন্মাই। মই সেয়ে সদন স্থগিত ৰাখি প্ৰস্তাৱক সকলৰ এটা পক্ষৰ লগত আলোচনা চলাই সমধানৰ বাট বিচৰাৰ কাৰণে চেষ্টা কৰিছিলো। মই ভাৱিছিলো যে আমিনুল ইছলাম ডাঙৰীয়াই বিষয়টো বিবেচনা কৰি মূল্যবৃদ্ধিৰ সমস্যা সমধানৰ ক্ষেত্ৰত এটা সমধানৰ পথ উলিয়াব পৰা যাব নেকি। কিন্তু সেয়া হৈ নুঠিল। প্ৰায় ২০ মিনিট সময় সদন স্থগিত ৰখা হ'ল সদনৰ পৰিস্থিতি কেৱল normal কৰি সদনক আগ বঢ়াই নিয়াৰ স্বাৰ্থত। আমাৰ অন্য একো উদ্দেশ্য নাছিল। এই ক্ষেত্ৰত মই কবই লাগিব আজি যে দায়িত্বশীল বিধায়কৰ উক্তি মই দুই এখন কাকতত আজি দেখি স্তম্ভিত হৈছো। এটা এনেকুৱা ধৰণৰ বক্তব্য সদন স্থগিত ৰখাৰ ক্ষেত্ৰত এইটো প্ৰকৃতভাৱে গ্ৰহণযোগ্য নহয় আৰু ই আইন সন্মত নহয়। কাৰণ মই তেখেতৰ লগত আলোচনাই কৰি আছো তাত। এতিয়া অধ্যক্ষৰ ৰুলিং ঘোষণা কৰাৰ আগতে মই সন্মানীয় সদস্যসকলক এটা অনুৰোধ কৰিব বিচাৰো যে Speaker's Ruling is final আৰু সেইটো আমি সকলোৱে মানিবলৈ বাধ্য। ময়ো যদি কেতিয়াবা আপোনালোকৰ তাত বহো ময়ো মানিবলৈ বাধ্য। এই কথা মোৰ নহয়, এই কথা Kaul and Shakedhar কিতাপত আছে আপোনালোক সকলোৱে পঢ়িছে। মোৰ ৰুলিঙৰ ওপৰত কিবা যদি জানিব বিচাৰে তাৰও provision Kaul and Shakedharয়ে দিছে কেনেকৈ কৰিব লাগিব। কিন্তু মানি নলৈ কৰিবই লাগিব কথাটো কেতিয়াও গ্ৰহণযোগ্য মোৰ কাৰণে নহয়। যি কি নহওঁক সেয়া। মই সেয়ে গোটেই সভা স্থগিত বিষয়টোৰ ওপৰত দিয়া যিখিনি উদ্ধৃতি তাৰ দ্বাৰা বিচাৰ কৰিলো আৰু সমগ্ৰ বিষয়টো যদিও আলোচনাৰ প্ৰয়োজন, সেই আলোচনা সভা স্থগিত প্ৰস্তাৱৰ দ্বাৰা উত্থাপন কৰাৰ আৱশ্যকতা মই অনুভৱ নকৰিলো। যিহেতু ইয়াৰ বাবে আমাৰ এই ৯ দিনীয়া বিধান সভাৰ কাৰ্য্যসূচীত অন্যান্য প্ৰক্ৰিয়াৰ যোগেদি সময় দিব পৰা ব্যৱস্থা আছে আৰু সেয়েহে মই সভা স্থগিত প্ৰস্তাৱটো নাকচ কৰিলো। ইয়াৰ পিছত স্থগিত সংকল্প প্ৰস্তাৱ, মই এই ক্ষেত্ৰত এটা কথা কব বিচাৰো।

শ্ৰী আব্দুল খালেক ডাঙৰীয়াই এই প্ৰস্তাৱটো উত্থাপন কৰিছিল আৰু ইতিমধ্যে ১৫ জনে ইয়াত বক্তব্য দিছে, মানে ১৬ জন মাননীয় সদস্যই এই ক্ষেত্ৰত অৰিহনা যোগাইছে। এতিয়া, যোৱাবাৰ আমাৰ শ্ৰীমতী অজন্তা নেওগ ডাঙৰীয়ানী, আপোনাৰ বক্তব্যটো আধা হৈ আছিল আৰু তেতিয়া অন্য সকলেও বিচাৰিছিলে আৰু কবৰ কাৰণে। মোৰ কোনো আপত্তি নাই। কিন্তু মই BAC মিটিঙত বা বিধায়িনী দলৰ দলপতি সকলে মোক কয় বা বহুত সদস্যই কয় যে এইটো শেষ কৰক, নতুন এটা আনক। মোৰ ইচ্ছা আছে, এইটো শেষ কৰিব লাগে আৰু নতুন এটা আহিব লাগে। এই কাৰণে মই আজি শ্ৰীমতী অজন্তা নেওগ ডাঙৰীয়ানীক তেখেতৰ কথাখিনি শেষ কৰিবলৈ দিবই লাগিব, কাৰণ তেখেতে আধা কৈ থৈছে। ইয়াৰ পিছত যি সকলে ক'ব বিচাৰিছে, আমাৰ কেইবাজনেও বিচাৰিছিলে বোধকৰো, সকলোৰে নাম ইয়াত নাই, সেই সময়ত শুকুৰ আলী, সত্যব্ৰত কলিতাকে আদি কৰি আৰু কেইবাজনে কৈছিলে, আমিও ক'ব বিচাৰো বুলি। এতিয়া সকলোৰে যদি কৈ থাকে, এতিয়ালৈকে কোৱা কেইজনৰ নাম মই কৈ দিছো, কেৱল দুবাৰ ন'কব। এজনে দুবাৰ ক'বলৈ যত্ন কৰিছিল, পাহৰি গ'ল অৱশ্যে তেখেতে হয়তো। তেওঁলোক হৈছে শ্ৰীগুৰুজ্যোতি দাস, শ্ৰী পদ্ম হাজৰিকা, শ্ৰী আমিনুল ইছলাম, শ্ৰীবৃন্দাবন গোস্বামী, শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, শ্ৰী প্ৰফুল্ল মহন্ত ডাঙৰীয়া, শ্ৰী শ্বেৰমান আলী আহমেদ ডাঙৰীয়া, শ্ৰীতৰুণ গগৈ ডাঙৰীয়া, শ্ৰী মামুন ইমদাদুল হক চৌধুৰী ডাঙৰীয়া, শ্ৰী প্ৰদীপ হাজৰিকা ডাঙৰীয়া, শ্ৰী কমল সিং নাৰ্জাৰী ডাঙৰীয়া, শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়া, শ্ৰী ৰূপজ্যোতি কুৰ্মি ডাঙৰীয়া, শ্ৰীপবিন্দ্ৰ ডেকা ডাঙৰীয়া আৰু শ্ৰী তপন কুমাৰ গগৈ ডাঙৰীয়া। এইকেইজনে কৈছে, এতিয়া আৰু কোনোবাৰ নাম থাকি গৈছে নেকি।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ** চাৰ, আকৌ ক'ব নোৱাৰি নেকি ?

**মাননীয় অধ্যক্ষ ঃ** আকৌ এবাৰ ক'ব নোৱাৰে একেটাতে। গতিকে সেই কাৰণে মই এতিয়া আপোনলোকৰ ওপৰতে এৰি দিওঁ। মোৰ ইচ্ছা আছে, আজি পাৰিলে এইটোৰ ক্ষেত্ৰত মন্ত্ৰী ডাঙৰীয়াই উত্তৰটো দিয়ক। কাৰণ নহ'লে একেইখিনি কথায়ে হৈ থাকিব সদায় আৰু যদি আপোনালোকে সেইটোত সন্মতি কৰে মোৰ আপত্তি নাই। এতিয়া শ্ৰীমতী অজন্তা নেওগ ডাঙৰীয়ানীৰ যিটো বক্তব্য সেইটো শেষ কৰক, তাৰপিছত আপোনালোকে কব। যদি আপোনালোকৰ আপত্তি নাই আমি উত্তৰলৈ যাব পাৰিম আৰু যদি আপত্তি আছে মোৰটো উপায় নাই। সদনৰ অধ্যক্ষ হিচাপে আপোনালোকক সুবিধা দিয়াটো মোৰ কৰ্ত্তব্য আৰু ইয়াত মই কেৱল Speechটো কমাই কবলৈ কব পাৰো, কিন্তু বাকীখিনিত মই হাত দিব নোৱাৰো, আইনগত মতে।

**শ্ৰীপবিন্দ্ৰ ডেকা ঃ** চাৰ, Point of Order এটা আছে। যোৱাকালি Zero Hoursত মই আৰু গুনিন্দ্ৰ নাথ দাস।

**মাননীয় অধ্যক্ষ ঃ** মই বুজিছো।

**শ্ৰীপবিন্দ্ৰ ডেকা ঃ** আজি উত্তৰ দিয়াৰ কথা আছিল।

**মাননীয় অধ্যক্ষ ঃ** হয়।

**শ্ৰীপবিন্দ্ৰ ডেকা ঃ** মই যিখিনি শুনিছো চৰাকাৰে উত্তৰ দিয়াৰ কথা আছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, এইটোৰ উত্তৰটো আপোনাক দিয়া হ'ব। মই কৈ দিম।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৩০১ ত আজি Reply দিয়াৰ কথা কৈছিলে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, মই এইটো চাই লম। যদি কিবা কাৰণে অসুবিধা হয় কালি হয়তো সোনকালে দিয়াৰ ব্যৱস্থা কৰিম। এতিয়া শ্ৰীমতী অজন্তা নেওগ ডাঙৰীয়ানী।

**শ্ৰীমতী অজন্তা নেওগ ঃ** অধ্যক্ষ ডাঙৰীয়া, মোৰ কালি এটা।

**মাননীয় অধ্যক্ষ ঃ** মই সেইটো শুনিছো, মই আপোনালোকৰ লগত কথা পাতিছো। এইটোৰ সমাধানৰ পথটোও দিলো তেখেতক।

**শ্ৰীমতী অজন্তা নেওগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম চুক্তি আমি ঐতিহাসিক দলিল বুলি আমি সকলোৱে আখ্যা দিছো। অসম চুক্তিৰ দফা সমূহৰ ভিতৰত আটাইতকৈ গুৰুত্বপূৰ্ণ দফাটোৱে হৈছে বিদেশী বিতাৰণ। বিদেশী বিতাৰণৰ কাট অফ ইয়াৰ বিচাপে ১৯৭১ চনৰ ২৫ মাৰ্চ ধাৰ্য্য কৰা হৈছে আৰু ২০১৩ চনৰ পৰা চুপ্ৰিম কোৰ্টৰ নিৰ্দেশনাত এই গোটেই প্ৰক্ৰিয়াটো নাগৰিক পঞ্জী উন্নীত কৰণৰ প্ৰক্ৰিয়াটো চলি আছে। নাগৰিক পঞ্জীৰ কথাখিনি মই বিশেষভাৱে কম, বাকী অন্য কথা ক'বলৈ নাযাওঁ। বৰ্তমান সময়ত নাগৰিক পঞ্জীৰ উন্নীত কৰণৰ বিষয়টোৱে আমাৰ গোটেই ৰাজ্যখনতে মানুহৰ মাজৰ চৰ্চা হৈছে। আজি এই বিধান সভাটো কালি আমাৰ মাননীয় মন্ত্ৰী পাটোৱাৰী ডাঙৰীয়া আছে, তেখেতে ইয়াতে কৈছিল যে হাজেলাই দিয়া বন্ধ খামত কি আছে। নাগৰিক পঞ্জী উন্নীত কৰণ কৰা বিষয়টো লৈ অসমৰ মানুহ যথেষ্ট উদ্বিগ্নতাৰে বাট চাই আছো, যে এখন শুদ্ধ নাগৰিক পঞ্জী হব লাগে। য'ত এজনো বিদেশী নাগৰিকৰ নাম থাকিব নালাগে আৰু কোনো এজন ভাৰতীয় নাগৰিকৰ নাম তাত অন্তৰ্ভূক্ত নোহোৱাকৈ থাকিব নালাগে। মন্ত্ৰী ডাঙৰীয়াই সদনত এখন Affidavit দিছিল । সেই Affidavit খনত তেখেত সকলে যিটো year বিষয়ে কৈছে। The State of Assam Strongly urges that these documents allowed to be remain intake. ইয়াত ১৫ টা documents ৰ কথা কোৱা হৈছে। মই এই ক্ষেত্ৰত আমাৰ ৰাজ্য চৰকাৰৰ ফালৰ পৰা কিছু কথা স্পষ্ট বাৰে জানিব বিচাৰিছো। সেই কাৰণে অধ্যক্ষ মহোদয়, আমাৰ মানুহে বিধান সভালৈ বাট চাই আছে। বিধান সভাত আলোচনা হ'ব আৰু মানুহৰ মনত থকা খোকোজা বিলাক স্পষ্ট হ'ব। কালি মন্ত্ৰী ডাঙৰীয়াই ক'লে যে চৰকাৰৰ ফালৰ পৰা আমি Affidavit দিছো। ইয়াত ১৫ টা যি list of documents given that should be intake, সেইখিনি ইয়াত ৰাখিব কোৱা হৈছে। সভাপতি মহোদয়, আপোনাক মই তথ্য সহকাৰে দিছো এইখন Affidavit চৰকাৰে দাখিল কৰিছে আপোনাৰ ১৮ এপ্ৰিল ২০১৭ আৰু এই Affidavit খনত ভি. কে. পিপাৰচনিয়া সেই সময়ৰ তদান্তীন Chief Secretary তেখেতে লিখিছে আৰু ইয়াত লিখা কথাখিনি সভাপতি মহোদয় আপোনাক পঢ়ি দিছো। Re admissibility of "List A" documents তাত লিখিছিল That in this backdrop, in NRC exercise, under the 2003 rules (as ammended by the 2009 Rules, only 2 documents, mainly 1951 NRC and Voter Lists upto 1971 are provided for as the basic documents called Legacy Data. State Govt. এ কৈছে ইয়াত মাত্ৰ দুটা Legacy data হে ধাৰ্য্য কৰিব লাগে। Out of 15 documents ইয়াত লিখিছে That in this respect, the responded State submits firstly, that the legal sancity and acceptability of these listed documents in the NRC modalities should be closely examined by the Concerned Authorities while proceedings with the NRC update excercise. ইয়াত মাত্ৰ দুটা documents হে তেওঁলোকে গ্ৰহণ কৰিবলৈ কৈছে। এইখন আপোনালোকে Affidavit দিছে। এইখন Affidavit আপোনালোকে Submit কৰিছিলে, ১৮ এপ্ৰিল ২০১৭ আৰু ইয়াৰ পিছৰ পৰ্য্যায়ত ১৯ মে, ২০১৭ ত তাত সেই গোটেই কথাখিনি আপোনাক মই পঢ়ি

দিছো। এখন হাই লেভেল মিটিং হৈছিল, তেতিয়া তাত Home Secretary আছিল, সেই মিটিংখনত ১৯-০৫-২০০৭ ত ইয়াত লিখা আছে মই পঢ়ি দিছো Home Secretary took a meeting on 19-05-2017 to discuss the cricitical issues relating to NRC, 1951 Assam, Chief Secretary, Assam along with Secretary, Home & Political , Govt. of Assam, State Coordinator NRC Govt. of Assam, RGI & Addl. RGI were present in this meeting and director NE, MHA also participated in the meeting. ইয়াত স্পষ্ট ভাৱে কৈছো, Chief Secretary, Assam informed that, he had discussion on this with the Competant Authority in the State. and it is being proposed that no other documents than NRC Assam 1951 and Electrol Rolls up to 24th March. (midnight)1971 should be accepted as Legacy Documents, as has been provided in the Schedule appended to the Rule 4A of the Citizinship Rules, 2003. He further, state that any order/guideline issued in contradiction or excess of or beyond the Rules were ex-facie incorrect and unsustainable and Compliance with them would be illegal. ইয়াত স্পষ্টকৈ কোৱা হৈছে, এখন গুৰুত্বপূৰ্ণ মিটিং য'ত Home Secretary, Chief Secretary আছে RGI আছে Addl. RGI

আছে and that was signed by the C.K. Khaitang and he was the Joint Secretary of Addl.Register General. ইয়াত স্পষ্ট ভাৱে কৈছে, মাত্ৰ ২খন documents ৰাখিব লাগে ইয়াত আৰু লিখিছে Chief Secretary Assam,howeve, insisted that the issue has been discussed in detail in the State Govt. and the State Govt. is of the firm view that only documents as per Rules can be considered. Chief Secretary, stated that he would suitable convey the same in writing too. এইটো দুই নম্বৰ চিঠি প্ৰথম মই Communication কৰিলো চাৰ ১৮ এপ্ৰিলত আপোনালোকে given Affidavit by Chief Secretary V.K. Pipersenia that only 2 documetns should be taken, in"List A".This communication was done in 19th May, 2007.ইয়াৰ পিছৰ communication টো চাৰ was done from Mrs. L.S. Changasan, IAS, Principal Secretary, Home & Political Dept., Govt. of Assam. She had done this communication, the Register General of India documents for updation of NRC. ইয়াত তেখেতে লিখিছে on behalf of the Government ৯ আগষ্ট ২০১৭ এই কথাখিনি কোৱা হল, প্ৰথমতে এখন she has given an appellate affivavit after that she once again another affidavit 19th May, 2017 in a high level meeting and there she clearly stated that there should be submitted 2 documents and thirdly, it was told documnts for updation for NRC. Here it is written that in invitating of a letter of the subject quated above, I, am directed, to state that as

Part of modalities as process of updation National Register of Citizenof Indian, citizen, which is going on Assam, RGI has approved 16 documents, out of that 14 primary and 2 supporting as Legacy Documents as based on the recommmendation of the State Govt. during the stage of verification of application, the Gauhati High Court in its order dated 28/02/2017 in W.P(C) No. 2634/2016, stuck down one of the legacy documents for NRC updation, viz Gaon Panchyat Secretary's Certificate, as illegal. as the legal admissibility of the prescribed documents have a direct bearing on the validity of NRC updation process, the matter was discussed in a meeting held between Union Home Minister and chief Minister, Assam on 26/03/2017 and again in a meeting held on 19/05/2017 between Union home Secretary, Chief Secretary, Assam RGI and others. It was decided to revisit the issue the legacy documents for NRC purpose. Here it is said that other documents should be re-visit. The State Govt. after examination of the 16 documents with regard to thier legal framework observes that as per the existing rules, only 2 categories of documents are prescribed for inclusion in the National Register of Indian Citizens, i.e., persons whose names appear in any electrol rolls upto the mid night of 24th day of March, 1971 or in the NRC 1951, and descendents of the person mentioned above. Hence, only 2 documents which should be considered as having legal standing for the purpose of inclusion in the NRC would be (I) NRC 1951 or (II) and Electrol Rolls upto 24th March, 1971. As applications for NRC updation had already been invited and filled on the basis of the 16 approved documents discarding all documents except, NRC 1951 and Electrol rolls till March, 1971 may create some difficulties .However, it seems that around 97 of the legacy documents submitted earlier NRC 1951, Electrol Rolls till March 1971.Documents wise decision of the State Govt. as follows. State Govt. তেওঁলোকৰ বাকী ডিচিশ্যন marking ইয়াত দি দিছে। NRC 1951, Land Record ,Citizenshipcertificate, Permanent Residenship Certificate, Refugee Registration, Insurance of Policy, Licene Certificate and they said that there is no need of Bank and Post Office certificate and Board or University Certificate মাননীয় অধ্যক্ষ মহোদয় তেওঁলোকে ইয়াত লিগেল ভিউ দিছে। আঠটা লিগেল ভিউ দিছে। এইআঠটা হ'ব পাৰে বুলি তেওঁলোকে কৈছে। ইয়াত স্পেচিয়েলি আৰু এটা কথা লিখিছে যে It is clarified that the instant proposal is in the

manner of a recommendation by the State Government to the RGI as part of the modalities including list of admissible documents and RGI would examine and placed the propose changes before the APEX court. In view of the above RGI is requested to consider State Government views and as recommended by the State Government proposal may be placed before the appropriate authority for their kind approval চাৰ এইখিনি ইয়াতে স্পষ্টভাবে কৈছে যে ইয়াত ৰাজ্যচৰকাৰে মাত্ৰ দুটাহে বিচাৰিছে। এটা হ'ল এন.আৰ.চি ১৯৫১ আৰু আনটো ১৯৭১ চনৰ ভোটাৰ লিষ্ট। এই দুটা তেওঁলোকে প্ৰ'পোজেল দিছে বাকীখিনি ৰিভিজিত বুলি স্পষ্টভাবে এই ডকুমেন্টত কৈছে। অধ্যক্ষ মহোদয় মই শুনিবলৈ পোৱা মতে এই affidavit খন যেতিয়া ন্যায়ালয়ত দাখিল কৰা হ'ল তেতিয়া মাননীয় উচ্চতম ন্যায়ালয়ে কৈছিলে This is not the time to take any decision। যিহেতু পোন্ধৰটা নথিৰ ভিত্তিত এন.আৰ.চি প্ৰক্ৰিয়াটো চলি আছে। ৰাজ্য চৰকাৰে যেতিয়া re-visit কৰিবলৈ কৈছিল তেতিয়া Re-admissibility of this document. তেতিয়া উচ্চতম ন্যায়ালয়ে কৈছিল এইখিনি কথা আমি চালি-জাৰি চাম যিহেতু ইয়াৰ ভিত্তিতে এন.আৰ.চিৰ কাম-কাজবোৰ চলি আছে আৰু এইটো কথাও কৈছিল যে হাকিম সলনি হ'লেও হুকুম সলনি নহয়। মই শুনা কথাটোহে কৈছো কাৰণ সেইদিনা মই উচ্চতম ন্যায়ালত নাছিলো। এইখিনি তথ্য মই আপোনাৰ ওচৰত উত্থাপন কৰিলো। with all Authentic documents এইখিনি কথা মই ক'লো। এতিয়া কথাটো হ'ল তেওঁলোকে এল.আৰৰ পৰামৰ্শত আঠটা ডকুমেন্ট আছিল বুলি লিখিছে 9th August তেখেতসকলে কৈছিল In this respect matter of also examined by the Judicial Department of the State their view is Report is below. No.1- NRC 1951., No.2- Electoral Rule up to 24th March, 1971, No.3 – Land Record confineding to Setha , Jab wan Bandy and Register sell it. No.4..Citizen Certificate, No.5- Refuge Registration Certificate up to 24th March, 1971, No.6.Document showing service employment other Government before 24th March, 1971. No.7 -Records of Bank Account . No.8 -Education Certificate issued by Board , University up to 24th March, 1971 চাৰ Draft NRC প্ৰকাশ হ'ল। তাৰ পিছত লিগেচী ডকুমেন্টৰ সম্পৰ্কত ১০ টা ডকুমেন্টৰ ভিতৰত হাজেলাই দিয়া বন্ধ খামত কি আছিল? গোটেই কথাখিনি উচ্চতম ন্যায়ালয়ৰ নিৰীক্ষনত চলি আছে । এতিয়া শেহতীয়া ভাবে উচ্চতম ন্যায়ালয়ে কৈছে দহটা ডকুমেন্ট গ্ৰহণ কৰিব লাগে আৰু বাকী পাঁচটা তেওঁলোকে Kept in abase ত ৰাখিছে। সেই হিচাপে এন.আৰ.চি কতৃপক্ষই বাতৰিকাতত বিজ্ঞাপন দিছে, দাবী আৰু আপত্তি সম্পৰ্কত গোটেইখিনি দিছে আমি পাইছো। এতিয়া মন্ত্ৰী ডাঙৰীয়াই কালি কৈছিল যে আমি আৰু এখন শপতনামা দিছো আৰু এই শপতনামাখন আপোনালোকে পাব। এই শপতনামাত চৰকাৰে দিলে The State of Assam strongly urges the this a documents be allowed remain intake এইমতে আপোনালোকে পোন্ধৰটা ডকুমেন্ট ইনটেক ৰাখিবলৈ কৈছে। এতিয়া মোৰ প্ৰশ্নটো হ'ল আগতে আপোনালোকে দুখনহে ৰাখিবলৈ কৈছিল এই কথাটো

কিয় হৈছে? চৰকাৰৰ স্থিতিটো কিয় সলনি হৈ আছে? এন.আৰ.চিৰ ক্ষেত্ৰত স্থিতিটো কিয় সলনি হৈ আছে মই সেইটো জানিব বিচাৰিছো। ইয়াৰ অন্তৰালত কিবা আছে নেকি? আজি এন.আৰ.চিৰ সপক্ষে আমি সকলো দল আছো। মই ব্যক্তিগত ভাবে অসম চুক্তিক শ্ৰদ্ধা কৰো যদিও অসম চুক্তিৰ হেৰি হিচাপত মোৰ স্বামীৰ আলফাৰ হাতত মৃত্যু হৈছিল। তাৰ পিছতো মই কৈছো যে অসম চুক্তিক ব্যক্তিগত ভাবে সন্মান কৰো। আঠশ পস্পন্নজন ছহিদৰ ত্যাগৰ ফলত অসম চুক্তি হৈছিল। আমি সকলোৰে ৰাজনীতিৰ উদ্ধত থাকি অসম চুক্তিখন দফাই দফাই ৰূপায়ণ হোৱাতো বিচাৰো আৰু এইটো অসমৰ ৰাইজেও বিচাৰিছে। ইয়াৰ বাবে এন.আৰ.চি হৈছে আমি সকলোৰেই শুদ্ধ এন.আৰ.চি হোৱাটো আন্তৰিকতাৰে কামনা কৰিছো। চাৰ আজি কথা বিলাক ওলাইছে, স্থিতিবোৰ সলনি হৈছে- দলীয় ভাবে কিছুমান কথা কৈছে। যেতিয়া ড্ৰাফ এন.আৰ.চি প্ৰকাশ হ'ল তেতিয়া হয়টো ভাবিছিলে যে আশী শতাংশ কোনোবা ভাষিক হ'ব পাৰে বা ধৰ্মীয় হ'ব পাৰে বা বিশ শতাংশ হ'ব পাৰে। সেইটো নহ'ল এতিয়া পঞ্চাশ শতাংশ পঞ্চাশ শতাংশ হ'ল। এনে ধৰণৰ কিছুমান ৰাজনৈতিক কথা থাকিব পাৰে নেকি? যাৰ কাৰণে আজি স্থিতিবিলাক সলনি হৈছে। চাৰ, এখন প্ৰেছমিট দিছিলে তাত কোৱা হৈছিল - ১৯৮৬ চনৰ পহিলা জুলাইৰ পূৰ্বে ভাৰতত জন্মা সকলো লোকৰ নাম নাগৰিকপঞ্জীত অন্তৰ্ভূক্তিৰ দাবী- এইটো শাসকীয় দলে কৰিছে - মই নাম নকও। তেওঁলোকে কৈছে যে এই পোন্ধৰটাৰ লগতে আৰু তেৰটা দাবীক মান্যতা দিবলৈ কৈছে। চাৰ এই কথাবোৰে কি বুজাইছে। আমি মাজতে শুনিছিলো নাগৰিকত্ব সংশোধনী বিধেয়ক যদি বিল হিচাপে হয় তেতিয়া আমাৰ অসম চুক্তি কি হ'ব? আৰু যদি নতুনকৈ citizenship Act 1955 মতে জন্মসূত্ৰে দিয়া হয় তেতিয়া হ'লে আমাৰ এন.আৰ.চি কৰাৰ মূল্য কি থাকিব? চাৰ আজি অসম চুক্তিৰ অৱস্থা কি হ'ব? আমি অসম চুক্তিৰ কথা কৈছো। কালি আমাৰ মন্ত্ৰী ডাঙৰীয়াই কৈছিল ছহিদৰ প্ৰতিটো পৰিয়ালক পাঁচলাখ পাঁচলাখ টকা দিছে। তেওঁলোকৰ সপোন সেইটো আছিল নেকি? তেওঁলোকৰ সপোন আছিল এখন বিদেশীমুক্ত অসম। ছহিদৰ পৰিয়ালৰ কোনোবাই পাঁচলাখ টকা ঘুৰাইও দিছে। ১৯৮৬ চনৰ পহিলা জুলাই পূৰ্বে জন্মা লোক সকলক নাগৰিকপঞ্জীত অন্তৰ্ভূক্তিকৰণৰ বিষয়টো বৰ্তমান বিচাৰাধীন হৈ আছে। এতিয়া নতুনকৈ মানুহ বিলাকে ভাবিবলৈ বাধ্য হৈছে যে প্ৰকৃতাৰ্থত চৰকাৰে নগৰিকপঞ্জীখন কেনেধৰণে লৈছে। সঁচা অৰ্থত চৰকাৰে এখন শুদ্ধ নাগৰিকপঞ্জী বিচাৰিছেনে নাই? মই তিনিটা কথা ক'লো চাৰ, নাগৰিকত্ব সংশোধনী বিধেয়কৰ আমি প্ৰথমৰ পৰাই বিৰোধীতা কৰি আহিছো। এইখন বিধেয়ক যদি কিবা কাৰণত বিল হিচাপে পাছ হয়, তেতিয়া হ'লে আজি আমি জাতি-মাটি-ভেটিৰ কথা কোৱাৰ থল থাকিবনে? আমি ৰাজনীতি কাৰ কাৰণে কৰিম? সেই কাৰণে আমি এই বিধেয়কখনৰ বিৰোধীতা কৰিছো, আমি শুদ্ধ নাগৰিকপঞ্জী হোৱাটো বিচাৰিছো। আমি স্পষ্টভাবে কৈছো ১৯৮৬ চনৰ পহিলা জুলাই যদি কৰিব লাগে তেতিয়াহ'লে অসম চুক্তিৰ কোনো মান্যতাই নাথাকিব। ঠিক তেনেদৰে নাগৰিকত্ব সংশোধনী বিধেয়ক যদি হ'ব লাগে তেতিয়াও অসম চুক্তিৰ মান্যতাই নাথাকিব। এই বিষয়সমূহৰ ক্ষেত্ৰত চৰকাৰে স্থিতি সলনি কৰি আছে গতিকে আমি বিচাৰিছো এই বিষয়মসূহৰ ক্ষেত্ৰত চৰকাৰে নিজৰ স্থিতি স্পষ্ট কৰক। সভাপতি মহোদয় মই সকলোকে পুনৰবাৰ অনুৰোধ জনাইছো যে আহক আমি অসম চুক্তি ৰূপায়ৰ ক্ষেত্ৰত ৰাজনৈতিক মতামত ত্যাগ কৰি ৰাজনীতিৰ উদ্ধত থাকি অসম চুক্তি দফাই দফাই ৰূপায়ণ কৰো। অসম চুক্তিৰ ছয় নং দফা সম্পৰ্কত মই কৈছে যে - অসমীয়াৰ সংজ্ঞা সম্পৰ্কত বেছি কথা নকও। মই স্পষ্টভাবে এইটো কও অসমৰ বিভিন্ন জাতি-জনগোষ্ঠী আছে তেখেতসকলৰ লগত কথা পাতি তেখেতসকলৰ যিটো স্বাভিমান ৰক্ষা কৰি যাতে অসমীয়াৰ

সংজ্ঞা নিৰূপন কৰা হয়। আগৰ অধ্যক্ষই এটা পদক্ষেপ লৈছিল, তেখেত সফল নহ'ল এতিয়া আমাৰ নতুন অধ্যক্ষক অনুৰোধ জনাইছো, তেখেত এজন দক্ষ অধ্যক্ষ, তেখেতে এনেকুৰা এটা পদক্ষেপ লওক যাৰ জৰিয়তে আমাৰ অসমীয়াৰ সংজ্ঞা সম্পৰ্কত যাতে আমি এটা নতুন পথ পাব পাৰো। এইখিনি কথা কৈ মই পুনৰবাৰ 'সংকল্প প্ৰস্তাৱ'টোৰ সমৰ্থন জনাই বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ** চাৰ, পইন্ট অৰ অৰ্ডাৰ। যোৱাকালি মোৰ এটা তৰাবিহীন প্ৰশ্নত মই চৰকাৰে ন্যায়লয়ত দাখিল কৰা শপতনামাৰ প্ৰতিলিপি বিচাৰিছিলো। চৰকাৰে ৫-৯-২০১৮ ত যিখন শপতনামা দিলে সেই অনুসৰি পোন্ধৰতা ডকুমেন্ট থাকিব লাগে। চৰকাৰে আগতে যিখন শপতনামা দিছিলে তাত বেলেগ আছিল। এই ক্ষেত্ৰত মোৰ এনেকুৰা লাগিছে যে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী সম্পৰ্কত বৰ্তমান যিটো পৰিবেশ সৃষ্টি হৈছে চৰকাৰে আগতে যিখন শপতনামা দিছিল তাৰ বাবেহে হৈছে। সেইকাৰণে মই বিচাৰিছো যে আমাৰ যি তথ্য দিয়া হয় সেইখিনি যাতে শুদ্ধকৈ দিয়া হয়। নহলে ইমান টকা খৰচ কৰি .............

**মাননীয় সভাপতি ঃ** ঠিক আছে। যোৱাকালি এইটো যথেষ্ট আলোচনা হৈছে। এতিয়া সময় নাই। আপোনালোকে যদি মন্ত্ৰীয়ে উত্তৰ দিয়াটো বিচাৰে তেতিয়া হ'লে সোনকালে কৰক কাৰণ মন্ত্ৰীকো সময় দিব লাগিব।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ** চাৰ, এক মিনিট। মই বাইদেউৰে যিটো ক'লে নাগৰিকত্ব সংশোধনী বিল সম্পৰ্কত যিটো ক'লে, মই বাইদেউৰ লগত একমত। কিন্তু কথাটো হৈছে কি - বিলখন আমি অনা নাই। বিলখন বৰ্তমানৰ চৰকাৰে আনিছে গতিকে চৰকাৰে নিজৰ স্থিতি স্পষ্ট কৰিব লাগে। আজি এটা কথা ক'ব -কালি এটা কথা ক'ব ...

**মাননীয় সভাপতি ঃ** আজি আমি সংকল্প প্ৰস্তাৱৰ ওপৰতে আলোচনা কৰি আছো।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় সভাপতি মহোদয়, অসম চুক্তিৰ ছয় নং দফা আখৰে আখৰে পালন হ'লনে? বিষয়টো সেইটো। তাতে আমি যদি নাগৰিকত্ব সংশোধনী বিলৰ কথা আলোচনা কৰো ঠিক নহয়। নাগৰিকত্ব সংশোধনী বিল সম্পৰ্কত চৰকাৰে আগতেই স্থিতি ক্লিয়াৰ কৰিছে। কিন্তু আজি কমলাক্ষ দে পুৰকায়স্থৰ কথাৰ পৰা এটা কথা স্পষ্ট হ'ল যে তেওঁ নাগৰিকত্ব সংশোধনী বিলখনৰ বিৰোধীতা কৰিছে তাৰ অৰ্থ এইটোৱেই যে - হিন্দু বেঙগলী আনিব নালাগে। (সদনত একেলগে কেইবাগৰাকীও মাননীয় বিধায়কে ঠিয় হয় আৰু এক হুলুস্থুলীয়া পৰিবেশৰ সৃষ্টি হয়)

(সভাপতিৰ আসনত মাননীয় অধ্যক্ষ মহোদয় উপবিষ্ট)

**"(স্থগিত) সংকল্প প্ৰস্তাৱ"** কাৰ্যসূচীৰ ওপৰত আলোচনা, ক্ৰমশ - - - -

**মাননীয় অধ্যক্ষ ঃ** কমলাক্ষ দে ডাঙৰীয়া, মই আৰু আপোনাক ক'বলৈ Chance পিচত দিম। মই অজন্তা নেওঁগ ডাঙৰীয়ানীক যোৱাবাৰ আধৰুৱাকৈ প্ৰদান কৰা বক্তব্যটো সম্পূৰ্ণ কৰিবলৈ সুবিধা দিলো আৰু তেখেতে সম্পূৰ্ণ কৰিলে। এতিয়া সদনে এইটো থিৰাং কৰক স্থগিত সংকল্প প্ৰস্তাৱৰ ওপৰত আপোনালোকে further discussion বিচাৰে নে নিবিচাৰে! মোক কিন্তু সকলো দলৰ দলপতি সকলে discussion আৰু নালাগে বুলি কৈছে। মোক কোনেও individually reply দিব নালাগে, কেৱল যিসকলে discussion বিচাৰে হাতখন দাঙি দিলেই হব।

**শ্ৰী ৰকিবুল হুছেইন, বিধায়কঃ** যদি নিয়মত পৰে আৰু আমাৰ কোৱাটোত যদি কোনো হকা-বাধা নাই তেনেহলে আমি কব বিচাৰো।

**माननीय অধ্যক্ষ ঃ** অলপ আগতে মই কৈছো যে সংকল্প প্ৰস্তাৱৰ ওপৰত যদি কোনোবাই কব বিচাৰে, মই বাধা নিদিওঁ। এটা সংকল্প প্ৰস্তাৱৰ ওপৰত আলোচনা কৰোতে বহুত সময় গুচি যায়। সেই কাৰণে কৈছো , বক্তা সকলে individually নকৈ তেওঁলোকে দলৰ লগত আলোচনা কৰি কথাখিনি উত্থাপন কৰিলে ভাল হয়। ময়েই এইটো বিষয় ডেৰবছৰ পাইছো। আগতেই বোধকৰো এইটো pending হৈ আছিল। বিধায়িনী দলৰ দলপতি সকলে মোক এইটো সোনকালে শেষ কৰাৰ কথা কৈছে, কাৰণ কংগ্ৰেছ বিধায়িনী দলৰ পৰাও ইতিমধ্যে 5/6 জন মানে বক্তব্য প্ৰদান কৰিছে - কমলাক্ষ দে পুৰকায়স্থ, শ্বেৰমান আলি আহমেদ, তৰুণ গগৈ ডাঙৰীয়া, ৰূপজ্যোতি কুৰ্মী আৰু আজি অজন্তা নেওঁগ ডাঙৰীয়ানীয়ে শেষ কৰিলে। গতিকে মই ভাবিছো স্থগিত সংকল্প প্ৰস্তাৱৰ ওপৰত হোৱা আলোচনা ইমানতেই শেষ কৰিলে ভাল হয়। This is also the sence of all the leaders of all the Legislature Party. তেখেত সকলে মোক Business Advisory Meeting টো request কৰিছে। যদি আপোনালোকে কয় যে আৰু এজন বা দুজন মানক কবলৈ সুবিধা দিব লাগে তেতিয়া মই দিব পাৰো। যোৱা বাৰ শুকুৰ আলী আৰু সত্যব্ৰত কলিতাৰ নাম আছিল। আজি যিহেতুকে শুকুৰ আলী নাই গতিকে এতিয়া সত্যব্ৰত কলিতায়ে বক্তব্য ৰাখিব। আমাৰ হাতত সময় আছে 40 মিনিট, গতিকে মন্ত্ৰীয়ে যাতে উত্তৰটো দিব পাৰে এইটো চাব লাগিব। ইয়াৰ পিচত কব জাকিৰ হুছেইনে আৰু তেখেত শেষ বক্তা হব।

এতিয়া কমলাক্ষ দে পুৰকায়স্থ, আপোনাৰ Point টো কওঁক।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, বিধায়ক ঃ** অধ্যক্ষ মহোদয়, মই কৈছিলো বাইদেউৱে বাইদেউৰ Point টো raise কৰিছে আৰু M.L.A. হিচাপে মই নাগৰিকত্ব বিলখনো পূৰ্ণ সমৰ্থন কৰো। মোৰ কথাটো হল B.J.P. এ আজিলৈকে তেওঁলোকৰ স্থিতিটো কিয় Clear কৰা নাই?

**মাননীয় অধ্যক্ষ ঃ** শুনক, এই কথাটো আলোচনাৰ বিষয় নহয়, কাৰণ এইটো সংকল্প প্ৰস্তাৱৰ লগত জড়িত বিষয়বস্তু নহয়। এতিয়া শ্ৰী সত্যব্ৰত কলিতায়ে বক্তব্য ৰাখিব।

**শ্ৰী আব্দুল খালেক, বিধায়ক ঃ** অধ্যক্ষ মহোদয়, মোৰ বিশেষ কোনো কথা নাই, মাত্ৰ মন্ত্ৰী মহোদয়ে উত্তৰ দিয়াৰ সময়ত মোক বক্তব্য ৰখাৰ বাবে এটা সুযোগ দিলে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী সত্যব্ৰত কলিতা, আপুনি আপোনাৰ বক্তব্য প্ৰদান কৰক।

**শ্ৰী সত্যব্ৰত কলিতা, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ এটা খুউব গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিব বিচাৰিছো, কিন্তু সময়ৰ প্ৰতি লক্ষ্য ৰাখি ভাষণ চমু কৰিবলৈ কোৱা হৈছে। মই ভাৱো এই বিষয়টোৰ ওপৰত অধিক আলোচনাৰ প্ৰয়োজন আছে। 126 জন বিধায়কৰে ইয়াত মতামতৰ যথেষ্ট প্ৰয়োজন আছে। যিয়ে নহওক দলগত ভাৱে কিছুমান কথা কব বিচাৰিছো। প্ৰথমে মই **"অসম বিধান সভাৰ পবিত্ৰ সদনে সৰ্বসন্মতিক্ৰমে**

**প্ৰস্তাৱ গ্ৰহণ কৰে যে, কোনো কাৰণতে অসম চুক্তি বা চুক্তিৰ 6 নং দফাৰ কোনো ধৰণৰ সংশোধন হব নালাগে। এই সংশোধনৰ ফলত সমগ্ৰ অসম চুক্তি খনকে অৱমাননা কৰা হব।"** এই বিষয়টোলৈ যোৱাৰ আগতে মই ভাৱো এই বিষয়টোৰ লগত অসম আন্দোলন জড়িত আৰু অসম আন্দোলনৰ লগত জড়িত আপোনাকে ধৰি ইয়াত বহুত সদস্য আছে। এই কাৰণে অসম আন্দোলন বুলি কোৱাৰ লগে লগে আমি মনত কৰিব লাগিব যে যিখন চুক্তি হৈছিলে, চুক্তিখনৰ লগত ৮৫৫ গৰাকী শ্বহীদৰ ত্যাগ, বলিদান জড়িত হৈ আছে। সেই কাৰণে মই প্ৰথমে শ্বহীদ

সকলক স্মৰণ কৰিছো। অসমৰ বাবে, অসম আন্দোলনকাৰীৰ বাবে বা অসমৰ জাতীয় জীৱনৰ কাৰণে অসম চুক্তি লৈ বিভিন্ন ধৰণৰ বিতৰ্ক হৈছে, তাত আপত্তি কৰিবলগীয়া নাই। কিন্তু আমি যি সকলে আন্দোলন কৰিছিলো বা আজিও অসমৰ জাতীয় জীৱন ৰ লগত জড়িত বিভিন্ন দল, সংগঠনৰ মানুহে অসম চুক্তি খনক গীতা, বাইবেল, কোৰাণ বুলিয়েই ভাৱে। ধৰ্মৰ ক্ষেত্ৰত যেনেকৈ কোনোবা হিন্দুৱে গীতা, কোনোবা মুছলমানে কোৰাণ, কোনোবা খ্ৰীষ্টানে বাইবেল বুলি ভাবে তেনেকৈ আমাৰ আন্দোলনকাৰীৰ বাবে, আমাৰ সামাজিক জীৱনৰ কাৰণে অসম চুক্তিখন এখন গীতা-বাইবেল-কোৰাণৰ নিচিনা। গতিকে ইয়াক কোনোবাই অবমাননা কৰাটো কেতিয়াও সহ্য কৰা নহ'ব।

তাত আপত্তি কৰিব লগীয়া নাই। কিন্তু আমি যিসকলে আন্দোলন কৰিছিলো বা আজিও অসমৰ জাতীয় জীৱনৰ লগত জড়িত বিভিন্ন দল সংগঠন, মানুহে অসম চুক্তিখনক গীতা, বাইবেল, কোৰাণ বুলি ভাৱে। ধৰ্মৰ ক্ষেত্ৰত যেনেকৈ কোনোবা হিন্দুই গীতা, কোনোবা মুছলমানে কোৰাণ বা কোনোবা খ্ৰীষ্টানে বাইবেল বুলি ভাৱে আমাৰ আন্দোলন কাৰীৰ কাৰণে, সামাজিক জীৱনৰ কাৰণে গোটেই অসম চুক্তিখন গীতা, বাইবেল আৰু কোৰাণৰ নিচিনাই। গতিকে তাক কোনোবাই অৱমাননা কৰা বা ব্যভিচাৰ কৰাতো কেতিয়াও সহ্য নহয় আৰু মই নাভাৱো যে অসম বিধান সভাৰ মজিয়াত এইখন কোনোবাই বিৰোধীতা কৰিছে। ইয়াৰ আগতেও বহুবাৰ আলোচনা হৈছে আৰু সকলো পক্ষই, ইয়াত বহি থকা ১২৬ গৰাকী বিধায়কে অসম চুক্তিক সমৰ্থন কৰে আৰু অসমৰ জনসাধাৰণে ইয়াক সমৰ্থন কৰে। এই আন্দোলনটো কিয় হৈছিল তাৰ যদি মূল তত্বটোলৈ যাওঁ তেতিয়াহ'লে অসমৰ ভাষা, সংস্কৃতি, সামাজিক জীৱন, অৰ্থনৈতিক জীৱন আৰু ৰাজনৈতিক অধিকাৰ যেতিয়া অবৈধ বেদখলকাৰী বা অবৈধ বিদেশীৰ কৱলত যেতিয়া বিনষ্ট হ'ব ধৰিছিল তেতিয়াই অসম আন্দোলন হৈছিল আৰু অসম আন্দোলনৰ যোগেদি, অসম চুক্তিৰ যোগেদি আমাৰ এটাই উদ্দেশ্য যে আমাৰ অসমৰ অসমীয়া মানুহ, খিলঞ্জীয়া মানুহৰ ৰাজনৈতিক অধিকাৰ সুৰক্ষিত হ'ব লাগে। অসমৰ মানুহৰ ভাষা-সংস্কৃতি সুৰক্ষিত হ'ব লাগে। গতিকে এই মূল উদ্দেশ্য আগত ৰাখিয়েই অসম চুক্তি সাক্ষৰিত হৈছিল। বিশেষকৈ অসম চুক্তিৰ ৬ নং দফাত অধিক স্পষ্টভাৱে লিখা আছে যে, অসমীয়া মানুহৰ সাংস্কৃতিক, সামাজিক, ভাষিক পৰিচয়, ঐতিহ্য ৰক্ষা সংৰক্ষণৰ বিকাশৰ বাবে যথোচিত সাংবিধানিক, আইনগত আৰু প্ৰশাসনিক ৰক্ষা কৱচ দিয়া হ'ব। সেই কথা আলোচনা কৰাৰ আগতে আমি জানিব লাগিব যে অসমীয়া সংস্কৃতি মানে আমি কি বুজো? মানুহে ভুলকৈ ইয়াৰ ব্যাখ্যা কৰে। সাহিত্য, কলা আৰু সংস্কৃতি বা সুকুমাৰ বিকাশকে আমি আমাৰ সংস্কৃতি বুলি ভাৱি লওঁ। কিন্তু মানৱ সভ্যতা বা মানৱ জাতিৰ প্ৰতিটো চিন্তা, প্ৰতিটো কৰ্মই সংস্কৃতি ৰ লগত জড়িত। গতিকে আমি প্ৰতিটো সংস্কৃতি ৰক্ষা কৰিব লাগিব। বিধান সভাৰ সদস্য সকলেও সংস্কৃতি ৰক্ষা কৰিব লাগে। অলপ আগতে কৈছে যে আমি বহুত টকা-পইচা খৰচ কৰি বিধান সভাৰ মজিয়ালৈ আহিছো। আমাৰ নামত পইচা খৰচ কৰা হৈছে। কিন্তু আমি সময়বোৰ অপব্যয়হে কৰো। যোৱাকালি আমি সকলোৱে দেখিছো যে কোনেও নজনাকৈ আমি প্লেকাৰ্ড বিলাক লগত লৈ আহো। আচঁলতে এইটোও এটা অপসংস্কৃতি। গতিকে আমি এই সংস্কৃতিবোৰ ৰক্ষা কৰা উচিত। অসমৰ মানুহে আমাক প্ৰতিনিধিত্ব কৰি ইয়ালৈ পঠিয়াইছে। গতিকে সেই প্ৰতিনিধিত্ব যাতে অসম বিধান সভাৰ মজিয়াত সঠিক ভাৱে প্ৰয়োগ কৰিব পাৰো আৰু সময়খিনি অপচয় নকৰো লগতে চৰকাৰী ধনৰ যাতে অপচয় নকৰো তাৰবাবে সকলোৱে সচেতন হ'ব লাগে। এইবিলাকো আমাৰ সংস্কৃতিৰ ভিতৰৰে বিষয় বস্তু। অসমীয়া জাতি বহু জনগোষ্ঠীৰ সংমিশ্ৰণত গঢ়ি উঠা এটা জাতি। পূৰ্বৰ পৰাই ইয়াত বিভিন্ন মানুহৰ আগমন হৈছে। বিভিন্ন মানুহৰ আগমনৰ ফলত এটা জাতি গঠন হৈছে। ভাৰতবৰ্ষ

যেনেকৈ অনৈক্যৰ মাজত ঐক্য ঠিক তেনেধৰণে অসমখনো বিভিন্ন জনগোষ্ঠীৰ মাজত বিভিন্ন সুকীয়া সুকীয়া ভাষা-সংস্কৃতি থকাৰ পিছতো সামগ্ৰিক ভাৱে কিন্তু আমি এটা অসমীয়া জাতি বুলি চিনাকি দি আছো। মই সংগীত শিল্পী নহয়। কিন্তু ড. ভূপেন হাজৰিকা দেৱৰ এটা হৃদয় স্পৰ্শ কৰি যোৱা গীতৰ কথাৰে জাতি কেনেকৈ গঠন হৈছিল ক'ব বিচাৰিছো।

মহাবাহু ব্ৰহ্মপুত্ৰ মহামিলনৰ তীৰ্থ
কত যুগ ধৰি আহিছে প্ৰকাশি সমন্বয়ৰ অৰ্থ
মহাবাহু ব্ৰহ্মপুত্ৰ.........
সুদুৰ কান্যকুব্জৰে পৰা বাৰভূঞা আহিছিলে
সেই বংশতে শংকৰদেউ ইয়াতে জনমিলে
মৰুৰ দেশৰে আজান ফকিৰে মধুৰ জিকিৰ ৰচিলে
দিল্লীৰ দিলোৱাৰে আহি হস্তী পুথি আঁকিলে
পঞ্চ নদীৰ তেগ বাহাদুৰে ধৰমৰ সেতু গঢ়িলে
সমন্বয়ৰ দেখুৱালে কত প্ৰকাশ স্বতঃস্ফুৰ্ত
ম্হাবাহু ব্ৰহ্মপুত্ৰ......

দূৰৰ লাচিতে শৰাইঘাটতে শতৰু আগচিলে
জাতি-ধৰ্ম-ভাষা সবাকে স্বদেশ প্ৰেমেৰে বান্ধিলে
কিৰাট পুত্ৰ বিষ্ণুৰাভাই মাটিৰ কৃষ্টি জীয়ালে
সমন্বয়ৰ দেখুৱালে কত প্ৰকাশ স্বতঃস্ফুৰ্ত
ম্হাবাহু ব্ৰহ্মপুত্ৰ......

পদ্মা নদীৰ ধুমুহাত পৰি কত শতজন আহিলে
লুইতৰ দুইপাৰে কতনা অতিথি আদৰিলে
কিছু ল'ব লাগে কিছু দিব লাগে জিন যাবলে হ'লে
মিলিব লাগে মিলাব লাগে ৰবীন্দ্ৰ নাথেও ক'লে
অগ্ৰৱাল জ্যোতিয়ে ইয়াতে জ্যোতিৰ প্ৰপাত বোৱালে
অজীনপাতকীসৰৰ চক্ৰ জ্যোতিৰে কৰি ব্যৰ্থ
মহাবাহু ব্ৰহ্মপুত্ৰ................।।

গতিকে এইদৰেই অসমীয়া জাতিটো গঠন হৈছিল। নেগ্ৰিট', অষ্ট্ৰিক, তিব্বত, বৌদ্ধিক-আৰ্য্য, আৰ্য্য আলপাইন সকলও আহিছিল আৰু এই সকলোৰে মিলি এটা জাতি গঠন কৰিছিল। আজি আমি সকলোৰে পিন্ধা ধূতি চুৰীয়া হৈছে আৰ্য্য সকলৰ অৱদান। বহাগ মাহৰ কাৰ্য্যৰ ক্ষেত্ৰত আৰ্য্য সকলৰ অৱদান আছে। অষ্ট্ৰিক সকলে মহিলা সকলক মেখেলা, সেন্দুৰ দিছে। তিৰ্ব্বত সকলে আমাৰ বড়ো জনগোষ্ঠীৰ মানুহ সকলে, বিভিন্ন জনগোষ্ঠীৰ মানুহ সকলে বিহুত ব্যৱহাৰ কৰা পেঁপা, পিঠা-পনা ইত্যাদি দিছে। শেহতীয়াকৈ অহা ইছলাম ধৰ্মী সকলেও আমাক এটা খুব মূল্যবান উপহাৰ দিছে। সেইটো হৈছে ওৰণি। ইয়াৰ আগতে অসমীয়া সমাজ ব্যৱস্থাত ওৰণি লোৱাৰ ব্যৱস্থা নাছিল। সেইদৰে বিভিন্ন জনগোষ্ঠীৰ সংমিশ্ৰণত আমাৰ আজিৰ এই অসমীয়া জাতিটো

গঠিত হৈছে। তাৰপিছত শংকৰদেৱৰ অৱদানে অসমীয়া জাতিটোক যি মহিয়ান কৰি তুলিলে কিন্তু সেই শংকৰদেৱেই দি যোৱা সত্ৰ বিলাকৰ মাটি যেতিয়া কোনোবাই দখল কৰে, সেইটো যদি প্ৰতিবাদ কৰিবৰ কাৰণে আমি একেলগে আগবাঢ়ি নাহো তেনেহ'লে আমি জাতীয় সংস্কৃতি কেনেকৈ ৰক্ষা কৰিম ? আজি আমাৰ এই বিপৰ্য্যয়টো ক'ত ? আমি ৰাজনৈতিক ভাৱে বা সামাজিক ভাৱে কিছুমান কথা ক'ব নিবিচাৰো। আজি সত্ৰৰ মাটি কোনে বেদখল কৰিছে? সেইটোৰ প্ৰতিবাদ কৰাটো আমাৰ সকলোৰে দায়িত্ব। আজি অসম বিধান সভাৰ মজিয়াত আমি ১২৬ গৰাকী সদস্য আছো আৰু মই নাভাৱো যে এই ১২৬ গৰাকী সদস্যই আমি খিলঞ্জীয়া মানুহ কিন্তু মই এই কথা দৃঢ়তাৰে কওঁ যে এই ১২৬ গৰাকী সদস্যই অসমীয়া। অসমীয়া মানেই খিলঞ্জীয়া নহয় আৰু খিলঞ্জীয়া মানেই অসমীয়া নহয়। আমি সকলো অসমীয়া যদিও আমাৰ প্ৰশ্নবোধক চিন থাকি যায় যে অসমীয়া সকল প্ৰকৃততে খিলঞ্জীয়া নে আৰু তেতিয়াহে যেন আমি ভাল অসমীয়া হিচাবে নিজকে পৰিগণিত কৰিব পাৰিম।

যদিহে আমি খিলঞ্জীয়া সকলৰ যি অধিকাৰ, খিলঞ্জীয়া সকলৰ ভাষা সংস্কৃতিৰ যি পৰিচয়, ইয়াক যদি আমি ৰক্ষণা-বেক্ষণ দিব পাৰো তেতিয়াহে অসমীয়া জাতিটো অধিক মহিয়ান হ'ব আৰু এই কথাটোত আমি কেতিয়াবা পিছহুহকি যাওঁ। আজি এই কথাবিলাক আমি কিয় ক'ব লগীয়া হৈছে? আমি কি সংকটত ভূগিছো ? ১৮২৬ চনত ইয়াণ্ডাবু সন্ধিৰ চুক্তিমতে আমি বৃটিছৰ অধীন হৈছিলো। তাৰ আগতে ১৭৫৭ চনত পলাচী যুদ্ধত হাৰি ইংৰাজ সকলে বংগৰ নবাব দখল কৰিছিল আৰু তাৰপিছত ১৮২৬ চনত অথাৎ প্ৰায় ৭০ বছৰ পিছত আমি বৃটিছৰ অধীন হৈছিলো। ১৮৩৭ চনত কোনো ধৰণৰ যুক্তি নথকাকৈ অসমীয়া ভাষাটো পঢ়াশালি, আদালতৰ পৰা আঁতৰাই দিয়া হ'ল। তাৰ কাৰণে বহুত যুঁজ বাগৰ কৰিব লগীয়া হ'ল। সেই সময়ত অহা খ্ৰীষ্টান মিছনাৰী নাথান ব্ৰাউন ইত্যাদিয়ে কৈছিল যে অসমীয়া জাতিৰ কাৰণে এইটো এটা সাংঘাটিক ধৰণৰ ভুল সিদ্ধান্ত হ'ল। তেওঁলোকে চিঠি লিখি জনাইছিল যে পুনৰ অসমীয়া ভাষাটো ঘূৰি আহিব লাগে। কিন্তু নাহিল। আমি ৰখিব লগীয়া হ'ল ১৮৭৩ চনলৈকে। লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰ কুমাৰ আগৰৱালা, হেমচন্দ্ৰ বৰুৱা আদি বিভিন্নজন ব্যক্তিৰ বিভিন্ন প্ৰচেষ্টাত অসমীয়া মানুহৰ আত্মবলিদানৰ পিছত ১৮৭৩ চনত আকৌ এবাৰ অসমীয়া ভাষাটো আদালত আৰু পঢ়াশালিত হ'ল। তাৰকাৰণে অৱদান আমাৰ ওচৰ চুবুৰীয়া ৰাজ্য বিলাকৰ পৰা অহা মানুহৰ যি আগ্ৰাসন সেই আগ্ৰাসনে কিন্তু বাৰে বাৰে আমাক বাধা দিছিল। অথচ খ্ৰীষ্টান মিছনাৰী সকলে বুজি পাইছিল যে অসমত এটা সুকীয়া জাতি সত্বা আছে, অসমীয়া ভাষা আছে, অসমীয়া সংস্কৃতি আছে। অসমৰ ওচৰ চুবুৰীয়া ৰাজ্যতকৈ অসমৰ সাহিত্য বহুত পুৰণি। আমি যদি চাওঁ ইয়াত কীৰ্তন ঘোষাকে ধৰি নামঘোষা, কীৰ্তন,দশম-পুৰাণ, মাধৱ কন্দলী, অনন্ত কন্দলী আৰু ভট্টদেৱৰ কথা সাহিত্য বহু ৰাজ্যতকৈ আমাৰ অসমত বহু পুৰণি কথা সাহিত্য আমাৰ অসমত আছে। কিন্তু এই ইতিহাস থকাৰ পিছতো এটা ভাষা আঁতৰাই দিয়া হয়। সেই একে কথাকে আমি ১৯৬০ চনত, ১৯৭২ চনত ভূগিব লগা হৈছে। পাঁচ জনকৈ শ্বহীদৰ বাবে আমি আমাৰ ভাষাটো ঘুৰাই পাইছো। এই কথা বিলাক অসমীয়া মানুহৰ বুকুৰ মাজত এতিয়াও আছে আৰু এই কথা বিলাকে মাজে মাজে অসমীয়া মানুহক বিদ্ৰোহী কৰি তোলে। গতিকে আমাৰ আজিৰ এই অসমৰ বিভিন্ন ঠাইৰ পৰা অহা ১২৬ জন বিধায়কৰ প্ৰধান দায়িত্ব হ'ল যে আমি অসমীয়া মানুহখিনিৰ আবেগ-অনুভূতিক একত্ৰিত কৰি অসমীয়া জাতিটোক প্ৰতিনিধিত্ব কৰিব লাগে আৰু অসমীয়া জাতিটোক ৰক্ষা কৰিব লাগে। এই উদ্দেশ্যটো যদি আমাৰ নহয় আমি ভাবিম যে আমাৰ অসম চুক্তিক অৱমাননা মুখেৰে নহয় আমি কামেৰে কেতিয়াবা কেতিয়াবা কৰিছো।

আমি অসম বিধান সভাৰ মজিয়াত এটা কথা আৰু বাহিৰত যদি এটা কথা কৈ চুক্তিখন অৱমাননা কৰোঁ, তেতিয়া আমি নিশ্চয় নাভাৱো চুক্তিখনক অৱমাননা কৰা হৈছে। অলপ আগতে শ্ৰীমতী অজন্তা নেওগ বাইদেউয়ে কৈছে যে ইয়াৰ আগৰ সন্মানীয় অধ্যক্ষ শ্ৰী প্ৰণৱ গগৈ ডাঙৰীয়া দেৱে অসমীয়াৰ সংজ্ঞাৰ এটা প্ৰচেষ্টা হাতত লৈছিল। বিভিন্ন জাতীয় সংগঠন বিলাকৰ লগত আলোচনাত মিলিত হৈছিল। কিন্তু অসমীয়া কোন আৰু খিলঞ্জীয়া কোন এই প্ৰশ্নটো নিশ্চয় আমাৰ মাজত থাকিব। অসমীয়া সাহিত্যৰ বুৰঞ্জী পঢ়িলে খিলঞ্জীয়া কোন আমি বুজি পাম। আমি সকলোৱে বুজি পাওঁ কিন্তু মুখত ক'বলৈ টান পাওঁ যে খিলঞ্জীয়াৰ অধিকাৰ বুলি কওঁতে, খিলঞ্জীয়াক অধিকাৰ দিবলৈ যাওঁতে আমাৰ অধিকাৰ কমি যাব নেকি ? এই প্ৰশ্নটোৰ কাৰণে মাজে মাজে আমি ৰৈ যাওঁ। সেইকাৰণে মই অধ্যক্ষ মহোদয়ক অনুৰোধ কৰিব খোজো যে খিলঞ্জীয়াক অধিকাৰ দিয়ক।

অধ্যক্ষ মহোদয়, আজি অসমৰ মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়া তেতিয়াৰ সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি আছিল। তেখেতে কেন্দ্ৰীয় চৰকাৰক দাবী কৰা এটা তথ্য মোৰ হাতত আছে। তাত খিলঞ্জীয়াৰ অধিকাৰ সম্পৰ্কে তেখেতে ২২ টা প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰক দিছিল। কিন্তু সংক্ষেপে গোটেই কথাখিনি ইয়াত ক'বৰ বাবে চেষ্টা কৰিছো। সদৌ অসম ছাত্ৰ সন্থাৰ ফালৰ পৰা এই যি ২২ টা প্ৰস্তাৱ দিছিল, তাৰে কেইটামান অতি গুৰুত্বপূৰ্ণ। আমাৰ অতি দুখ হয় আমি যেতিয়া গুৰুজনাৰ বিপক্ষে গৈ আমি অসমীয়া কোন, খিলঞ্জীয়া কোন বিচাৰি থাকো। খিলঞ্জীয়া কোন, আজি এই কথা মই ব্যাখ্যা কৰিবলৈ নাযাওঁ। সেইটো বহু দীঘলীয়া হ'ব। গোটেই বিশ্বতে খিলঞ্জীয়া কোন সেই লৈ বহুত আলোচনা হৈছে। কিন্তু আন এটা কবিতা গাই দিব বিচাৰিছো। তাত অসমীয়া কোন ওলাই পৰিব। কিন্তু সেই কবিতাটো জ্যোতি প্ৰসাদ আগৰৱালাদেৱে ১৯৪৭ চনৰ আগতে লিখা কবিতা। ১৯৪৭ চনৰ আগতে আগৰৱালাদেৱে অসমীয়া কোন ব্যাখ্যা কৰি গৈছে। কিন্তু আমি অসমীয়া কোন ক'বলৈ অসুবিধা পাইছো। মই কবিতাটোৰ মাজৰ কেইটামান শাৰী পাঠ কৰি দিছো। অসমীয়া বুলি কওঁতে আগৰৱালাদেৱে সেই সময়ত গোটেই উত্তৰ-পূৰ্বাঞ্চলৰ মানুহখিনিক লৈ অসমীয়া বুলি কৈছিল। তাৰে বহুখিনি যেনে- খাছীয়া, জয়ন্তীয়া, নগা আদি বিভিন্ন জাতি সমূহ আমাৰ লগত বৰ্তমান নাই। তথাপিতো মই কবিতাটোৰ স্বাৰ্থত আৰু আমাৰ অসমীয়া মানুহৰ স্বাৰ্থত এই কবিতাটো ইয়াত পাঠ কৰিব ওলাইছো।

ময়েই খাছীয়া
মই জয়ন্তীয়া
        ডফলা-আবৰ-অঁকা,
ময়ে চিংফৌ
ভৈয়ামৰ মিৰি
        সোৱণশিৰীয়া ডেকা,
বিজয়ী আহোম কছাৰী-কোঁচৰ
        মেছৰ কুমাৰ মই
                ৰাজবংশী ৰাভা
        কপালত জ্বলে শত গৌৰৱ আভা।
মই-
লালুং-চুটিয়া

লুচাই-মিকিৰ-গাৰো,
মিছিমি-খাম্‌তি
নগা-আঙ্গামী বীৰ,
পৰ্ব্বতে-পাহাৰে
জ্বলিছে উচ্চ শিৰ।
সাম্য-মৈত্ৰীৰ ময়েই ৰণুৱা
চাহ-বাগিচাৰ ময়েই বনুৱা
ন-অসমীয়া মৈমনছিঙীয়া
থলুৱা নেপালী
নৃত্য-কুশলী মণিপুৰীয়া মই।
মই-
কত পৰ্ব্বতৰ
কত ভৈয়ামৰ
শত নিজৰাৰ ধাৰ,
হিলদল ভাঙি
বৈ আহি আহি
বৰলুইতত
হৈ যাওঁ একাকাৰ।

ইয়াতকৈ আৰু বেছি অসমীয়াৰ সংজ্ঞা আমাক কি লাগে ? আমি যদি এইখিনিকে অলপ জুকিয়াই লৈ ১৯৪৭ চনৰ পিছত অসমলৈ অহা মানুহখিনিক লৈ বৃহৎ এটা অসমীয়া জাতিৰ সপোন দেখিব পাৰো। কিন্তু ৰাজনৈতিকভাৱে আমি কেতিয়াবা এইবোৰ পাহৰি যাও। আমি ইয়াত এটা শব্দ খুউব আলোচনা কৰি থাকো। সেইটো হৈছে মৈমনছিঙীয়া সকলৰ বিষয়ে। আমি ভাবো যে মৈমনছিঙীয়াসকলো অসমীয়া হ'ব নেকি ? মৈমনছিঙীয়াসকলৰ উদাহৰণ ল'লে গম পাম যে আমাৰ অসমীয়া জাতিটোৰ কি হ'বলৈ ওলাইছে? মৈমনছিঙীয়া আচলতে এটা বড়ো শব্দ। মৈমন মানে ধান আৰু মনছিঙীয়া মানে য'ত ধান বেচিকৈ পোৱা যায়। তেওঁলোক মূলতঃ তিব্বত জনগোষ্ঠীৰ মানুহ আছিল। তাত তেওঁলোকে নিজৰ ভাষা-সংস্কৃতি সকলো হেৰুৱালে আৰু আমাৰ ইয়াত আহি গ'ল। সেই সময়ত অহা মৈমনছিঙীয়া সকলক আগৰৱালাদেৱে অসমীয়া জাতিৰ অঙ্গ হিচাপে কৈছে। গতিকে মই ভাৱো যে ইয়াতকৈ মুকলিকৈ আৰু অসমীয়াৰ সংজ্ঞা ক'ব নালাগে। কিন্তু এই মৈমনছিঙীয়া কোৱাৰ লগে লগে আৰু এটা ধাৰণা আহিব যে ১৯৭১চনৰ ২৪ মাৰ্চৰ পছত অসমলৈ অহা মৈমনছিঙীয়াসকলক গ্ৰহণ কৰি লম নেকি ? আমি ১৯৪৭আৰু ১৯৭১ চনৰ মৈমনছিঙীয়া সকলক আজি একত্ৰিত কৰি পেলাম নেকি ? সেই সময়ৰ ১৯৪৭ চনত অসমলৈ অহা মৈমনছিঙীয়া মূলৰ মানুহজনেও অসমীয়া ভাষা-সংস্কৃ তি গ্ৰহণ কৰিছে। সেইজনৰো একেই আৱেগ আৰু একেই চিন্তা থাকিব লাগিব, যিটো মোৰ বা আপোনাৰ আছে। তেতিয়াহে অসমীয়া জাতিয়ে একত্ৰিতভাৱে ১৯৭১ চনৰ পিছত অসমলৈ অহা মানুহখিনিক বহিষ্কাৰ কৰিবলৈ যুঁজ কৰিব পাৰিম। কিন্তু মাজে মাজে আমি ১৯৭১ চনৰ আগত আৰু ১৯৭১ চনৰ পিছত অসমলৈ অহা মানুহখিনিক মিলাই দিব বিচাৰে। আমাৰ মাজত বহি থকা অসম চুক্তি ৰূপায়ণ কৰা বহু মাননীয় সদস্য যেনে- শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত, শ্ৰী কেশৱ মহন্ত, শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, শ্ৰী ভৰেন্দ্ৰ নাথ ভৰালী, শ্ৰী পবিন্দ্ৰ ডেকা আৰু মাননীয় অধ্যক্ষ মহোদয়কে ধৰি বহু সদস্য আছে, যি অসম আন্দোলনত জড়িত আছিল। আমাৰ বাবে অসম আন্দোলন গীতা, কোৰাণ, বাইবেল বুলি

কৈছো। কাৰণ অসম আন্দোলন নহ'লে হয়তো আমি বিধান সভাৰ মজিয়ালৈ নাহিলোহেঁতেন। কিন্তু অসম চুক্তি হ'ল আৰু এই চুক্তি ৰূপৰায়ণ কৰিবৰ বাবে আন্দোলন হ'ল। তাৰে এক সামাজিক দায়িত্ব হিচাপে আমাৰ বেছিভাগ সদস্যই বিধান সভাৰ মজিয়াত আহিছো । গতিকে আমাৰ নৈতিক দায়িত্ব আছে আৰু আমি এই দায়িত্বটো পালন কৰিব লাগিব। কালি কোনোবাই আমাক কৈছে যে অসম গণ পৰিষদে একো নকৰিলে। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, অসম চুক্তিখন যদি আমি চাওঁ তাত কেইজনমান মানুহৰ নাম আছে, সেইসকল হ'ল-মাননীয় শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত, সভাপতি, ভৃগু কুমাৰ ফুকন সাধাৰণ সম্পাদক, বিৰাজ কুমাৰ শৰ্মা আহ্বায়ক, আৰ ডি প্ৰধান আৰু পি বি ত্ৰিৱেদী আৰু তাৰ তলত আৰু এটা গুৰুত্বপূৰ্ণ নাম আছে যাৰ বিষয়ে আমি পাহৰি যাম। সেই নামটো হৈছে সেই সময়ৰ প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধী ডাঙৰীয়া। তেওঁৰ সন্মুখতে অসম চুক্তি স্বাক্ষৰিত হৈছিল। আমি কিয় ইজনে সিজনৰ গাত বোকা ছটিয়াবৰ চেষ্টা কৰো যে অগপ, বিজেপি আৰু কংগ্ৰেছে নকৰিলে। এইটো সকলোৰে দায়িত্ব। যেতিয়ালৈকে এইটো অসমীয়াৰ জাতীয় জীৱনৰ দায়িত্ব বুলি নাভাৱিম, কোনোবা ৰাজনৈতিক দলৰ দায়িত্ব বুলি ভাৱিম তেতিয়া আমি অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত কোনো পদক্ষেপ লব নোৱাৰিম। মই সকলো ৰাজনৈতিক দলৰ সকলো বিধায়কক আহ্বান জনাব বিচাৰিছো যে সকলোৰে এইখন চুক্তি ৰূপায়ণ কৰাৰ দায়িত্ব আছে। মই আগতে ৬ নং দফাৰ ক্ষেত্ৰত কৈছো যে অসমীয়া ভাষা-সংস্কৃতি ৰক্ষণা-বেক্ষণ দিবলৈ অসম চুক্তিৰ ৬ নং দফা অন্তৰ্ভুক্ত কৰিছিল আৰু এই দফাটো অতি গুৰুত্বপূৰ্ণ। ৬ নং দফাৰ জৰিয়তে সদৌ অসম ছাত্ৰ সন্থাৰ Inner line permit, ভূমিৰ অধিকাৰ 100% Resevation for indigenous people আৰু প্ৰাকৃতিক সম্পদৰ ওপৰত অধিকাৰ। এই ২২ টা কথাৰ ভিতৰত ৪টা কথা অতি গুৰুত্বপূৰ্ণ আছে বুলি মই বিবেচনা কৰো। গতিকে ৬ নং দফাটো যদি আমি বাস্তৱত ৰূপায়ণ কৰিব খোজো তেতিয়াহে অসমীয়া খিলঞ্জীয়া মানুহৰ অধিকাৰ সাব্যস্ত কৰিবলৈ সক্ষম হ'ম। নহ'লে যেনেকৈ মৈমনছিঙীয়া সকলে নিজৰ ঠাইতে ঐতিহ্য পাহৰি বিভিন্ন ঠাইলৈ যাবলগীয়া হ'ল। তেওঁলোকৰ যি চৰিত্ৰ আছিল সেই চৰিত্ৰ পাহৰি বড়ো জন্‌গোষ্ঠী বা তিব্বতীয় জনগোষ্ঠীলৈ পৰিবৰ্ত্তিত হ'ল। ঠিক একেই অৱস্থা হয়তো অসমীয়া জাতিৰো হ'ব। শ্ৰী আব্দুল খালেক ডাঙৰীয়াই অনা প্ৰস্তাৱটোৰ বাবে আমাৰ এটাই লাভ হৈছে যে আমি বহু কথা মুকলিভাৱে ইয়াত আলোচনা কৰিবলৈ সুবিধা পাইছো। অসম বিধান সভাৰ প্ৰতিজন সদস্যই এই কথাটো হয়তো মনৰ ভিতৰত আছে যে অসম চুক্তিখন কোনেও উলংঘা কৰিব নোখোজে। ৬ নং দফাটো কোনেও সালসলনি কৰিব নোখেজে। আমাৰ জনসাধাৰণে আমাক চাই আছে যে অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত এইখন চৰকাৰে কি দায়িত্ব গ্ৰহণ কৰিব। অসম বিধান সভাই কি ভূমিকা গ্ৰহণ কৰিব। অল্প আগতে অজন্তা নেওঁগ বাইদেউৱে কোৱাৰ দৰে ময়ো মাননীয় অধ্যক্ষ মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে শ্ৰী প্ৰণৱ গগৈ ডাঙৰীয়াৰ দিনত অসমীয়া সংজ্ঞাৰ নিৰ্দ্ধাৰণৰ কাম আধৰুৱা হৈ আছে। সেইটো পুনৰ আৰম্ভ কৰাৰ প্ৰচেষ্টা কৰিব লাগে। অসমীয়াৰ সংজ্ঞা পুনৰ উলিয়াব লাগে। খিলঞ্জীয়া মানুহ কোন হয় স্পষ্ট কৰিব লাগে। অসমৰ প্ৰতিজন বিধায়ক, প্ৰতিজন জনসাধাৰণ, প্ৰতিটো জনগোষ্ঠীৰ মানুহ তথা প্ৰতিজন শিল্পী-সংস্কৃতিৰ লগত জড়িত থকা মানুহখিনিয়ে ইয়াৰ ওপৰত মতামত দিয়ে। যাতে আমি যিকোনো প্ৰকাৰে অসমীয়া খিলঞ্জীয়া মানুহখিনিক উলিয়াব পাৰো। তেওঁলোকৰ ভাষা-সংস্কৃতি আমি ৰক্ষণা-বেক্ষণ দিব পাৰো।

অসমীয়া জাতিটো সংমিশ্ৰণত গঢ়ি উঠা এটা জাতি। এই জাতিটোৱে যদি বিহুকে অকল সংস্কৃতি

বুলি ভাৱে তেন্তে ভুল কৰা হ'ব। মিচিং সকলৰ আলি আই লৃগাং, বড়ো সকলৰ বৈচাগু উৎসৱ, ৰাভা সকলৰ বাইখু উৎসৱক সমানে গুৰুত্ব দিব লাগিব। গতিকে অসমীয়া জাতিটো সকলো জনগোষ্ঠীৰ সংমিশ্ৰণ। আটাইতকৈ ডাঙৰ কথা যে জাতি হ'বলৈ যি কেইটা সমলৰ প্ৰয়োজন যেনে, উমৈহতীয়া ভূমি, বাসভূমি, সংযোগী ভাষা তথা উমৈহতীয়া সংস্কৃতি এই সকলোখিনি আমাৰ ইয়াত আছে। জাতি এটা সম্পূৰ্ণ হ'বৰ বাবে আৰু দুটা বস্তুৰ প্ৰয়োজন, সেইকেইটা হ'ল ইয়াত বসবাস কৰা জনগোষ্ঠীৰ মাজত সমবিকাশ আৰু মানসিক সমন্বয়। জাতি এটা পূৰ্ণাংগ হ'বলৈ আমাক ৫ টা সমলৰ দৰকাৰ হয়। তাৰে ৩ টা সমল আমাৰ ঠিকে আছে কিন্তু ২ টা বস্তুত আমাৰ এতিয়াও অকণমান কেৰোণ আছে; সেইটো হ'ল অসমত বসবাস কৰা প্ৰতিটো জনগোষ্ঠীৰ সম-বিকাশ হোৱা নাই। তাৰ বাবেই আমাৰ মাজে মাজে আন্দোলন হৈছে। বিভিন্ন জনগোষ্ঠীয়ে নিজৰ অধিকাৰ সাব্যস্ত কৰিবৰ বাবে ওলাই আহিছে। গতিকে সেই জনগোষ্ঠী সমূহৰ বিকাশৰ বাবে আমি ভাবিব লাগিব আৰু আমাৰ মাজত ৰাজনৈতিক বা সামাজিক কাৰণতেই হওঁক যি মানসিক সমন্বয় থাকিব লাগে সেইটো আমি ১৯৪৭ চনৰ পিছত অসমখন হেৰুৱাই পেলাইছো। মই আশা কৰিছো অসম বিধান সভাৰ সন্মানীয় অধ্যক্ষৰ জৰিয়তে প্ৰতিগৰাকী বিধায়কে অসমৰ প্ৰতিটো জনগোষ্ঠীৰ মৰ্ম বেদনা উপলব্ধি কৰি তেওঁলোকৰ সপেক্ষে মাত মাতি অসমীয়া ভাষা-সংস্কৃতিক ৰক্ষণা -বেক্ষণ দিবলৈ যাব লাগিব তেতিয়াহে আমি ভাবিম যে প্ৰকৃতাৰ্থত অসম চুক্তিৰ ৬ নং দফাটো সমাধান কৰিবৰ বাবে সক্ষম হ'ব পাৰিম। আজিৰ তাৰিখত মই ভাৱো যে, অসম চুক্তিটো এটা ৰাজনৈতিক কথা। Border Seal, NRC প্ৰক্ৰিয়া যি চলি আছে সেই সকলোখিনি ইয়াৰ লগত জড়িত হৈ আছে। কিন্তু ৬ নং দফাটো ৰূপায়ণ কৰাত আমাৰ অসুবিধা ক'ত? কাৰণ ৬ নং দফাটো ৰূপায়ণ কৰাটো আমাৰ দায়িত্ব, কেন্দ্ৰীয় চৰকাৰক আমি বাধ্য কৰিব লাগিব যে অসম চুক্তিৰ ৬ নং দফাটো তেওঁলোকে আখৰে আখৰে পালন কৰে যাতে তেওঁলোকে অসমৰ প্ৰতিটো জনগোষ্ঠীক ভাষা, সাংস্কৃতিক ক্ষেত্ৰত নিৰাপত্তা প্ৰদান কৰে। গতিকে মই ভাৱো, এই কথাখিনি অসম বিধান সভাৰ মজিয়াৰ পৰা যোৱাত কোনো আপত্তি থাকিব নালাগে। মই আশা কৰিছো, অসম বিধান সভাৰ মজিয়াত আজি এটা খুব গুৰুত্বপূৰ্ণ বিষয় উত্থাপন হৈছে আৰু মন্ত্ৰী ডাঙৰীয়াই নিশ্চয় ইয়াৰ উত্তৰ দিব। মই যোৱাকালি এখন কিতাপৰ কথা reference হিচাপে লৈ কথাখিনি ক'ব বিচাৰিছিলো কিন্তু কোৱাৰ সময় নহ'ল। অসম বিধান সভাৰ সদস্য এগৰাকীয়ে গিৰিজা চৰণ দাস ছদ্মনামেৰে এলানি প্ৰবন্ধ লিখিছিল।

**মাননীয় অধ্যক্ষ ঃ** সদস্য গৰাকীৰ নাম কি?

**মাননীয় শ্ৰী সত্যব্ৰত কলিতা (কমলপুৰ) ঃ** সদস্য গৰাকী হ'ল আমাৰ বৰ্তমানৰ মন্ত্ৰী শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্যৰ পিতৃ গৌৰী শংকৰ ভট্টাচাৰ্য ডাঙৰীয়া। তেখেতে এখন কিতাপ লিখিছিল- "ভূমি পুত্ৰৰ মৰ্ম বেদনা"। তাত বহুখিনি কথা লিখা আছে, যিটো মই আজি reference দি নকওঁ কাৰণ বহুত দীঘলীয়া হ'ব। এই কিতাপখনত অসমীয়াৰ জাতীয় জীৱন, অসমৰ ৰাজনৈতিক সমস্যাৰ সম্পৰ্কে বহু খিনি কথা ইয়াত লিপিবদ্ধ হৈছে যিখিনি আমি পঢ়িলে হয়তো অসমখনক ভালকৈ বুজি পাবলৈ সক্ষম হয়। ভূমি পুত্ৰ কোন আদি বিভিন্ন কথা ইয়াত সন্নিবিষ্ট কৰা আছে, ৰাজনৈতিক বিশ্লেষণ আছে, ১৯১১ চনৰ পিছত ইয়াত পূৰ্ববংগৰ মানুহবোৰ কেনেকৈ ভাগ হ'ল, এনে ধৰণৰ কথা ইয়াত ব্যাখ্যা কৰা হৈছে। আমি যিহেতু দায়িত্বশীল প্ৰতিনিধি গতিকে মই প্ৰতি গৰাকী বিধায়কে অনুৰোধ কৰিছো যে আমি সকলোৰে অকণমান সংযত হ'ব লাগিব কাৰণ আমিয়েই যদি অসংযত হৈ যাওঁ তেন্তে অসমৰ ৰাইজক আমি এটা পথ দেখুৱাবৰ বাবে অসুবিধা হ'ব। আমি কিমান

জ্ঞানী-গুণী নাজানো, কিন্তু আমি আমাৰ কৰ্মৰে জ্ঞানী-গুণী বুলি প্ৰমাণ কৰিব লাগিব। ইয়াত কোনোৱে ভাল কথা এটা ক'লে সেইটো আমি শুনি আগবঢ়াব লাগিব আৰু এইটো আমাৰ অসম বিধান সভাৰ দায়িত্ব। যোৱাকালি সদনত মূল্য বৃদ্ধিৰ বাবে অলপ হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হৈ গৈছিল। আমি সংস্কৃতিৱান হ'ব লাগিব যাতে আমি সকলো পক্ষৰ কথাবোৰ শুনি এটা সিদ্ধান্তলৈ আহিব পাৰো। মূল্যবৃদ্ধি বা আন সমস্যাক লৈ চিঞঁৰ বাখৰ নকৰি আলোচনাৰ মাজেৰে যাতে সমাধানত উপনীত হ'ব পাৰো। আমি বিধায়ক সকলে ইয়াত বহাৰ বাবে গাড়ী-মটৰ, তেল আদি সকলোতে পইচা পাওঁ আৰু পইচা সমূহ ৰাইজৰ পইচা। আমি বিধান সভাৰ সদনৰ মজিয়াত কাজিয়া কৰো বুলি ৰাইজে আমাক কটাক্ষ কৰে। গতিকে অধ্যক্ষ মহোদয়, সাংস্কৃতিক ৰক্ষণা-বেক্ষণৰ কথা বেলেগক দিয়াৰ কথা ক'বলৈ যাওঁতে আমি নিজেই অলপমান সংস্কৃতিৱান হৈ ধৈৰ্য ধৰি ইজনে সিজনৰ কথা শুনাৰ অভ্যাসটো থাকিলে ভাল হয়। এই কথাখিনি অসম চুক্তিৰ ৬ নং দফাৰ লগত কোনো ধৰণে জড়িত নহয়, কিন্তু আজি সুযোগ পাই মই কথাখিনি সদনৰ মজিয়াত উপস্থাপন কৰিলো।

আমাৰ চৰকাৰৰ তৰফৰ পৰা ইতিমধ্যে হিমা দাস, ৰীমা দাস আৰু আদিল হুছেইনক অভিনন্দন জনোৱা হৈছে আৰু এই সুযোগতে আমাৰ সাংস্কৃতিক বিভাগৰ মন্ত্ৰী শ্ৰী নৱ কুমাৰ দলে' ডাঙৰীয়াক মই অনুৰোধ কৰিব বিচাৰিছো যে ৰীমা দাসৰ ছবিখন অস্কাৰৰ বাবে nominate হৈছে গতিকে তেওঁক campaigning আদিৰ বাবে কিছু খৰচ দি সহায় কৰি চৰকাৰৰ এটা সৌজন্যতা দেখুওৱাটো মই ভাল বুলি ভাৱো।

**মাননীয় অধ্যক্ষঃ** যোৱাকালি ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়াই এই কথাখিনি কৈছিল আৰু যোৱাকালি মুখ্যমন্ত্ৰী ডাঙৰীয়াইও এই কথাটোত সন্মতি দিছে। এই ক্ষেত্ৰত চৰকাৰে নিশ্চয় সহায় কৰিব।

**মাননীয় শ্ৰী সত্যব্ৰত কলিতা (কমলপুৰ) ঃ** হয়। আমাৰ চৰকাৰে বিভিন্ন দিশত বিভিন্ন ধৰণে উৎসাহিত কৰি আহিছে আৰু এই ক্ষেত্ৰতো কৰিব বুলি ভাৱিছো কাৰণ সাংস্কৃতিক দিশত এইটো আমাৰ এক যাত্ৰা । বহু দিনৰ অন্তত আমাৰ ভাগ্য সু প্ৰসন্ন বা সু দৃষ্টিত আহিছে কাৰণ এতিয়া অসমলৈ সোণৰ পদক আহিবলৈ লৈছে। আমাৰ ছবি এখন ৰাষ্ট্ৰীয় পুৰস্কাৰ পোৱাই নহয়, ই ৰাষ্ট্ৰীয় পৰ্যায়ৰ বিভিন্ন ছবিৰ মাজৰ পৰা অস্কাৰৰ বাবে nominate হোৱাটোৱেই আমাৰ বাবে সৌভাগ্যৰ কথা। সেয়েহে আমি যাতে আমাৰ সাংস্কৃতিক জগতক অস্কাৰত পুৰস্কাৰ পোৱাৰ পৰিৱেশলৈ লৈ যাব পাৰো। ইয়াৰোপৰি, এই চিনেমা খন ভাল হোৱা বুলি শুনিবলৈ পাইছো কিন্তু চাব পৰা নাই। গতিকে ইয়াৰ tax টো free কৰি যদি চাব পৰাৰ এটা ব্যৱস্থা কৰি দিলে ভাল হয় যাতে গাওঁ অঞ্চলৰ মানুহ সমূহেও চাব পাৰে।

**মাননীয় অধ্যক্ষঃ** Can we have special screening for our Hon'ble Members?

**মাননীয় শ্ৰী সত্যব্ৰত কলিতা (কমলপুৰ) ঃ** হয়, এইটো নিশ্চয় দিব পৰা যায়।

**মাননীয় অধ্যক্ষঃ** ইয়াৰ এটা screening হওঁক, আমি সকলোৱে চাম।

**মাননীয় শ্ৰী সত্যব্ৰত কলিতা (কমলপুৰ) ঃ** যোৱা বছৰ আমাৰ ইয়াত film festival হৈছিল তাত screening কৰি দেখুওৱা হৈছিল যদিও বহুত মানুহে চাব পৰা নাছিল। গতিকে মই এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে initiative লয় আৰু বিধায়ক সকলে চাব পৰাৰ যাতে ব্যৱস্থা কৰে। এনে ধৰণৰ বিষয়ত মোক ক'বলৈ সুযোগ দিয়াৰ বাবে পুনৰ বাৰ আপোনাক ধন্যবাদ জনাই মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এই লোক সকলৰ কৃতিত্বক উৎসাহ দিবলৈ আমি সকলোৱে কালি

প্ৰস্তাৱ লৈছিলো আৰু এই কথাখিনি যেতিয়া সদনত উত্থাপন হৈছিল তেতিয়া আমাৰ মাননীয় মুখ্যমন্ত্ৰী সদনত উপস্থিত আছিল। তেখেতে ইয়াৰ সন্মতি তেতিয়াই দিছিল আৰু মই ভাৱো এই ক্ষেত্ৰত নিশ্চয় সহায় কৰা হ'ব।

এতিয়া জাকিৰ হুছেইন সিকদাৰ।

**মাননীয় শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)ঃ** অধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক আব্দুল খালেক ডাঙৰীয়াই অসম বিধান সভাৰ পৱিত্ৰ সদনৰ সৰ্ব সন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰে যে কোনো কাৰণতে অসম চুক্তি বা চুক্তিৰ ৬ নং দফাৰ কোনো ধৰণৰ সংশোধন হ'ব নালাগে। এনে সংশোধনৰ ফলত সমগ্ৰ চুক্তিখনকে অৱমাননা কৰা হ'ব। এই সংকল্প প্ৰস্তাৱৰ প্ৰতি মই সমৰ্থন জনাই বক্তব্য ৰাখিব বিচাৰিছো আৰু আপুনি সুযোগ দিয়াৰ বাবে ধন্যবাদ জনাইছো।

অধ্যক্ষ মহোদয়, অসম চুক্তিৰ কথা যেতিয়া উত্থাপন হৈছে, প্ৰথমতে মই অসম চুক্তি ৰূপায়ণকাৰী সেই সময়ৰ সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃবৰ্গ, গণ সংগ্ৰাম পৰিষদ আৰু তাৰ লগে লগে প্ৰয়াত ৰাজীৱ গান্ধী ডাঙৰীয়াক আজি এই পৱিত্ৰ সদনৰ জৰিয়তে ধন্যবাদ ও কৃতজ্ঞতা জনাব বিচাৰিছো। আশীৰ দশকত অসমত যি অগ্নিগৰ্ভৰ পৰিস্থিতিৰ সৃষ্টি হৈছিল, যি সময়ত অসমত অশান্তিয়ে বিৰাজ কৰিছিল তেনেকুৱা এটা সময়ত অসমত শান্তি ঘূৰাই অনাৰ ক্ষেত্ৰত যিখিনি পক্ষই এই অসম চুক্তি ৰূপায়ণ কৰিলে সেই গোটেইখিনি পক্ষই পৃথিৱীত থকা পৰ্যন্ত অসমবাসীৰ ওচৰত ধন্যবাদৰ পাত্ৰ হৈ থাকিব। তাৰ লগে লগে ইতিমধ্যে পৱিত্ৰ বিধান সভাৰ প্ৰতিজন বক্তাই অসম চুক্তিৰ লগত জড়িত ৮৫৫ জন শ্বহীদক সন্মান জনাইছে. তাৰ লগে-লগে, ইতিমধ্যে বিধানসভাৰ প্ৰতিজন সদস্যই ৮৫৫ শ্বহীদক সন্মান জনাইছে আৰু মইও ব্যক্তিগতভাৱে তেওঁলোকক স্মৰণ কৰিছো আৰু তেখেত সকলৰ প্ৰতিদানখিনিক যাতে আমি সদায় আমাৰ মনত সজীৱ কৰি ৰাখিব পাৰো তাৰ কাৰণে আমি সু-দৃষ্টি দিব লাগিব।

অধ্যক্ষ ডাঙৰীয়া, অসম আন্দোলন আৰু অসম চুক্তিৰ কথা মনলৈআহিলে কিছু কথা আমি কব লাগিব। অসম আন্দোলন যেতিয়া চলি আছিল, ১৯৮০ চনত মই জন্মগ্ৰহণ কৰিছিলো। কিন্তু ডাঙৰ হোৱাৰ পাছত 'মা'ৰ মুখৰ পৰা বা দেউতা বা আন বয়োজেষ্ঠ সকলৰ মুখৰ পৰা অসম আন্দোলনৰ সময়ত যি পৰিস্থিতিৰ সৃষ্টি হৈছিল, তাৰ বিষয়ে গম পাইছিলো আৰু তাৰে কিছু কথা সদনত অৱগত কৰিব খুজিছো। মায়ে কৈছিল যে মই কেঁচুৱা থাকোতে অসমত এনেকুৱা এটা দিন আছিল যেতিয়া তেওঁলোকে মোক লৈ দৌৰিব লগা হৈছিল। তেওঁলোকে ৰাতি হোৱাৰ লগে-লগে চিন্তা কৰিছিল কোন সময়ত আমাৰ ঘৰ জ্বলাই দিয়া হ'ব। ঘৰৰ মানুহখিনি ঘৰলৈ ঘুৰি আহিব পাৰিব নে নাই? সেইলৈ ভীতিগ্ৰস্ত হৈ আছিল। এই কথাবোৰ মই সৰু থাঁকোতেই শুনিছিলো যদিও আজিও মোক আমনি কৰি থাকে। এনেকুৱা বিভিন্ন ত্যাগ আৰু কষ্ট স্বীকাৰ কৰি অসম আন্দোলন কৰাৰ ফলত অসম চুক্তি খন গঠন হ'ল। ৮৫৫ জন শ্বহীদৰ বাহিৰেও এনেকুৱা বহু লোকে বলিদান দিছিলে যিবোৰ তথ্য চৰকাৰী নথি-পত্ৰত উল্লেখ নাই। কিন্তু অসম চুক্তি যেতিয়া ৰূপায়ণ হয়, যিসকলক নিৰ্যাতিন কৰা হৈছিল, যিসকলক বিশেষভাৱে target কৰা হৈছিল, সকলোৱে এটা কথা কৈছিল যে, তেওঁলোকক শান্তি লাগে। তেওঁলোকে কৈছে আমি শান্তি বিচাৰো। অসমত যাতে পৰবৰ্তী সময়ত শান্তি বিৰাজ কৰে আৰু অসমৰ মাটিত থকা বিভিন্ন জাতি, ভাষা-ভাষী মানুহৰ মাজত যাতে মিলা প্ৰীতি থাকে আমি তাকে কামনা কৰো। ভাতৃত্ববোধেৰে যাতে সকলোৱে একেলগে থাকিব পাৰে তাৰ কাৰণে গোটেই অসম বাসীয়ে অসম চুক্তি মানি লৈছিল আৰু পৰবৰ্তী সময়ত অসম খনক বৰ অসম হিচাপে গঢ়ি তোলাৰ আশাঁ মনত পুহি ৰাখিছিল।

অধ্যক্ষ ডাঙৰীয়া, আজি এই সংকল্প প্ৰস্তাৱত ৬ নং দফাৰ কথা উল্লেখ কৰিছে। আগৰ

বক্তাসকলেও অসম চুক্তিৰ ওপৰত বিভিন্ন কথা উল্লেখ কৰিছে। কিন্তু সেই সময়ত যিসমূহ কাম কাৰ্য্যকৰী কৰাৰ কথা কৈছিলে আজিৰ তাৰিখত সেইবোৰ কিমান কাৰ্য্যকৰী কৰা হ'ল সেইটো এটা প্ৰশ্ন হৈ থাকিল? মোৰ ভাল লাগিছে যে, আজি আপুনি অধ্যক্ষৰ আসন অলংকৃত কৰিছে। অসম আন্দোলনৰ সময়ত আপুনি নিজে এজন অংশগ্ৰহণকাৰী আছিল। অসমৰ মাননীয় মুখ্যমন্ত্ৰীকে ধৰি আজি বিভিন্ন জেষ্ঠ সদস্য সকল এই আন্দোলনৰ লগত জড়িত হৈ আছিল। গতিকে যিসকল অভিজ্ঞ ব্যক্তি আছিল , আপোনাৰ জৰিয়তে সেই সকলক অনুৰোধ জনাব বিচাৰিছো যে, অসম চুক্তিক যাতে কোনো কাৰণতে কোনো পক্ষই অৱমাননা কৰিব নোৱাৰে। অসম চুক্তিক অসমৰ দলিল বুলি কওঁ। সেই দলিলক যাতে আমি সুৰক্ষিত কৰি ৰাখিব পাৰো। এই চুক্তিৰ প্ৰতিটো দফাকে যাতে আমি ৰূপায়িত কৰিব পাৰো তাৰ প্ৰতি লক্ষ ৰাখিব লাগিব।

যেতিয়া ২০১৬ চনৰ নাগৰিকত্ব সংশোধনীৰ কথা আহিছে তাৰ লগে-লগে প্ৰশ্ন আহিছে ৮৫৫ জন শ্বহীদৰ ত্যাগ চিৰদিনৰ বাবে অথলে যাব নেকি? নাগৰিকত্ব সংশোধনী বিধায়কৰ বিৰুদ্ধে ৰাইজ যেতিয়া ৰাজপথলৈ ওলাই আহিছে, চৰকাৰী পক্ষৰ লগতে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াও এই বিষয়ে স্পষ্টভাৱে এটা কথাও কোৱা নাই। এইটো অসমবাসীৰ বাবে অতিকৈ দুখৰ কথা। কাৰণ আজিৰ মুখ্যমন্ত্ৰী ডাঙৰীয়া এটা সময়ত ছাত্ৰ সন্থাৰ সভাপতি আছিল।

হ'ব। এতিয়া আপুনি মূল কথালৈ আহিব লাগে। আপুনি কথাটো উল্লেখ কৰিছে মই record কৰিছো কিন্তু বেচিকৈ এই কথাখিনিত emphasis নকৰিব। আমি জানো যে, লোকসভাৰ under ত এইটো আছে। তেওঁলোকে কি কৰে সেইটো আমি চাম।

**শ্ৰী জাকিৰ হুছেইন শিকদাৰ ঃ** অধ্যক্ষ ডাঙৰীয়া, ৰাইজৰ প্ৰতিনিধি হিচাপে ৰাইজে আমাক প্ৰশ্ন কৰে যে, আপোনালোকে অসম চুক্তিক অসন্মান কৰা ২০১৬ চনৰ নাগৰিক সংশোধনী বিধেয়কখন গৃহীত কৰিব নে নাই? সেই কথাবিলাক আপোনালোকে পবিত্ৰ বিধান সভাত উত্থাপন কৰিব।

**মাননীয় অধ্যক্ষ ঃ** সেইবাবে মই আপোনাক কথাখিনি কোৱাৰ অধিকাৰ দিছো। কিন্তু আজিৰ এই যি সংকল্প প্ৰস্তাৱ, তাত এই clause six টো যে ৰাখিব লাগে মই সেইটোহে বিচাৰো। বেচিকৈ explain কৰিলে গোটেই কথাবিলাক divert হৈ যাব। গতিকে এইটো মোৰ অনুৰোধ যে আপুনি মূল কথালৈ আহক।

**শ্ৰী জাকিৰ হুছেইন শিকদাৰ ঃ** অধ্যক্ষ ডাঙৰীয়া, আপোনাৰ পৰামৰ্শৰ বাবে ধন্যবাদ জনাইছো। আপুনি দিয়া পৰামৰ্শমতে মই মোৰ পৰবৰ্তী কথাখিনি কবলৈ যত্ন কৰিম।

অধ্যক্ষ ডাঙৰীয়া, আজিৰ তাৰিখত ৬নং দফাৰ কথা ইয়াত আহিছে। অসমীয়া বুলিলে আমি কাক কওঁ? আমাৰ আগৰ বক্তা মাননীয় সত্যব্ৰত কলিতা ডাঙৰীয়াই বিভিন্ন কথাৰ মাজেৰে অসমীয়া খিলঞ্জীয়াৰ কথাবোৰ কৈ গৈছে। অসমৰ ভাষা আন্দোলনৰ কথাও আমি সকলোৱে জানো? কিন্তু এটা কথা ক'ব লাগিব যে অসমৰ বায়ু, পানী, মাটি সেৱন কৰা অসমীয়া জাতিৰ লগত একেবাৰে মিলি যোৱা , অসমীয়া জাতিৰ প্ৰতিটো কাম-কাজৰ লগত নিজৰ অৱদান আগবঢ়োৱা প্ৰতিজন লোককে অসমীয়া বুলি আমি স্বীকাৰ কৰিব লাগিব। অসমীয়া জাতীয় কৃষ্টি সংস্কৃতিৰ লগত নিবিড়ভাৱে মিলি যোৱা যিসকল ভাষা-ভাষী লোক আছে সকলোকে আমি অসমীয়া বুলি মানি ল'ব লাগিব। কোনোবাই বিদেশৰ পৰা আহি যদি অসমৰ অসমীয়া হিচাপে স্বীকৃতি লয়, তাক আমিও বিৰোধিতা কৰো। কিন্তু খিলঞ্জীয়া অসমীয়া লোকসকলক যদি কোনাবাই বিদেশী বুলি আঙুলি টোৱাই কথা কয়, সেইটো আমি মানি লব নোৱাৰো।

**মাননীয় অধ্যক্ষ ঃ** আপোনাক আৰু ১০ মিনিট সময় বঢ়াই দিছো। আপুনি ১০ মিনিটত con-

clude করিলে আমি উত্তৰলৈ যাব পাৰিম।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ ঃ-** মাননীয় অধ্যক্ষ মহোদয়, অসম চুক্তিৰ এই **৬** নং দফা কোনোধৰণৰ তাতে সংশোধন হব নোৱাৰে তাৰ ওপৰত ইতিমধ্যে বিভিন্ন জনে বিভিন্ন কথা কৈছে। মই নিজস্ব ভাৱে আপোনাক অনুৰোধ জনাইছো যে এই দফাৰ যাতে কোনো ধৰণৰ পৰিবৰ্তন, কোনো ধৰণৰ সংশোধন নহয় তাৰ প্ৰতি আমি সকলোৱে লক্ষ্য ৰাখিব লাগিব। তাৰ কাৰণে আমি সকলোৱে এটা প্ৰস্তাৱ গৃহীত কৰিব লাগিব। অধ্যক্ষ মহোদয়, মই কৈ আছিলো অসমীয়াৰ সংজ্ঞা লৈ। আজি অসমত অসমীয়া হিচাপে জীয়াই থাকিবলৈ মাননীয় অধ্যক্ষ মহোদয়, আপুনি জানে কালি বিধান সভাত সন্মানীয় বিধায়ক শ্ৰী নুৰুল হুদা ডাঙৰীয়াই এজন অসমীয়া ব্যক্তিক অসমৰ নাগৰিকক ডি-ভোটাৰ সজাই এবাৰ কোৰ্টত গৈ ৰায় পাইছে স্বদেশী হিচাপে। দ্বিতীয় বাৰ আকৌ তেওঁক ডি-ভোটাৰ কৰিছে, তাৰ পিছতো তেওঁ ৰায় পাইছে। তৃতীয় বাৰ আকৌ তেওঁক ডি-ভোটাৰ কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, আপোনাক জনাওঁ যে কোনো এটা পৰিয়ালৰ বা কোনোবা এজন আপোন মানুহ যেতিয়া ডি-ভোটাৰৰ কবলত পৰে, সেই পৰিয়ালত আৰু সেই ব্যক্তিজনৰ জীৱনত কিমান অন্ধকাৰ নামি আহে। যেতিয়া নিজৰ নহয় কোনোও উপলব্ধি কৰিব নোৱাৰে। মাননীয় অধ্যক্ষ মহোদয়, অসম চুক্তিক ৰূপায়ন কৰা হৈছিল, তাৰ পিছতো কিন্তু অসমত, অসমৰ নাগৰিকে, অসমীয়া মানুহখিনিয়ে কেনেকুৱা হাৰাশাস্তি খাব লগীয়া হৈছে। আজি কেৱল এজন ব্যক্তিয়ে নহয় অসমৰ হাজাৰ হাজাৰ মানুহক তেনেকুৱা ডি-ভোটাৰ সজোৱা হৈছে। হাজাৰ হাজাৰ স্বদেশী মানুহক বিদেশী সজোৱা হৈছে। কিন্তু অধ্যক্ষ মহোদয়, ডি-ভোটাৰ বনাই কোনে? ডি-ভোটাৰ হিচাপে তেওঁলোকক চিহ্নিত কৰে কোনে? ব'ৰ্ডাৰ পুলিচে কৰে। ব'ৰ্ডাৰ পুলিচে কেনেকৈ কৰে? ব'ৰ্ডাৰ পুলিচে কোনোধৰণৰ ওপৰত তদন্ত নকৰি, তেওঁলোকৰ ওপৰত 'ডি'টো কেৱল বহাই দিয়ে। আজি মই নিজৰ বিধান সভা সমষ্টিৰ গোটেই গাওঁবিলাকৰ কথা কৈছো, নিজ গাওঁৰ কথা কৈছো যে তেওঁৰ মাক-দেউতাক স্বদেশী, লৰা জন গুৱাহাটীত, গোলাঘাট আৰু লক্ষিমপুৰলৈ কাম কৰিবলৈ গৈছিল। তেওঁক পুলিচে থানাত লৈ নামটো লিখাই ললে, পাচঁ বছৰ পিছত ঘৰলৈ জাননী গ'ল যে তেওঁ ডি-ভোটাৰ। আকৌ বহুতৰ ঘৰত এনেকুৱা কোনোধৰণৰ জাননী নাযায় - declared foreigner হিচাপে তেওঁলোকৰ ঘৰলৈ জাননী বিলাক প্ৰেৰণ কৰে। মাননীয় অধ্যক্ষ মহোদয়, এই কথা বিলাক এই কাৰণে কৈছো যে ডি-ভোটাৰে বিলাক বিধায়ক হিচাপে আমাৰ ওচৰলৈ আহে, তেওঁলোকে কৈছে উচ্চ আৰু উচ্চতম ন্যায়ালয়লৈ ডি-ভোটাৰ হৈ কেচ খেলিব লগা হয়। কিমান টকা খৰচ কৰিব লগা হয়, সেই ব্যক্তিয়ে কোৰ্ট কেচৰ ক্ষেত্ৰত কিমান হাৰাশাস্তি পাই। অধ্যক্ষ মহোদয়, আপোনাক এটা অনুৰোধ জনাইছো যে কোনবিলাক ডি-ভোটাৰ তেওঁলোকৰ ওপৰত যদি অধ্যয়ন কৰা যায় যে বেছি ভাগে দৰিদ্ৰ সীমা ৰেখাৰ তলত বসবাস কৰে। বেছি ভাগে এসাজ খোৱাৰ চিন্তা কৰিব লগীয়া হয়। এজোৰ কাপোৰতে এটা বছৰ পাৰ কৰিব লগা হয়। এই ব্যক্তি সকলৰ খাবলৈ যোগাৰ কৰাৰ কাৰণে টকা পইচা নাই, তেওঁলোক উকিলক পইচা দিয়াৰ কাৰণে চিন্তা কৰিব লাগে। গতিকে মাননীয় অধ্যক্ষ মহোদয়, আপোনাক কৈছে সেই দৰিদ্ৰ সীমা ৰেখাৰ তলৰ শ্ৰেণীৰ মানুহখিনি যেতিয়া নিজৰ ঠাইত কাম নাপাই, যেতিয়া বিভিন্ন চহৰে তেওঁলোকে কাম কৰিবলৈ যায় তেওঁলোকক তেনেকৈ ডি-ভোটাৰ হিচাপে চিহ্নিত কৰে। আজিৰ তাৰিখ পৰ্য্যন্ত অসম চুক্তি হোৱাৰ **৪০** বছৰ হ'ব। তাৰ পিছতো প্ৰকৃত ভাৰতীয় মানুহক ডি-ভোটাৰ সজাই তেওঁলোকক ইমান নিৰ্যাতন কৰা হৈছে। তাৰ ওপৰত বিহীত ব্যৱস্থা লব লাগিব। সেই ডি-ভোটাৰ নিৰ্যাতন কৰা হৈছে, অৰ্থাৎ অসমীয়া সকলক তেওঁলোকৰ অধিকাৰৰ পৰা বঞ্চিত কৰা হৈছে,

অসমীয়া সকলক কষ্ট দিয়া হৈছে। গতিকে এই অসমীয়া সকলক যাতে কষ্ট দিব নোৱাৰে, অসমীয়া সকলক ৰক্ষণা -বেক্ষণা দিয়াৰ কাৰণে এই ৬ নং দফাৰ ওপৰত আমি এই বোৰ কথা আলোচনা কৰিব লাগিব। এতিয়া কোন বোৰ স্বদেশী মানুহক ডি-ভোটৰ সজাই, কোনে সজাই, এই কথাবিলাক আমি অধ্যয়ন কৰিব লাগিব। মাননীয় অধ্যক্ষ ডাঙৰীয়া আপোনাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক লগতে বিভিন্ন মন্ত্ৰী সকল ইয়াত আছে, তেওঁলোকৰ লগতে গৃহ বিভাগক অনুৰোধ জনাব বিচাৰিম যে, তেওঁলোকে এটা উদাহৰণ স্বৰূপে pilot project হিচাপে তেওঁলোকে চাৰি পাচঁটা যিসকল ডি-ভোটাৰ আছে তেওঁলোকে যিহেতু স্বদেশী ঘোষিত হৈছে তেওঁলোকৰ ওপৰত অধ্যয়ন কৰিব লাগে যে এই ব্যক্তিসকলৰ নামৰ পিছত ডি-ভোটাৰ কোনে বহাই। এই ব্যক্তিসকলক নাগৰিকৰ মৰ্য্যদাৰ পৰা কোনো মৰ্য্যদাহীন কৰে। এই কথা বিলাক অধ্যয়ন কৰিব লাগিব। নহলে যুগে যুগে এনেকৈ অসমীয়া মানুহ লাঞ্চিত-বঞ্চিত হৈ আহিছে আৰু অনাগত অসমীয়া মানুহখিনি ভৱিষ্যততো লাঞ্চিত-বঞ্চিত হৈ থাকিব। মাননীয় অধ্যক্ষ ডাঙৰীয়া আপোনাক অনুৰোধ জনাইছো যে অসম আন্দোলনৰ সেই সময়ৰ এজন অন্যতম সক্ৰিয় ব্যক্তি। গতিকে এনেকুৱা অসমীয়া মানুহক ডি-ভোটাৰৰ নামত হাৰাশাস্তি কৰিলে অসমক, সেই অসম চুক্তিখনক অৱমাননা কৰা হয়, অসন্মান কৰা হয়। সেই কথাখিনি আপোনাক অনুৰোধ কৰিছো যে ইয়াৰ কাৰণে ব'ৰ্ডাৰ পুলিছ, গৃহ বিভাগ কোন দায়ী এই কথা বিলাক আমি তদন্ত কৰিব লাগিব। আগতে ডি-ভোটাৰ লৈ বিভিন্ন সময়ত বিভিন্ন কথা কোৱাৰ যদিও মন আছিল, সুযোগ পোৱা নাই, আজি এই ক্ষেত্ৰত এই কথাখিনি কৈছো । ডি-ভোটাৰ লৈ মন্ত্ৰী ডাঙৰীয়াই কালি উত্তৰ দিছে। উত্তৰত এটা কথা স্পষ্ট হোৱা নাই যে কোনো প্ৰকৃত ভাৰতীয় মানুহক ডি-ভোটাৰ সজাই যদি হাৰাশাস্তি কৰে সেই মানুহ জন যদি আদলতত ভাৰতীয় বুলি প্ৰমাণিত হয়, তেনেহলে তেওঁ কোনো ডি-ভোটাৰ সজালে তাৰ কাৰণে দায়ী কোন, ইয়াৰ কাৰণে ইয়াৰ সঠিক ব্যৱস্থা লব লাগিব। অধ্যক্ষ মহোদয়, যদি সঠিক ব্যৱস্থা লোৱা নহয় তেনেহলে ৮৫৫ জন শ্বহীদৰ প্ৰতি আমি অৱমাননা কৰা হ'ব । সেই কাৰণে আপোনাক অনুৰোধ জনাইছো আপুনি ২০১৬ চনৰ নাগৰিক সংশোধনী আইনৰ বিষয়ে কবলৈ আগতে কৈছে, পৰামৰ্শ দিছে নকওঁ , কিন্তু তথাপি শেষত কৈ যাম অসমীয়াৰ স্বাৰ্থত, অসম চুক্তিৰ স্বাৰ্থত, অসমীয়া জাতিৰ স্বাৰ্থত যে ২০১৬ চনৰ নাগৰিক সংশোধনী বিল হলে অসমীয়া জাতি কিন্তু পৰৱৰ্তী সময়খিনিত খুবেই সংকটত পৰিব, যি সংকট আমি কেতিয়াও মোচন কৰিব নোৱাৰিম। আজি ভাষা আন্দোলনৰ নামত কিমান মানুহ মৃত্যু মুখত পৰিছিল, কিমান শ্বহীদ হৈছে। সেই শ্বহীদখিনিক আমি কিন্তু মৰ্য্যদা দিব নোৱাৰিম। সেই শ্বহীদসকলক আমি অসন্মান কৰা হ'ব। মাননীয় অধ্যক্ষ মহোদয়, অসম চুক্তিৰ মুল বিষয় আছিল অসমৰ পৰা বিদেশী বিতৰণ কৰা। বিদেশী মুক্ত এখন অসম গঢ়ি তোলা। এই কথালৈ অসমত আন্দোলনো হৈছিল। অসমক বিদেশী মুক্ত কৰাৰ কাৰণে ভাৰতৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী প্ৰয়াত ৰাজীৱ গান্ধী ডাঙৰীয়াই সেই সময়ৰ মুখ্যমন্ত্ৰী প্ৰয়াত হিতেশ্বৰ শইকীয়া ডাঙৰীয়াক নিৰ্দেশ দিছিল যে অসমৰ স্বাৰ্থৰ কাৰণে, অসমক বিদেশী মুক্ত কৰাৰ কাৰণে চৰকাৰ ভঙ্গ কৰি হ'লেও অসম চুক্তি ৰূপায়ন কৰি পৰৱৰ্তী সময়ত অসম বিদেশী মুক্ত হোৱা কাৰণে কাম কৰিব লাগিব। এই কাৰণে মই মাননীয় প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত হিতেশ্বৰ শইকীয়াক ধন্যবাদ জ্ঞাপন কৰিছো। তাৰ লগে লগে এই অসম চুক্তিৰ মুল যিটো আধাৰ অসম আন্দোলনৰ মুল বিষয় বস্তু আছিল, সেই বিষয়বস্তুটো চিৰদিনৰ বাবে নোহোৱা কৰাৰ কাৰণে মই বিগত চৰকাৰৰ মুখ্যমন্ত্ৰী শ্ৰী তৰুণ গগৈ ডাঙৰীয়াক, কংগ্ৰেছ চৰকাৰৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী মনমোহন সিং ডাঙৰীয়াই যি উদ্যোগ লৈছিল তাৰ বাবে এই পবিত্ৰ সদনৰ যোগেদি মই প্ৰাক্তন প্ৰধান মন্ত্ৰী

মনমোহন সিং ডাঙৰীয়াক, মুখ্যমন্ত্ৰী শ্ৰী তৰুণ গগৈ ডাঙৰীয়াক, অসম চৰকাৰকো ধন্যবাদ জনাছো যে NRC ৰ উন্নীত কৰণৰ কাম কৰি অসমক বিদেশী মুক্ত কৰা কাম তেওঁলোকে হাতত লৈছিল। মাননীয় অধ্যক্ষ মহোদয় যিহেতু অসম চুক্তিৰ লগত NRC উন্নীতকৰণৰ কথাটো অতি গুৰুত্বপূৰ্ণ এটা বিষয়। এই দুয়োটা অতিকৈ ওতঃপ্ৰোতঃ বিষয়।

শেষত মই দুটামান বাক্য কব বিছাৰিছো। বৰ্তমানৰ চৰকাৰখনে ৮৫৫ জন শ্বহীদৰ নামত তেওঁলোকে বিভিন্ন ধৰণৰ কাৰ্য্যপন্থা হাতত লৈছে, সেই কাৰণে ধন্যবাদ জনাইছো। কেৱল কাৰ্য্যপন্থা হাতত লৈয়ে যদি তেওঁলোকে ক্ষান্ত থাকে, যদি অসমত এখন শুদ্ধ এন আৰ চি চৰকাৰখনে যদি কৰিব নোৱাৰে, তেনেহলে ৮৫৫ জনৰ কাৰণে যিখিনি কাৰ্য্যপন্থা হাতত লৈছে সেইখিনিয়েই কেৱল তেওঁলোকে কৰিলেই সেই শ্বহীদ সকলক সন্মান দিয়া নুবুজায়। গতিকে এই এন আৰ চি ৰ ক্ষেত্ৰত এই চৰকাৰখনৰ এখন নিকা ভাৱমূৰ্ত্তি থাকিব লাগিব। এই এন আৰ চি ৰ ক্ষেত্ৰত বৰ্তমানৰ চৰকাৰখনৰ কোনো যাতে পক্ষপাতিত্ব ভূমিকা নলয়।

**মাননীয় অধ্যক্ষ ঃ-** Please conclude. কোনো পক্ষপাতিত্বমুলক ভুমিকা লব নালাগে, মই বুজিলো।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ ঃ-** গতিকে অধ্যক্ষ ডাঙৰীয়া এটা কথা কব বিছাৰিছো, সেয়া ভুল হ'বনেশুদ্ধ হ'ব নাজানো। বৰ্তমান এন আৰ চি ৰ কাম কৰি আছে, এন আৰ চি ৰ উন্নীতকৰণৰ কাৰণে। এন আৰ চি ৰ উন্নীতকৰণ কৰিব লাগে। সদৌ শেষত মই কওঁ মাননীয় অধ্যক্ষ ডাঙৰীয়া, ১৯৫০ চনৰ এন আৰ চি খনৰ উন্নীতকৰণ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ-** চলিয়েই আছে।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ ঃ-** আগন্তুক দিনত, এন আৰ চি সংশোধন আৰু দাবী আপত্তিৰ ওপৰত যি পৰ্য্যায় চলিব সেই পৰ্য্যায়ত যদি ১৯৫০ চনৰ তথ্যখিনি বাহাল ৰখা নহয়, অধ্যক্ষ ডাঙৰীয়া আপোনাৰ জৰিয়তে পবিত্ৰ সদনত এটা কথা কব বিছাৰিছো, কিমানখিনি উপযুক্ত কথা হ'ব, নাজানো।

**মাননীয় অধ্যক্ষ ঃ-** Thank you. I do not allow. এতিয়া সদন ২৬-০৯-২০১৮ তাৰিখে পুৱা ৯ঃ৩০ বজালৈ স্থগিত ৰখা হ'ল।

**সদনৰ কাম-কাজ দিনৰ ২ঃ১৫ বজাত সমাপ্ত হয়।**